ত
ই।
মতিৰ
াইজৰ
।

22/11/89

# Assam Legislative Assembly Debates

ASSAM LEGISLATIVE ASSEMBLY LIBRARY
DISPUR.

सत्यमेव जयते

1989

## OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## ( BUDGET SESSION )

## VOL. XIV

## NO. 19

The 4th March 1976

*Geetali Art Press, G. S. Road, Dispur,*
*Guwahati—781022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1976

( Budget Session )

Volume— XIV

No— 19

Dated the 4th March 1976.

## CONTENTS.


| | Page No. |
|---|---|
| 1. Questions ... ... ... ... ... | 5— 43 |
| 2. General Discussion on Budget— — | 44— 136 |
| 3. Adjournment— — — — | — 137 |

Proceedings of the fourteen Session of the Assam Legislative Assembly assembled after the Fifth General Elections under Sovereign Democratic Republican Constitution of India

—

The house met in the Assembly Chamber, Dispur Gauhati on Thursday, the 4th March. 1976 with the Hon'ble Deputy Speaker in the Chair, 14 [ fourteen ] Minister, 4 [ four ] Ministers of State, 1 [ one ] Deputy Minister' 68 ( Sixty eight ) Members present.

—

## STARRED QUESTION AND ANSWER

Date : 4th March, 1976

( To which oral answers were given )

—

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : পঞ্চম পৰিকল্পনাত এই বিষয়ত কি কি আঁচনি পোৱা হৈছে মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে ?

চৈয়দা আনোৱাৰা টাইমুৰ ( মন্ত্ৰী ) :—আগতেই কোৱা হৈছে যে শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয়া মন্ত্ৰী :—মহোদয়াই জনোৱা মতে আমাৰ ৰাজ্যখনত মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্কুলৰ কাৰণে হিন্দী শিক্ষক দিয়া হব, সেইবোৰত কিমান শিক্ষকৰ আৱশ্যক আৰু ইতিমধ্যে কিমান শিক্ষক নিযুক্তি দিয়া হ'ল আৰু কিমান বাকী পুৰাবলাগিব এইটো জনাবনে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—এতিয়ালৈকে তিনি হাজাৰ তিনিশ তিৰানব্বৈ জন শিক্ষক নিযুক্তি দিয়া হৈছে। ইয়াৰ ভিতৰত হায়াৰ চেকেণ্ডাৰিত ১৩৩ জন আৰু হাইস্কুলত ৬৮৩ জন আৰু দিবলগীয়া আছে এক হাজাৰ দুশ চোৰাল্লিশ জন। এতিয়ালৈকে এম-ই আৰু এম-ভি স্কুলত নিযুক্তি দিয়া হৈছে।

শ্ৰী লক্ষ্মীকান্ত শইকীয়া :—মন্ত্ৰী মহোদয়াই জনাই দিয়া মতে মই জানিব বিচাৰিছো যে এতিয়ালৈকে উচ্চ মাধ্যমিক বিদ্যালয়ত যিখিনি হিন্দী শিক্ষক দিবলগীয়া আছে আৰু যিখিনি দিয়া হৈছে সেই ক্ষেত্ৰ কিবা আচনি লৈ প্ৰাৰম্ভিক হিচাবে কাম কৰিবলৈ লৈছে নেকি আৰু যিবিলাক স্কুলত হিন্দী শিক্ষক দিবলৈ বাকী আছে সেই ক্ষেত্ৰত কিমান বাকী আছে জানিবলৈ বিচাৰিছো।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) : এক হাজাৰ সাতশ চোৰাল্লিশ জন শিক্ষক লাগিব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—কেতিয়ালৈকে নিযুক্তি দিয়াৰ কথা চিন্তা কৰিছে মন্ত্ৰী মহোদয়াৰ জানিব বিচাৰিছো।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—পঞ্চম পৰিকল্পনাত বছৰে বছৰে পৰ্য্যাক্ৰমে দিয়া হব।

শ্ৰীলক্ষ্মীকান্ত শইকীয়াঃ—যি সকল হিন্দী শিক্ষক নিয়োগ কৰা হৈছে সেই সকলৰ কাৰণে খৰচ কেন্দ্ৰীয় চৰকাৰে দিয়েনে ৰাজ্যিক চৰকাৰে দিয়ে এইটো জানিব বিচাৰিছো আৰু কি স্কেলত দৰমহা দিয়া হয় সেইটো ও জানিব বিচাৰিছোঁ।

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) —পৰিকল্পনা হিচাবে পাচ বছৰলৈকে কেন্দ্ৰীয় চৰকাৰে বহন কৰে আৰু তাৰ পিচত এইটো ৰেগুলাৰাইজ কৰিলে ৰাজ্যিক চৰকাৰে বহন কৰে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—এতিয়ালৈকে তেওঁলোকক কি হাৰত দৰমহা দিয়া হৈছে আৰু পুৰণা শিক্ষকে আগৰ হাৰত দৰমহা পাই আছে আৰু নতুন শিক্ষকে অধিক দৰমহা পাই আছে এইটো সঁচানে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :—এইটো অৱশ্যে কিছু পৰিমাণে সঁচা যিবিলাক ডেফিচিট স্কুল সেই বিলাকত পে স্কেল মতে দিয়া হৈছে আৰু এটা কথা হল যিকেইটা অনুষ্ঠানত শিক্ষক দিয়া হয় তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা স্বীকৃতি লব লাগে। হেল'

( সদনত হাঁহিৰ ৰোল উঠে। )

কেন্দ্ৰীয় চৰকাৰৰ পৰা এটা এক্সপাৰ্ট কমিটি ১৯৬৯ চনতে পঠিয়াই আমাৰ ইয়াৰ শিক্ষক সকলৰ অৰ্হতা সম্পৰ্কে চাৰ্ডে কৰিছিল। তিনি বছৰৰ মূৰে মূৰে তেনে চাৰ্ডেৰ পিচত স্বীকৃতি আহিছে ১৯৭২ চনত কিন্তু ইতিমধ্যে পে স্কেল সংসনি হল আৰু ১৯৭৩ চনৰ পৰা দিয়া হৈছে যদিও কিছু অসুবিধা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ বাউগু: উপাধ্যক্ষ মহোদয়, চৰকাৰে যথেষ্ট পৰিমাণে হিন্দী শিক্ষাৰ সুবিধা দিয়া নাই কাৰণে মই অসমীয়াতে কবলগীয়া হৈছে। মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব পাৰোনে অসমত কিমান এম-ই আৰু

এম-ভি স্কুল হিন্দী শিক্ষক নোহোৱাকৈ আছে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) :—এম-ই স্কুল বেছি নাই বিশ প'চিশ খন মান আছে। এম-ভি স্কুলত আগতে মাধ্যমিক বোর্ডে কৰিছিল কিন্তু এতিয়া দিয়াৰ কথা চিন্তা কৰি থকা হৈছে আৰু পর্য্যাক্রমে এম-ই আৰু এম-ভি স্কুলত দিয়াৰ পিচত হাইস্কুলত দিয়াৰ কথা চিন্তা কৰা হৈছে।

Shri Atul Chandra Saikia :— উপাধ্যক্ষ মহোদয়, हिन्दी को सवाल करे उजीरे तालिम साहेवासे जो हिन्दी प्रचार करते हैं ओतो असमीया हिन्दी है। इसिलिये मैं जानना चाहता हूँ कि सही हिन्दी प्रचार करने के लिए सरकारने क्या स्कीम ( Scheme ) करते हैं ?

Shri Mati Sayada Anwara Taimur (Minister) :— जो स्कीम ( Scheme ) हमने बोलते है ओहि बोला है।

শ্রীপ্রেমধৰ বৰা :—মন্ত্রী মহোদয় কৈছে যে প্রায় ১ হাজাৰ ৬২ জন হিন্দী শিক্ষকৰ দাবী আহিছে। বর্তমান কিমান চাকৰি পুৰোৱাৰ কথাটো ভাবিছে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) :—১৯৭৫-৭৬ চনত ৩৫০ জনৰ পুৰোৱা হৈছে। কেন্দ্রীয় চৰকাৰক আমি ১৯ লাখ টকা বিচাৰিছিলো, কিন্তু ১৫ লাখ টকাহে মঞ্জুৰ কৰিছে। গতিকে ২০০ মান দিব পৰা হ'ল।

শ্রীমান নবেন্দ্র শর্ম্মা :—১৯৭৫-৭৬ চনত যি ৩৫০ জন লোৱা হ'ল তাৰ ভিতৰত গুৱাহাটী মহকুমাত কিমান শিক্ষক দিয়া হৈছে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্রী) :—গুৱাহাটী বুলি নাই, জিলা হিচাবে ভাগ কৰি দিয়া আছে। কামৰূপ জিলাত ৫৬ জন দিয়া হৈছে।

Shri Chandra Bahadur Chetri : उपाध्यक्ष महोदय, माननीय मंत्रीजी से मैं पुछना चाहता हुँ कि एम० इ० या एम० भि० (ME or MV Schoel) क्या फ्लेट तनखा (Pay) दिया जाता है? कितना तनखा दिया जाता है?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী):— আগতেই কোৱা হৈছে।

আটাউৰ ৰহমান:— বিদ্যালয় বিলাকত হিন্দী শিক্ষক দিয়া হৈছে। আমাৰ জনসাধাৰণে কি হিন্দী কয় সকয়লোৱে জানে। গতিকে জনসাধাৰণৰ মাজত হিন্দী মৰবৰহী কৰিৰব কাৰণে কি ব্যৱস্থা লৈছে?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী):— ৰাষ্ট্ৰ ভাষা প্ৰচাৰ মমিতি আছে। তেওঁলোকে কাগজ উলিয়াইছে, পাঠ্যক্ৰম প্ৰস্তুত কৰিছে, পৰীক্ষা চলাইছে। তেওঁলোকক ২৫ হাজাৰ টকা অসম চৰকাৰৰ পৰা দিয়া হৈছে। ইয়াৰ বাহিৰেও ৰেডিঅত আজি-কালি হিন্দী শিকোৱা হয়।

আবদুল হান্নান চৌধুৰী:—(১) কি ভিত্তিত এই হিন্দী শিক্ষক বিলাক লোৱা হয়। (২) এই শিক্ষক সকলৰ অৰ্হতা কিমান, (৩) মেট্ৰিক ফেল কৰা ৮-১০ বছৰ কাম কৰা যি বিলাক হিন্দী শিক্ষক আছে, স্কুল বিলাকত যেতিয়া পোষ্ট ওলায়, তেতিয়া সেই শিক্ষক সকলক লোৱা হবনে নহয়?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী):— হিন্দী শিক্ষক অৰ্হতা অনুসৰি লোৱা হয়। তেওঁলোক বিহাৰদ পাছ কৰাৰ উপৰিও মেট্ৰিকুলেট হব লাগে। আৰু এই অৰ্হতা যিনি থাকিলে তেওঁলোকক নিযুক্তি দিয়া হয়।

শ্ৰীমতী প্ৰণীতা তালুকদাৰ:— অসমৰ মহাবিদ্যালয় বিলাকত মুঠতে কিমান হিন্দী শিক্ষক নিযুক্তি দিয়া হৈছে। আৰু বৰ্ত্তমান কিমান হিন্দী শিক্ষক লোৱা হব?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— মহাবিদ্যালয়ত হিন্দী শিক্ষক কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো সাহায্য আগবঢ়োৱা নাই। আৰু তাৰ বাবে আমি জোৰো দিয়া নাই। গতিকে এইটো মই কব নোৱাৰিম।

শ্ৰীজগদীশ দাস :— অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ পৰা কিমান জন হিন্দী শিক্ষক লোৱা হৈছে ?

চৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— সঠিক কৈ, কব নোৱাৰিম।

বিষয় ঃ উত্তৰ লক্ষীমপুৰ সদৰ চিকিৎসালয়

শ্ৰীগবিন্দ চন্দ্ৰ বৰাই সুধিছে :—

* ২১৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ক) উত্তৰ লক্ষীমপুৰ নগৰৰ সদৰ চিকিৎসালয় খন (চিভিল হস্পিতেল) সু-বৃহত কৰিবৰ কাৰণে নগৰৰ উত্তৰ অংশত ৫২ বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰা কথাটো সঁচা নে ?

খ) যদি সচা, তেন্তে এই ৫২ বিঘা মাটিৰ ভিতৰত কিমান চৰকাৰী মাটি আৰু কিমান ৰাইজৰ পট্টাৰ মাটি জনাবনে ?

গ) ৰাইজৰ পট্টাৰ মাটিখিনি অধিগ্ৰহণ কৰাৰ কাৰণে চৰকাৰে কিমান টকা ভৰিব লগা হল জনাবনে ?

ঘ) নতুন ঠাইৰ চিকিৎসালয়খন স্থাপনৰ দিহা কৰি স্বাস্থ্য মন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰা কথাটো সঁচা নে ?

(ঙ) যদি সচঁা তেন্তে সেই চিকিৎসালয় খনৰ কাৰণে চৰকাৰে কিমান টকা মঞ্জুৰ কৰিছিল আৰু সেই মঞ্জুৰী ১৯৭৫—৭৬ চনতহে হোৱা কথাটো সচঁা নে?

(চ) ১৯৭৫-৭৬ চনত চিকিৎসালয়ৰ ঘৰ সজা কাম হাতত লোৱা হবনে?

(ছ) এইটো কথা সঁচা নে বৰ্ত্তমান সদৰ চিকিসালয়ত কোঠাৰ অভাৱত বহুতো ৰোগী চিকিৎসালয়ত বাৰান্দাত থাকিব লগা হৈছে?

(জ) এইটো কথা সচঁানে উত্তৰ লক্ষীমপুৰ সদৰ চিকিৎসালয়ৰ পৰামৰ্শ কমিটিয়ে (এডভাইচৰি বৰ্ড) প্ৰস্তাৱ যোগে এই বছৰতে নতুন প্ৰস্তাৱিত ঠাইত চিকিৎসালয় ঘৰ নিৰ্মাণৰ কাৰণে বাৰে বাৰে চৰকাৰক অনুৰোধ জনাই আছে?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) যে উত্তৰ দিছে:

২১৬। (ক—সচঁা ৫৫ বিঘা মাটি লোৱা হৈছে।

(খ)—ইয়াৰ ভিতৰত ৩৮ বিঘা চৰকাৰী মাটি আৰু বাকী ১৭ বিঘা ৰাইজৰ পট্টাৰ মাটি।

(গ)—৯৫,২৭১'৫০ টকা।

(ঘ)—সচঁা

(ঙ)—সচঁা যদিও চিকিৎসালয়খন স্থাপনৰ কাৰণে টকা মঞ্জুৰ কৰিব পৰা এতিয়াও হোৱা নাই।

(চ)—যিহেতু এতিয়ালৈ পৰিকল্পনা আৰু প্ৰাককলন হোৱা নাই আৰু আৱশ্যকীয় টকাও বৰ্ত্তমান বছৰৰ বাজেটত নাই, ঘৰ সজা কাম ৫ম

পিৰকল্পনাৰ ১ম বছৰত হাতত লোৱা সম্ভৱ নহব।

(ছ)—সচা।

(জ)—এনেকুৱা কোনো প্ৰস্তাৱ বৰ্ত্তমানলৈ পোৱা হোৱা নাই।

শ্ৰীগোবিন্দ্ৰ বৰা :- মন্ত্ৰী মহোদয়ে চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰিছে। আধাৰশিলা স্থাপনৰ কাৰ কিমান দিনৰ পিচত টকাটো চেংচন হব ?

শ্ৰীগিৰিন্দ নাথ চৌধুৰী (মন্ত্ৰী) ঃ প্ৰশ্নকৰ্ত্তাই প্ৰশ্ন কৰিছে যে, আধাৰশিলা স্থাপন কৰাৰ পিচত বিত্ত বিভাগে টকাটো দিয়াৰ ব্যৱস্থা কৰিব নে ? ইতিমধ্যে বিত্ত বিভাগৰ হাই ব্লাড প্ৰেচাৰ হৈছে। সেই কাৰণে টকাটো দিব পৰা নাই। চিকিৎসাৰ ব্যৱস্থা হৈছে। অহা বছৰলৈ দিয়া হব।

শ্ৰীগোবিন্দ বৰা :- অহা বছৰ মানে কোন বছৰ ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :- অহা বছৰ বুলিলে যিটো বছৰ বুজা যায় সেইটো।

শ্ৰীগোবিন্দ বৰা :- আধাৰশিলা স্থাপন কৰা কিমান বছৰ হ'ল ? আঞ্চলিক বৈষ্যমতা দূৰ কৰিবৰ কাৰণে চৰকাৰে চেষ্টা কৰিছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নে কোন বছৰত হব ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :- কোৱা হৈছে অহা বছৰত হব।

শ্ৰীবদন তালুকদাৰ :- বিত্ত বিভাগৰ হাইপ্ৰেচাৰ হোৱাৰ কাৰণেই কৰিব পৰা নাই। হাই প্ৰেচাৰ বোধ কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নে ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :- চিকিৎসা কৰিয়ে আছে। অহা বছৰলৈ কাম হব।

শ্ৰীতুলাল থাউণ্ড :- বিত্ত বিভাগৰ হাইপ্ৰেচাৰ ডাইগনোচাইচ কৰা ফিজিচিয়ান কোন?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :- বিত্ত মন্ত্ৰী নিজে। সহযোগী হ'ল প্লেনিং এণ্ড ডেভোলেপমেণ্ট মন্ত্ৰী।

শ্ৰীগিয়াচুদ্দিন আহমেদ :- বিত্ত বিভাগৰ হাই প্ৰেচাৰ হৈছে, স্বাস্থ্য বিভাগৰ লো-প্ৰেচাৰ হৈছে নেকি?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) এইটো সচা কথা।

শ্ৰী গোবিন্দ বৰা :- অহা বছৰত কৰা হব মানে, ১৯৭৬—৭৭ চন নেকি?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :- মই (চ)ৰ উত্তৰত কৈছো, ঘৰ সজা কাম ৫ম পৰিকল্পনাৰ ১ম বছৰত হাতত লোৱা সম্ভৱ নহব।

শ্ৰীসোণেশ্বৰ বৰা :- স্বাস্থ্য বিভাগৰ ল—প্ৰেচাৰেই নহয়, ডিচেণ্টেৰী হৈছে। স্বাস্থ্য মন্ত্ৰীয়ে যেতিয়া উত্তৰ লক্ষীমপুৰৰ হাস্পাতাল থনৰ আধাৰ শিলা স্থাপন কৰিছিল, এই আধাৰ শিলা আচনি নোহোৱাকৈ স্থাপন কৰা হৈছিলনেকি? সেই আধাৰ শিলাৰ আচনি দুই মহলিয়া, তিনি মহলিয়া, কোনে গুনত স্থাপন কৰা হৈছিল?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) : -আচনি আছে। প্লেন এষ্টিমেট আছে, ধনৰ অভাৱ।

## RE: ARREST OF OFFICE BEARER OF O. N. G. C. WORKERS' ASSOCIATION

Shri Promode Chandra Gogoi asked :—

*217. Will the Minister, Home be pleased to state-

(a) Whether it is a fact that on 13th September, 1975 the Sibsagar police arrested the Office Bearer of the O. N. G. C. Workers' Association (Recognised), Sibsagar from the office premises ?

(b) If so, whether the Government have received a complaint from the Association addressed to the S. P., Jorhat, dated 10th October, 1975 ?

(c) If so, action taken by the Government in this regard ?

Shri Hiteswar Saikia (Minister Home) replied :—

217.—Yes.

(b)—Yes.

(c)—On receipt of the complaint S. P. Sibsagar caused an enquiry and it was found that the members were arrested legally and hence no futher action was necessary.

Shri promode Chandra Gogoi :—May I know from the Minister whether police had been to the office of the O. N. G. C.'s Association on its own initiative or on receipt of complaints from certain other quarters.

Shri Hiteswar Saikia (Minister):- I think they might have certain informations.

Shri Promode Chandra Gogoi :—My specific question is whether the police had been to the office of the Association on its own initiative or on receipt of complaint from certain other quarters.

Shri Hiteswar Saikis (Minister) :- On receipt of information from their own source.

Shri promode Chandra Gogoi :—Whether it is a fact that the officer-in-charge of the Police Station who had been to the Association's office used language which is derogatory, to the office bearers ? In the report it is stated, the O. C. said" you are doing some conspiracy against the Government and I will arrest you all people under DIR and MISA". Therefore, may I know from the Minister whether Government had any directive issued to the police Department not to use any derogatory language to the office bearers of a legalised and recognised Association ?

Shri Hiteswar Saikia (Ministe) : I think he Should not utter such language. Anyway, I will look into it.

Shri Giasuddin Ahmed—Whether the Association was prohibited from holding any meeting ?

Shri Hiteswar Saikia (Minister) :- Emergency was there.

Shri Giasuddin Ahmed :-Whether the meeting was held inside the house or outside ?

Shri Hiteswar Saikis (Minister) :- Inside the house.

Shri Giasuddin Ahmed:—Is it illegal to hole meeting when 144 is in force

Shri Hiteswar Saikia (Minister) :- I think Government should be informed about holding of the meeting.

Shri Promode Chandra Gogoi-If there is a meeting of the concerning Association they are to inform the police. In fact there was no meeting. Therefore, my question is on what basis the police interfered with the legal activities of a registered Association ?

Shri Hiteswar Saikia (Minister) :- Their information was that there was some meeting.

Shri Promode Chandra Gogoi:—There was no meeting. But the workers and office bearers of the Association gathered in the office in the evening. Whether police had the right to interfere with the legal activities of a recognised Association ?

Shri Hiteswar Saikia (Minister):- 144 was there and the time was 8-30 p. m. So Sir, police might have thought that some kind of meeting was going on.

Shri Atul Chandra Saikia:- How many office bearers were arrested and under what section of IPC they were arrested ?

Shri Hiteswar Saikia (Minister):- 21 people were taken to the Thana. They were arrested under Section 141 IPC. But immediately they were releasd on the intervention of hon'ble member Shri Gogoi.

## Re. CONSTITUTION OF A BLOCK IN SANTAL COLONY

Snri Mathius Tudu asked :

*118 Will the Minister, Revenue be pleased to state-

(a) Wheher Government have received representation from the Santal people of the Santal Colony Mouza in Kokrajhar Subdivision for constitution of a Block for the protection of the land of the backward Santal people in Santal Colony ?

(b) If so. the steps taken by Government in this regard ?

Dr. Bhumidhar Barman (Minister of State, Revenue) replied :

218. (a)—Yes.

(b) It is under examination.

Shri Mathius Tudu :- May I know from the Minister how long it will remain under consideration of the Government ?

Dr. Bhumidhar Barman (Minister) :-We will dispose of the case as soon as possible.

Shri Mathius Tudu :- May I know when the representation was received ?

Dr. Bhumidhar Barman (Minister): On 7. 6. 74.

Shri Mathius Tudu :- In view of the fact that the Santal people of the colony have been losing land at the hands of the advance people will the Government expedite the metter ?

Dr. Bhumidhar Barman (Minister) :- We will consider it.

বি ঃ বেৰভাঙ্গী ডাক্তৰখানাৰ ঘৰ নিৰ্ম্মাণ

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানীয়ে সুধিছে :

*২১৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) ধুবুৰী মহকুমাৰ বেৰভাঙ্গী ডাক্তৰখানাৰ ঘৰ নিৰ্মাণ কৰাৰ বাবে টকা মঞ্জুৰ হোৱা কথাটো সচাঁ নে ?

(খ) যদি সচাঁ হয়, তেন্তে কিমান টকা মঞ্জুৰ হৈছে আৰু কেতিয়া কাম আৰম্ভ হব ?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২১৯। (ক)—সচাঁ।

(খ)-১,৬২,৬০০'০০ টকা মঞ্জুৰ হৈছে আৰু কাম অহা বছৰলৈ আৰম্ভ হব।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী :—এই টকা কোন বছৰত মঞ্জুৰী হৈছিল প্লেন এষ্টিমেট কেতিয়া দিয়া হৈছে আৰু ৰাইজৰ স্মাৰকপত্ৰ কেতিয়া পাইছিল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীগিৰিন্দ্ৰচন্দ্ৰ চন্দ্ৰ চৌধুৰী মন্ত্ৰী :- অহা বছৰত আৰম্ভ হব যেতিয়া বাকীখিনি ইমফৰমেচন নহলেও হয়।

বি ঃ অসম একত্ৰীকৰণ পৰিবহন বিভাগৰ গাড়ী

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :

*২২০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) অসম একত্ৰীকৰণ পৰিবহন বিভাগত মুঠতে কিমানখন গাড়ী আছে ?

(খ) কিমানখন গাড়ী ভাল অৱস্থাত আছে আৰু এই বিভাগৰ গাড়ী কত ভাল কৰা হয় ?

(গ) এই বিভাগৰ গাড়ী কোনে কোনে ব্যৱহাৰ কৰিব পাৰে ?

(ঘ) ১৯৭৪-৭৫ আৰু ১৯৭৫-৭৬ চনত এই শিতানত কিমান টকা ব্যয় কৰা হৈছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাঁউণ্ড (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২২০। (ক)—অসম একত্ৰীকৰণ (পুল) পৰিবহন বিভাগত মুঠতে ৫০ খন গাড়ী ২৪।২।৭৫ তাৰিখলৈকে আছে।

(খ)—অসম একত্ৰীকৰণ (পুল) পৰিবহন বিভাগত ৩৪ খন ভাল গাড়ী আছে। এই গাড়ীবোৰ সাধাৰণতে অসম চৰকাৰৰ পথ পৰিবহন নিগমৰ দিশপুৰত থকা কেন্দ্ৰীয় কাৰখানাত বা গুৱাহাটী চহৰত থকা বিশ্বাস যোগ্য বেচৰকাৰী কাৰখানাত মেৰামতি কৰা হয়।

(গ)—১৯৫৫ চনৰ চৰকাৰী একত্ৰীকৰণ (পুল) গাড়ী (সংবিধান, ৰক্ষণাবেক্ষণ, পৰিচালন) নীতি আৰু এই সংক্ৰান্তত লোৱা পৰৱৰ্ত্তী চৰকাৰৰ সিদ্ধান্তৰ স্বত্ব সাপেক্ষে মন্ত্ৰী, অধ্যক্ষ, উপাধ্যক্ষ, সংসদী সচিব, অসম চৰকাৰৰ ৰাজপত্ৰধাৰী বিষয়া, সন্মানিত ৰাজ্যিক অতিথি, অসম ভ্ৰমণ কৰিবলৈ অহা আন আন ৰাজ্যিক ৰাজপত্ৰধাৰী বা কেন্দ্ৰীয় বিষয়া আৰু বিশিষ্ট ব্যক্তি, অসম, লোকসেৱা আয়োগৰ সদস্য আৰু সচিব আৰু বিধান সভাৰ সদস্য সকলে এই গাড়ীবোৰ ব্যৱহাৰ কৰিব পাৰে।

(ঘ)—আমাৰ হিচাব মতে এই গাড়ীবোৰ মেৰামতিৰ বাবে ব্যয় কৰা

টকাৰ পৰিমাণ তলত দিয়া হ'ল—

১৯৭৫-৭৫ চনত মুঠ টকা খৰচ কৰা হৈছে ৬,৩৪,২১৭ টকা।

১৯৭৫—৭৬ চনত জানুৱাৰী মাহলৈকে মুঠ টকা খৰচ কৰা হৈছে—৫,৮৮,৫১৯ টকা।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :- উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে, ৫০ খন গাড়ীৰ খবৰ দিছে। তাৰ ভিতৰত ৩৪ খন ভাল গাড়ী আৰু বাকীখিনি বেয়াহৈ আছে বুলি কৈছে। গতিকে এই বেয়া গাড়ী কেইখন কি অৱস্থাত আছে আৰু ক'ত ৰখা হৈছে মহোদয়ে জনাব নে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :- বাকী কেইখন এইধৰনে - ৯খন গাড়ী এয়াৰ মাৰ্ক ফৰ দিচপোজেল, ২খন বিয়ন্দ ইকনমিক ৰিপেয়াৰ আৰু ৫খন মেজৰ ৰিপেয়া।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ- অসম একত্ৰীকৰন পুল পৰিবহনৰ যি কেইখন ভাল বা বেয়া গাড়ী আছে সেইবিলাক ৰখাৰ কি সুব্যৱস্থা কৰা হৈছে? আমি জনাত দিশপুৰৰ মুকলি ৰাষ্টাতে এই গাড়ীবিলাক পৰি থাকে ব'দে বতাহে ফলত ভালখিনিও বেযা হৈছে। এই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড :- পুলৰ গাড়ীবিলাক ৰখাৰ কাৰণে এটা গেৰেজ তৈয়াৰ কৰা হৈছে কিন্তু গেৰেজটোত কিছুমান চতুৰ্থ শ্ৰেণীৰ চাকৰীয়ালে দখল কৰি আছে। গেৰেজ বিছাৰি পোৱা নাই কাৰণে বাহিৰতে গাড়ীবিলাক আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :- এই গাড়ীবিলাক ৰাজহুৱা সম্পত্তি।

এনেকৈ গেৰেজৰ অভাবত বাহিৰত পেলাই ৰখাটো ভাল হোৱা নাই। কাৰণ যি কেইখন ভাল গাড়ী আছে বাহিৰত ৰখাব পৰা সেইকেইখনো বেয়া হব। গতিকে এই বিষয়ে ব্যৱস্থা লোৱা চৰকাৰে বিবেচনা নকৰে নে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :- এই বিষয়ে চিন্তা কৰি থকা হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :- গাড়ীবিলাক বেচকাৰী কাৰখানতো মেৰামতি হয় বুলি কৈছে। এই টকাৰ ভিতৰত কিমান টকা বে চৰকাৰী কাৰখানাত দিয়া হৈছে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীইন্দ্ৰশ্বৰ খাউণ্ড (মন্ত্ৰী) :- বে চৰকাৰী হিচাবটো নাই মুঠ হিচাবটোহে আছে।

শ্ৰীজালাসুদ্দিন আহমেদ :- চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকল যে এই গেৰেজটোত দখল কৰি বহি আছে তেওঁলোকক উচ্ছেদৰ কিবা নোটিশ দিয়া হৈছে নেকি?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :- যাবলৈ কোৱা হৈছে কিন্তু ঘৰ পোৱা নাই কাৰণে যাব পৰা নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :- বেচৰকাৰী কাৰখানাত যে গাড়ী ভালকৰিবলৈ দিয়া হয় সেইটো কি ভিত্তিত দিয়া হয় মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী) :- আমাৰ নিয়ম হ'ল দিশপুৰত যি চৰকাৰী কাৰখানা আছে তালৈ পঠিয়াই দিয়া হয় আৰু নিগমৰ কাৰখানাই কামটো সোনকালে কৰিব নোৱাৰিলে বেচৰকাৰী কাৰখানাটো তেওঁলোকে পঠিয়াই দিয়ে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :- কি বন্দবস্তত দিয়ে?

শ্ৰীইন্দ্ৰেশ্বৰ (মন্ত্ৰী : এইটো কাৰখানাই কৰি দিয়ে।

শ্ৰীলক্ষীকান্ত শইকীয়া :- মন্ত্ৰী মহোদয়ে (গ) প্ৰশ্নোত্তৰত কোনে কোনে গাড়ী ব্যৱহাৰ কৰিব পাৰে তাৰ এখন তালিকা ডাঙি ধৰিছে। তাত গেজেটেদ বিষয়াই গাড়ী ব্যৱহাৰ কৰিব পাৰে বুলি কৈছে আৰু আমি জনাত গেজেটেদ বিষয়াৰ বাহিৰেও অন্য বিষয়াও গাড়ী চলায়। কিন্তু বিধান সভাৰ যি বিলাক সমিতি আছে সেই সমিতি বিলাকৰ চেয়াৰমেন সকলে গাড়ী চলাব নোৱাৰে সেই কথা সচাঁনে?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড (মন্ত্ৰী :- চেয়াৰমেনেও গাড়ী পায়।

## RE : WATER SUPPLIY SCHEME AT MORRABAZAR

Shri Puspadhar Chaliha asked :=

*221. Will the Minister, Health ba pleased to state—

(a) Whether Government is aware of the fact that the trial boring and other formalities of Water Suppliyh Scheme taken up in 1966 at Morrabazar in Amguri Constituency was completed in the year 1970 ?

(b) If so, reason for not starting the work till now ?

Shri Girindra Chandra Choudhury (Minister, Health) relied :

221. (a)—Only trial boring and preliminary survey for Water Supply were undertaken in the year, 1964.

(b)—The Subdivisional Planning Cell did not

recommend the Morra-bazar Water Supply Scheme for inclusion in the Fifth Five-Year plan.

Shri Puspadhar Chaliha :— Mr. Deputy: Speaker Str, the Sub-divsional Planning Cell did not receommended the scheme only, it has already been taken over by the Public Health Deptt. for construction in the Fifth Five Year Plan but this scheme was not included though Govt. gave assurance on the floor of the House in the year 1966 that the Morrabazar Water Supply Scheme has been taken up and it will be completed?

Shri Girinda Ch. Choudhury (Minister): Sir, the trial boring held in 1964 and the result came out in 1971. Lack of source of Water Supply or whatever the promise of the Minister might have becn made at that time, that cannot be implemented. There was no coure of water supply and as such the Sub-divisional planning Cell did not recommended the Morrabazar Water Supply Scheme.

Shri Puspadhar ehaliha :— Mr. Deputy. Speaker Sir is the Hon'ble Minister will be aware of the fact that where as the trial boaring is not successful, an alternative plot of land was handed over to the Public Health Deptt. and after that no action is being taken?

Shri Girindra Ch. Choudhury, (Minister) : That information is not with me, Sir, at this moment.

Shri Puspadhar Chaliha : Mr. Deputy Speaker, Sir, will the Hon'ble Minister will take up the matter so that the Govt. assurance stend fulfilled and perform the mrtter ?

Shri Girindra Ch. Choudury (Minister) : Sir, I can repeat that the Govt. did not assure and Govt. neither said that the trial boing was succeful.

Shri Puspadhar Chaliha : It was repeatedly told that whera the trial boring was not successful, the department was asked for an alternative plot of land and that plot of land was handed over to the department by the local public and after that the department has not pursued.

Shri Girindra Ch. Choudhury, (Minister) : Sir, I will make an enquiry.

বি ঃ বৰপেটা মহকুমাত নতুন আৰক্ষী চকী

শ্ৰীআব্দুল হান্নান চৌধুৰীয়ে, সুধিছে ঃ

*২২২। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) বৰপেটা মহকুমাত কোনো আৰক্ষী চকী নতুনকৈ খোলা হবনে?

(খ) যদি হয়, কোন কোন ঠাইত হব?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২২২। (ক) আৰু (খ)—বৰ্ত্তমানে নতুন কোনো আৰক্ষী চকী খোলাৰ প্ৰস্তাৱ নাই। কিন্তু ভেল্লা-নগাঁৱ এলেকাত এটা চকী খোলাৰ প্ৰজোজনীয়তা সম্পৰ্কে চৰকাৰে তথ্যপতি বিচাৰিছে।

শ্ৰীকন্দ্ৰৰ্প কুমাৰ দাস:— মন্ত্ৰী মহোদয়ে ভেলা-নগাওঁৰ বাহিৰে বৰপেটা মহকুমাৰ আন ঠাইত আৰক্ষী চকী খোলা নহব বুলি উল্লেখ কৰিছে। কিন্তু সৰুপেটাত অঞ্চলত আজি দুই বছৰ মানৰ আগৰে পৰাই ডকাইতৰ উতপাত বেচি হৈছে। সেই কাৰণে এই কথালৈ লক্ষ্য ৰাখি এটা আৰক্ষী চকী খোলাৰ ব্যৱস্থা কৰিবনে? স্থানীয় বিধান সভাৰ সদস্য জনে আৰক্ষী গত স্থাপন কৰাৰ কাৰণে সদৌ মাননীয়া ওচৰত প্ৰস্তটো দিয়া হৈছিল।

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):- এই বিষয়ে যদিও তেখেতে ৬০খন উথাপন কৰিছে এতিয়া ডকাইত কমি গৈছে। তথাপি এলেকাটো পৰিক্ষা কৰি চাব লাগিব।

শ্ৰীজালালদ্দিন আহমেদ:- বৰপেটা মহকুমাৰ বেলেগ বেলেগ ঠাইত ডকাইটি হৈছে। কিন্তু এই ডকাইট বিলাকৰ স্থায়ী থকা ঠাই নাই। চৰ এলেকাত থাকে। শ্ৰীহান্নান চৌধুৰী আৰু মোৰ সমস্তিত

দৈনিক ৫০।৬০ টাকৈ গুৰু চুৰি হৈ আছে। গতিকে এই গুৰু চুৰি হোৱা কথালৈ লক্ষ্য ৰাখি এটা আৰক্ষী চকী খোলাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী এই সদনত মাননীয় সদস্যই যোৱা বছৰ বাজেট অধিবেশন বাজেট বক্তৃতাত কৈছিল যে তেখেতৰ অঞ্চলত ডকাইতি নহয় জনিয়া অঞ্চলতহে হয়: গতিকে এইটো চাব লাগিব।

শ্ৰীকন্দৰ্প কুমাৰ দাস:- গলিবান্ধা অঞ্চলত ডকাইতৰ উতপাত হোৱাৰ কাৰণে তাত যি পুলিচৰ মানুহ ৰখা হৈছে তেওঁলোকৰ কাৰণে থকা ঘৰাৰ কোনো বন্দবস্তু কৰিবনে?

শ্ৰী হিতেশ্বৰ শইকীয়া (মন্ত্ৰী):- এই বিলাক অস্থায়ী ব্যৱস্থা।

মৌলানা আব্দুল জলিল চৌধুরী:- উপাধ্যক্ষ মহোদয়, করিমগঞ্জ মহকুমা বদরপুর থানার অন্তগত শ্ৰীগৌরী এলাকায় 'সুপারিণ্টেনডেণ্ট্ অব্ পুলিশের' একটা প্রস্তাব অনুযায়ী

মি ডেপুটি স্পীকাৰ :—বৰপেটাৰ পৰা কৰিমগঞ্জ কেনেইক পালেগৈ?

মৌলানা আব্দুন জলিল চৌধুৰী: — না না, উপাধ্যক্ষ মহোদয়, চেক পোষ্টের কথাতো কমন্। সুতরাং সেই যায়গার এই প্রস্তাব সম্পর্কে সরকার অবহিত আছেনে কি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী): ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব:

শ্ৰীআতাউ ৰহমান:- চকীআছেনে নাই মই সেইটোলৈ যোৱা নাই। জৰুৰী কালিন অৱস্থাৰ পৰিপেক্ষিতত ক্ৰাইম কমি যোৱালৈ লক্ষ্য ৰাখি হোমগাৰ্ড কিছুমান ঠায়ে ঠায়ে ৰখাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):- এইটো বিবেচনা কৰা হব।

## RE: HAND TUBE WELLS

Shri Sudarsan Das asked :—

*223. Will the Minister Health be pleased to state—

(a) The number of Tube Wells installed in different Blocks during last five years in Karimganj Subdivision

(b) How many of these are serviceable till date and how many are out of order ?

(c) How many Tube Wells are going to be installed during eurrent year ?

Shri Girindra Chandra Choudhury (Minister), Health) replied :

223. (a)—No hand Tube Wells were installed by the public Health Engineering Organisation in Karimganj Subdivision during April, 1971 to March, 1975. 125 Tube Wells were installed during April, 1975 to January 1976.

(b)—All are functioning properly.

(c)—In addition to the Tube Wells already installed during the current financial year, no further Tube Wllse proposed to be installed now.

শ্রীসুদর্শন দাস :- উপাধ্যক্ষ মহোদয়, করিমগঞ্জ মহকুমাতে স্বাস্থ্য বিভাগ থেকে আগেও অনেকগুলি টিউব অয়েল স্থাপন করা হয়েছিল। কিন্তু মন্ত্রী মহোদয় বলেছেন ১৯৭৩ ইং আগে কোন টিউব অয়েল বসানো হয়নি। সুতরাং মন্ত্রী মহোদয়ের কাছ থেকে একথা জানতে পারিকি যে আগে এই টিউব অয়েলগুলি কোন্ বিভাগ বসিয়েছিল?

শ্রীগিরীন্দ্র চন্দ্র চৌধুরী (মন্ত্রী) :- উপাধ্যক্ষ মহোদয়, ৬৫৪ টা টিউব অয়েল করিমগঞ্জ মহকুমাতে স্থাপন করা হয়েছিল। সেটা পঞ্চায়ত করেছিল আর আমরা 'কন্ট্রাক্টর' হিসাবে কাজ করেছিলাম। এইগুলি সমস্ত খারাপ হয়ে গিয়েছে। কেবল শতকরা ১০ ভাগ ভাল আছে। আমরা এখন পাবলিক হেলথ্ ডিপার্টমেণ্টের মাধ্যমে নিজে এই কাজে হাত দিয়েছি। মহকুমা পরিষদকে দেইনাই।

শ্রীসুদর্শন দাস :- উপাধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় বলেছেন ৬৫৪ টি টিউব অয়েল পঞ্চায়ত স্থাপন করেছিল এবং বর্তমানে এই গুলি সব খারাপ হয়ে গিয়েছে। এই খারাপ টিউব অয়েল গুলি বর্তমানে কি পর্য্যায়ে আছে এবং তার মালিক কে?

শ্রীগিরীন্দ্র চন্দ্র চৌধুরী (মন্ত্রী) :- সেটা পঞ্চায়ত মন্ত্রী মহোদয় বলতে পারবেন, তবে আমি বলতে পারি যে, ৬৫৪ টা টিউব অয়েল বসানো হয়েছিল বর্তমানে তার অনেক - গুলির কোন পাত্তা পাওয়া যাচ্ছে না আর এগুলির কি হয়েছে বা তার দায়িত্ব স্বাস্থ্য বিভাগের নহয়। তবে, যে গুলি মেরামত করে ভাল করা যাবে, সেগনি যাতে তাড়াতাড়ি ভাল করা হয় তা আমারা দেখব। তাছাড়া মহোদয়, উত্তর করিমগঞ্জে ইতিমধ্যে ৫৪ টার ভিতর ৪৮ টার কাজ করা হয়েছে, দক্ষিণ করিমগঞ্জে ৯৬ টার ভিতর ৪০ টা হয়ছে, তারপর রামকৃষ্ণনগরে

৪৭ টার ভিতর ৭টা করা হয়েছে এবং পাথারকান্দিতে ৩৩ টার ভিতর ৩৩ টার ব্যবস্থা করা হয়েছে।

মৌলানা আব্দুল জলিল চৌধুরী :—উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয় বলেছেন যে, যে গুলি নষ্ট হয়েছে সেগুলি সম্পর্কে তাঁহার কোন দায়িত্ব নেই। পঞ্চায়ত বিভাগের, কিন্তু এইগুলি জাতীয় সম্পদ এবং এরজন্য মন্ত্রীসভার যৌথ দায়িত্ব নাই কি? তাছাড়া, প্রশ্নের উত্তর দেওবার আগে অন্যান্য সংশ্লিষ্ট বিভাগের মন্ত্রীদের সঙ্গে আলোচনা করে সমস্ত বিষয় অবহিত হয়ে সদনে আসা বিভাগীয় মন্ত্রী পক্ষে যুক্তিযুক্ত নয় কি? তাছাড়া এই জিনিষগুলি নষ্ট হয়ে যাওয়া বা চুরি হয়ে যাওয়ার জন্য যারা দায়ী তাদের প্রতি সরকার ব্যবস্থা গ্রহণ করবেন কি?

শ্রীগিরীন্দ্র চন্দ্র চৌধুরী :- (মন্ত্রী) :- মহোদয়, মৌলানা সাহেব যে কথা বলেছেন তা অবশ্য সত্য। যৌথ ভাবে আমাদের সকলের একটা দায়িত্ব আছে। কিন্তু আমি একটা কথা বলতে চাই যে, পঞ্চায়ত যদি সরকারকে এগুলি খারাপ আছে কি ভাল আছে তার খবর না দেয় তাহলে সরকার কি করে জানতে পারবে? আমরা যখন স্পটে গিয়ে এ অবস্থা দেখলাম তখ আর পঞ্চায়ত নাই।

শ্রীজগদীশ চন্দ্র দাস :- মাননীয় উপাধ্যক্ষ মহোদয়, কি ভিত্তিত দিয়া হৈছে সেইটো মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব পাৰোনে?

শ্রীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী :- (মন্ত্ৰী) :- সেইটো নিজ মতেই দিয়া হৈছে।

শ্রীদুলাল চন্দ্ৰ খাউণ্ড :- এই টিউব উৱেল বিলাক বেয়া হোৱাৰ কাৰণ কি? বালি বা পানীৰ সোঁত কোনো বিবেচনা নকৰাকৈ কৰাৰ কাৰণেই এইটো বেয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে ভাবেনে?

শ্রীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী মন্ত্ৰী :- আচলতে এইবিলাক বহুউৱা

অৱস্থাত কোনো 'ডিফেক্ট' নাছিল। কালক্ৰমত তাৰ 'হেড' বিলাক চোৰকৰি লৈ যায় আৰু পঞ্চায়তে যি ধৰণে তাৰ তত্বাৱধান লব লাগিছিল সইটো লব নোৱাৰাৰ কাৰণেই এইবিলাক বেয়া হৈ পৰিছে।

মৌলানা আব্দুল জলিল চৌধুৰী :- উপাধ্যক্ষ মহোদয়, এই টিউব অয়েল গুলি করিমগঞ্জে স্থাপন করলে কার্য্যকরী হবেনা। বলে আগের ডেভলাপমেণ্ট বোর্ড মতামত দিয়েছিল এবং পরে তা সত্য পরিণত হয়েছে। সরকার কি একথা জানেন এবং জানলে কি ব্যবস্থা নিয়েছেন?

শ্ৰীগিরীন্দ্র চন্দ্র চৌধুরী :- (মন্ত্রী) :- মহোদয়, এই খবর আমার হাতে আপাতত: নাৰ। তবে এটা আমি খবর করে দেখব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :- মাননীয় উপাধ্যক্ষ মহোদয়, এই বিলাক 'টিউব ওৱেল' যিমান দলৈকে বহুৱাব লাগিছিল সেই পৰিমাণে দলৈকে নবহুৱাই বামতে বহুৱাই থৈ যোৱাৰ কাৰণেই এইটো হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনানে নে?

শ্ৰীগিৰিন্দ্ৰ চন্দ্ৰ চৌধুৰী :- (মন্ত্ৰী) সেইটো হবও পাৰে আৰু নহবও পাৰে। ৰাইজে সেইবিলাকৰ পানী খাই উপভোগ কৰিছিল। ৰাইজেও এইবিলাকৰ যেনে ভাৱে তত্তাৱধান লব লাগিছিল সেইমতে নোলোৱাৰ কাৰণত এইটো হৈছে। কিন্তু ৰাইজে বহুত দিন তাৰ পানী খাই আছিল।

বি ঃ কাৰিকৰী শিক্ষা প্ৰসাৰৰ আঁচনি

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

*২২৪। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চতুৰ্থ যোজনাৰ অন্তৰ্গত কাৰিকৰী শিক্ষা প্ৰসাৰৰ বাবে কিমান টকাৰ আৰু কি কি আঁচনি লোৱা হৈছে?

(খ) অসমৰ কাৰিকৰী মহাবিদ্যালয় দুখনত চলি থকা বিষয়বোৰৰ উপৰিও কিবা আৰু নতুন বিষয়ৰ শিক্ষাদান দিয়া সম্পৰ্কে আঁচনি লোৱা হৈছে নেকি আৰু যদি হৈছে কি কি?

(গ) চিলচৰ আঞ্চলিক ইঞ্জিনিয়াৰিং মহাবিদ্যালয়খন হৈ উঠিল নে?

(ঘ) যদি নাই কিয়।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

২২৪। (ক)— চতুৰ্থ পঞ্চম-বাৰ্ষিক পৰিকল্পনাত কাৰিকৰী শিক্ষা বিভাগৰ শিতানত সৰ্ব্বমুঠ এশ তেত্ৰিশ লাখ টকা ধাৰ্য্য কৰা হয় ইয়াৰে তিৰাশীৰ লাখ বাৰ হেজাৰ টকা খৰচ কৰা হয়।

চতুৰ্থ পঞ্চম-বাৰ্ষিক পৰিকল্পনাত লোৱা আঁচনি সমূহৰ তালিকা এখন সদনৰ মেজত দিয়া হ'ল।

(খ)—অসমৰ কাৰিকৰ মহাবিদ্যালয়ী দুখনত বৰ্ত্তমানে শিক্ষাদান কৰি থকা বিষয়বোৰৰ বাহিৰে স্নাতক পৰ্যায়ত কোনো নতুন বিষয়ত শিক্ষাদান দিয়া আঁচনি লোৱা হোৱা নাই।

কিন্তু ১৯৭৬ চনৰ ভিতৰত অসম কাৰিকৰী মহাবিদ্যালয়ত "জলচ্ছেদ পৰিচালনা আৰু বান নিয়ন্ত্ৰণ" (Water Shed Management & Flood Control বিষয়েৰে কাৰিকৰী বিভাগৰ স্নাতকোত্তৰ পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰা হৈছে, প্ৰথম পৰ্য্যায়ত মাত্ৰ ১০ জন ছাত্ৰ ভৰ্ত্তি কৰণৰ দিহা কৰা হৈছে।

(গ)—এতিয়ালৈ হৈ উঠা নাই কিন্তু ইয়াৰ দ্ৰুত অগ্ৰগতিৰ বাবে উপযুক্ত ব্যৱস্থা লোৱা হৈছে।

(ঘ)—বিশেষকৈ সকলো ধৰণৰ নিৰ্ম্মাণ কাৰ্য্যৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ নিষেধ নীতিৰ (bar) নিমিত্তে নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হোৱা নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া :- মাননীয় উপাধ্যক্ষ মহোদয়, ৫ম পৰিকল্পনাত এই সম্পৰ্কে কি কি আচনি লোৱা হৈছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমূৰ (মন্ত্ৰী) :-সেইটো চতুৰ্থ পৰিকল্পনাৰহে প্ৰশ্ন আছিল। ৫ম পৰিকল্পনাৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীলক্ষীকান্ত শইকীয়া :- মাননীয় উপাধ্যক্ষ মহোদয়, ইতিমধ্যেই যি ছুটা বছৰ পাৰ হৈ গৈছে সেই ছুটা বছৰত কি কাম কৰিছে সেইটো মাননীয়া মন্ত্ৰী মহোদয়াই জনবনে ?

শ্ৰীমতী আনোৱাৰা টাইমূৰ (মন্ত্ৰী) :- ইতিমধ্যেই 'ফলাত্ কণ্ট্ৰল' শাখাটো নতুনকৈ খোলা হৈছে 'এগ্ৰিকালচাৰেল ইঞ্জিনিয়াৰিং' আৰু ১ মাৰ্চৰ পৰা 'অটমবাইল ইঞ্জিনিয়াৰিঙ'ৰ ডিপ্লমা কৰ্চ খোলা হৈছে।

শ্ৰীলক্ষীকান্ত শইকীয় :- মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্নৰ উত্তৰত সিদিনা বন বিভাগৰ মন্ত্ৰী মহোদয়ে এটা কথা কৈছিল যে, তিনিশ লোক নি—কাৰিকৰী নিবনুৱা হৈ বহি আছে। অথচ কাৰিকৰী লোকৰ দৰ্কাৰ হলে বাহিৰৰ পৰাহে আনিব লগীয়া হয়। এই সংক্ৰান্তত মাননীয় মুখ্যমন্ত্ৰীৰ তত্বাৱধানত এটা আলোচনা চক্ৰ হৈছিল। সেইমতেই পাঠ্যক্ৰম সলনি কৰি হলেও তেনেধৰণৰ লোক আমাৰ ইয়াতে প্ৰস্তুত কৰাৰ কাৰণে কিবা ব্যৱস্থা কৰিছেনে কি সেইটো মাননীয়া মন্ত্ৰী মহোদয়াই জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমূৰ (মন্ত্ৰী) :- সেইটো 'এক্‌জামিন' কৰি চাব লাগিব।

শ্ৰীজালালুউদ্দিন আহমেদ :- চতুৰ্থ যোজনাত কাৰিকৰী ক্ষেত্ৰত প্ৰসাৰণৰ কাৰণে এককোটি ৭৫ লাখ টকা ধৰা হৈছিল তাৰে ভিতৰত ৭৯'৮৮ হেজাৰ টকা কিয় খৰছ কৰিব নোৱাৰিলে সেইটো জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :- ইয়াত খৰছ কৰা হৈছে বুলিয়েই দিয়া হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :- কাৰিকৰী দিশত কি কি বিষয়ত স্নাতকোত্তৰ শ্ৰেণীখোলা হৈছে সেইটো মাননীয়া মন্ত্ৰী মহোদয়াই জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :- সেইটো ইতিমধ্যেই কোৱা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :- মই স্নাতকোত্তৰ শ্ৰেণী খোলাৰ কথাহে কৈছো।

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী):- সেইটো নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :- নাই যদি খোলাৰ ব্যৱস্থা আছেনেকি ?

শ্ৰীমতী আনোৱাৰা (মন্ত্ৰী) :- টাইমুৰ নাই।

শ্ৰীমতী তৰুলতা বৰা :- মাননীয় উপাধ্যক্ষ মহোদয়, কিমান ছোৱালী আছে সেইটো জনাবনে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী):- তাৰ হিচাবটো মোৰ হাতত নাই।

শ্ৰীমতী তৰুলতা বৰা :- মাননীয় উপাধ্যক্ষ মহোদয়, তথ্যপাতিৰ ফালৰ পৰা যি দেখা গৈছে তাত মহিলাৰ প্ৰশিক্ষণ দিয়া হোৱা নাই। এইটো হয়নে কি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :- মহিলাইও প্ৰশিক্ষণ লৈছে।

শ্ৰীসুদৰ্শন দাস :— উপাধ্যক্ষ মহোদয়, মাননীয়া মন্ত্ৰী মহোদয়া বলেছেন যে শিলচরে আঞ্চলিক কারিগরী মহাবিদ্যালয়ের কাজ দ্রুত গতিতে অগ্রসর হচ্ছে। আমি মন্ত্ৰী মহোদয়ার কাছ থেকে জানতে পারি কি যে এই কাজ কবে পর্যন্ত শেষ হবে?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :- এই বিষয়ত আমাৰ মুখ্য-মন্ত্ৰী মহোদয়েও এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা কিছুমান 'এডমিনিষ্ট্ৰেটিভ এপ্ৰোভেল' লাগে। এই বিলাক বেলেগে বেলেগে অহাৰ কাৰণে সেই মতেই কাম হৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা এই বিষয়ত 'এপ্ৰোভেল' আহিলে কৰিব পৰা হব। কিন্তু কেতিয়া আহে সেইটো কোৱাটো টান।

মৌলানা আব্দুল জলিল চৌধুরী :- উপাধ্যক্ষ মহোদয়, কবে থেকে সেটা আরম্ভ হয়েছে এবং কি কি ব্যাপারে কেন্দ্রীয় সরকারের কাছে অনুমোদন চাওয়া হয়েছে এবং তারজন্য আর কতদিন লাগবে?

Smti Saiyada Anwara Taimur (Minister of State, Education) :—The progress so far made in construction of the Regional Enginering College at Silchar are as follows :

(i) 90 ./. construction of approach road of 4.92 K. M. long to the Campus of the College is already completed.

(ii) 1. 68 KM long hostel approach road has been completed.

(iii) 11 KV. H. T. lines of 2400' to the centre of the Campus has already been completed.

(iv) The water supply scheme has already been taken up by the P. H. E. Deptt.

(v) Construction of one Hostel building has been completed up to plinth level.

(vi) Administrative approval for construction of Workshop building has already been accorded. The State P. W. D. who has been entrusted with construction of buildings has invited necessary tenders etc. An amount of Rs 2.00 lakhs has already been released by the Central Govt. for construotion of the building.

(vii) The Estimates of other buildings have already been sent to Govt. of India for according Administrative approval and to lift the embargo.

মৌলানা আব্দুল জলিল চৌধুরী :- উপাধ্যক্ষ মহোদয়, রাস্তা হলেই যদি কলেজ হয়ে যায় তাহলে ত হয়েই গেল, আমি জিজ্ঞাসা করছি কেন্দ্রীয় সরকারের অনুমোদন সাপেক্ষে কি কি বিষয়ে আসম সরকার কেন্দ্রীয় সরকারের কাছে পঠিয়েছেন ? রাস্তা কতটা হয়েছে সেটাতো মুখ্যমন্ত্রী মহোদয় আগেই বলেছেন।

Smti. Syeda Anwara Taimur (Minister of State)—Administrative approval for construction of workshop

building has alrady been accorded. An amount of Rs. 2 lakhs has already been released by the Central Govt. for constrution of the building. আহিলেই এইখিনি কৰাটো সম্ভৱপৰ হব

শ্ৰীসোনেশ্বৰ বৰা ঃ— কাৰিকৰি দিশত স্নাতকোৰ শ্ৰেণী খোলাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা টকা মঞ্জুৰী দিয়া হৈছে নেকি ?

শ্ৰীমতী আনোৱাৰ টাইমুৰ (মন্ত্ৰী)—পোৱা নাই।

বি ঃ সংৰক্ষিত বনাঞ্চল

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে ঃ

*২২৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে-

(ক) অসমত কিমানখন সংৰক্ষিত বনাঞ্চল আছে আৰু কি কি ?

(খ) এই বনাঞ্চল সমূহৰ মুঠ মাটিকালি কিমান হব ?

(গ) অসমৰ মুঠ আয়তনৰ কিমান শতাংশত বনাঞ্চল সংৰক্ষিত হৈছে ?

(ঘ) বনাঞ্চলৰ পৰা অসমৰ বাৰ্ষিক আয় কিমান হয় ?

ডাঃ লুটফুৰ ৰহমান (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২২৫। (ক)—অসমত সৰ্ব্বমুঠ ২৮৪ খন সংৰক্ষিত বনাঞ্চল আছে। তাৰ সম্পুৰ্ণ লিষ্টি সদনৰ মেজত থোৱা হৈছে।

(খ)—মুঠ মাটিকালি ১৬৪১১'৭ বৰ্গ কিলোমিটাৰ।

(গ)—মুঠ আয়তনৰ শতকৰা ২০'৮ ভাগত।

(ঘ)—বাৰ্ষিক আয়:—

| | | | |
|---|---|---|---|
| ১৯৭২-৭৩ | চনত | ৪,৩৬,৯৩,৭১০'০০ | টকা |
| ১৯৭৩-৭৪ | চনত | ৪,৮১,৯৪,৪২২'০০ | টকা |
| ১৯৭৪-৭৫ | চনত | ৫,১৭,০৪,৩১১'০০ | টকা |

শ্ৰীলক্ষ্মী শইকীয়া :- মোৰ (ঘ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে যি হিচাব দেখুৱাইছে এই হিচাবটো উৎপাদন বৃদ্ধি হোৱাৰ কাৰণে হৈছে নে ৰয়েলিটি ৰেচি হোৱাৰ কাৰণে হৈছে?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) : —দুয়োটাই সচা।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :- আমাৰ ৰাষ্ট্ৰিয় পৰ্য্যয়ত মুঠ মাটি কালিৰ যি পৰিমান সেই হিচাবে কিমান শতাংশ বনাঞ্চল আমাৰ ৰাজ্যত থাকিব লাগে?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :- শতকৰা ৩০ ভাগ থাকিব লাগে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :- সেইটো পূৰণ কৰাৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :- আমি সেইটো চেষ্টা চলাই আছো, ২ হেজাৰ বৰ্গ কিলোমিটাৰত বনাঞ্চল সংৰক্ষণৰ কাৰণে চেষ্টা চলোৱা হৈছে আৰু তাৰ লগে লগে চিলিং আইনত যি বিলাক মাটি ওলাব তাৰে যি পৰিমানৰ মাটি খেতিৰ কাৰণে ওলাব সেই খিনি বাদ দি

বাকী খিনিত বনাঞ্চল কৰিবৰ কাৰণে চেষ্টা কৰা হৈছে।

শ্ৰীকেহোৰাম হাজৰিকা :- মন্ত্ৰী ডাঙৰীয়াই এইটো জনাবনে যে ১৬৪১১.৭ বৰ্গ কিলোমিটাৰ মাটিৰ ভিতৰত কিমান সংখ্যক মাটি আনক্লাচিফাইদ ফৰেষ্টৰ আন্দাৰত আছে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী :- এইবিলাক আনক্লচিফাইদ ফৰেষ্ট নহয়, ক্লাচিফাইদ ফৰেষ্ট হিচাবেহে দেখুৱা হৈছে।

শ্ৰীআতাউৰ ৰহমান :- মন্ত্ৰী ডাঙৰীয়াই যে আয়ৰ হিচাব দেখুৱাইছে ব্যয়ৰ হিচাবটোও ইয়াত জনাব পাৰে নে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :- ব্যয়ৰ হিচাবটো মোৰ হাতত নাই ২ কোটি মানতকৈ কম হব।

শ্ৰীমতী তৰুলতা বৰা :- মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব পাৰিছো যে বনাঞ্চল আৰু বাঢ়িব, এই ক্ষেত্ৰত তেখেতৰ পৰা জানিব পাৰোনে যে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে যি বিলাক ঠাইত গড়খহনীয়া হৈছে সেইবিলাক ঠাই গড়াখহনীয়াৰ পৰা ৰক্ষা কৰিবৰ কাৰণে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এই বনাঞ্চলৰ ব্যৱস্থা লোৱা হবনে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :- ইয়াৰে কিছুমান ফৰেষ্ট দিপাৰ্টমেণ্ট কৰিছে আৰু কিছু চয়েল কনজাৰভেশ্যন বিভাগে কৰিছে। এই বিষয়ত আমি চেষ্টা চলাই আছো।

শ্ৰীকেহোৰাম হাজৰিকা :- মন্ত্ৰী ডাঙৰীয়াই ১৬৪১১.৭ বৰ্গ কিলোমিটাৰত ৰিজাৰ্ভ ফৰেষ্টৰ হিচাব দেখুৱাইছে, অসমত কিমান আনক্লাচিফাইদ

ফৰেষ্ট নোহোৱা হৈছে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :— সেইটো হিচাব মোৰ হাতত নাই।

শ্ৰীকবিৰ চন্দ্ৰ ৰায় প্ৰধানী :— মন্ত্ৰী ডাঙৰীয়াই কৈছে যে বনাঞ্চল বৃদ্ধি পাইছে, এতিয়া কথা হল এই যে শাল /শিমলু যিবিলাক মূল্যবান গছ আছে সেইবিলাক কিমান বছৰৰ ভিতৰত মেচিইয়ৰ্দ হয় ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :— সেইটো, আমাৰ হিচাব আছে।

শ্ৰীআতাউৰ ৰহমান :— পাঞ্জাব আৰু হাৰিয়ানাৰ নিচিন্যাকৈ ইয়াতো ৰাষ্টাৰ দুয়োকাষে বনাঞ্চল কৰাৰ কাৰণে চিন্তা কৰিছে নেকি ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :— ৰাস্তাৰ দুয়োপাৰে কৰাতো সম্ভৱপৰ নহয় অৱশ্যে ৰাস্তাৰ এটা পাৰত কৰিবলৈ চেষ্টা কৰা হৈছে।

শ্ৰীকবিৰ চন্দ্ৰ ৰায়প্ৰধানী :— সংৰক্ষণৰ যিমান অংশত মাটি আছে তাৰে কিমান অংশত প্লেনটেশ্যন হৈছে আৰু কিমান অংশত হোৱা নাই ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী :— সকলো খিনিতে নাই কিছু অংশত হৈছে।

শ্ৰীঅতুল শইকীয়া :— চৰকাৰে মাটিহীন খেতিয়কক মাটি দিম বুলি প্ৰতিশ্ৰুতি দিছিল অৱস্থাত আমাৰ মাটিহিন খেতিকক মাটি দিবলৈ ঠাই তেনে অৱস্থাত বনাঞ্চল বৃদ্ধি কৰা হব বুলি কেনেকৈ আশ্বাস দিছে এইটো কথা জনাবনে ?

শ্ৰীলুটফুৰ ৰহমান (মন্ত্ৰী) :— যিবিলাক বনাঞ্চল কৰা হব সেইবিলাক খেতিৰ কাৰণে দিয়া নহয় আৰু যিবিলাক মাটি খেতিৰ

কাৰণে উপযুক্ত বুলি বিবেচনা কৰা হব সেইবিলাক হয়তো মাটিহীন খেতিয়কক দিয়া হব।

শ্ৰীসুদৰ্শন দাস :— উপাধ্যক্ষ মহোদয়, মন্ত্ৰীমহোদয় এই সংরক্ষিত বনাঞ্চলে মাটীর যে হিসাব দিয়েছেন এই হিসাবের ভিতর ফরেষ্ট ভিলেজ পড়ে কি? আর যদি পড়ে তাহলে এই সব ফরেষ্ট ভিলেজে 'বেগার প্ৰথা' যে চালু অ'ছে মন্ত্ৰী মহাশয় একথা জানেন কি?

ডাঃ লুটফুর রহমান (মন্ত্ৰী) :— মহোদয়, 'ফরেষ্ট ভিলেজ' বনাঞ্চলের ভিতর থাকবে। কিন্তু মহোদয়, এই ফরেষ্ট ভিলেজে যে বেগার প্ৰথা চালু আছে একথা ঠিক নয়। তবে, সেখানকার কিছু লোক ফরেষ্টের কাজ করে এবং তার বিনিময়ে তারা জঙ্গলে থেকে কিছু সাহায্য পায়। সেটাকে ঠিক বেগার প্ৰথা বলা যায় না।

বিঃ অসম সংগ্ৰহালয় আৰু পুৰাতত্ত্ব বিভাগ

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

*২২৬। মাননীয় শিক্ষা বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চতুৰ্থ যোজনাত অসম সংগ্ৰহালয় আৰু পুৰাতত্ত্ব বিভাগটো সম্প্ৰসাৰণৰ কিবা আঁচনি লোৱা হৈছে নেকি?

(খ) যদি হৈছে, কি কি?

(গ) অসম সংগ্ৰহালয়ত অসমৰ সকলো সাগতিয়াল বস্তু ৰখা হৈছেনে?

(ঘ) আমবাৰীৰ খনন কাৰ্য্যৰ বৰ্ত্তমান অৱস্থা কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :—

২২৬। (ক)—হৈছে।

(খ)— ইয়াৰ বিতং বিৱৰণ সদনৰ মেজত ৰখা হ'ল।

(গ)—সংগ্ৰহালয়ত সংৰক্ষিত হোৱা সকলোবোৰ সামগ্ৰী লাগতিয়াল ঐতিহাসিক গুৰুত্বপূৰ্ণ।

(ঘ)—আমবাৰীৰ খনন কাৰ্য্যৰ ভাৰ গুৱাহাটী ৱিশ্ববিদ্যালয় নৃতত্ব বিভাগৰ মুখ্য অধ্যাপকক চুক্তি কৰি ১৯৭০ চনত অৰ্পণ কৰা হয়। আৰু তাত তিনিটা বছৰ খনন কাৰ্য্য চালোৱা হয়। আৰু উদ্ধাৰ হোৱা শিলা মূৰ্ত্তিৰ ৩৯ টা ৰাজিক সংগ্ৰহালয়ত সংৰক্ষিত কৰা হৈছে, অদূৰ ভবিষ্যতে আৰু খনন কাৰ্য্য চলোৱাৰ আশা আছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— অসম ৰাজ্যিক সংগ্ৰহলয় আৰু পুৰাতত্ব বিভাগটো আগতে একেলগে আছিল আৰু এইটো শিক্ষা বিভাগৰ ডিৰেক্টৰেতৰ তলত আছিল, এতিয়া সেইটো সম্পূৰ্ণ পৃথকিকৰণ কৰি শিক্ষা বিভাগৰ তলৈ অনাৰ কাৰণে চৰকাৰে বিবেচনা কৰিছে নেকি ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— এই বিষয়ে চিন্তা কৰা হৈছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— আমবাৰীৰ যিটো কাম গুৱাহাটি বিশ্ববিদ্যালয়ক দিয়া হৈছিল তাৰ কাৰণে বাষিক অনুদান দিয়া হয় নে নহয় আৰু এই কামটো সম্পূৰ্ণ হবলৈ কিমান বাকী আছে ?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— ২০ হাজাৰ টকা গ্ৰাণ্ট ইন এইড হিচাবে দিয়া হৈছে। সেই কামৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা

অনুমতি লব লাগে আৰু সেই বাবে আৰু খনন কাৰ্য্য কৰিব লা.গ।

শ্ৰীসোনেশ্বৰ বৰা :— এই সংগ্ৰাহলয়ত কমলাবাৰীৰ সত্ৰৰ ময়ুৰ-পংখী নাও খন ধুলিয়ে বালিয়ে বাহিৰত ৰাখি আথানি—বাথানি কৰিছে তাৰ কাৰণ কি?

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— সেই নাও খন বৰ বৃহত্ আকাৰৰ সেইকাৰণে নাওখন বাহিৰতে ৰাখিবলগীয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— নাও খন কিয় বাহিৰত ৰাখিব লগীয়া হৈছে সেইটোহে মই জানিব বিচাৰিছো।

শ্ৰীমতী আনোৱাৰা টাইমুৰ (মন্ত্ৰী) :— এই নাওখন ৰাখিবলৈ বৰ বৃহত্ ঘৰ লাগিব, সেইকাৰণেই বৰ্ত্তমান বাহিৰত ৰখা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— যদি ঘৰটো কৰিবই নোৱাৰে সেইখন ফিৰাই দিয়াই ভাল।

Undisposad Starred Question dated 4—3—76

বি ঃ ব্যসপাৰা গাৱঁত ৰহস্যজনক আত্মহত্যা

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে :—

*২২৭। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) মংগলদৈ মহকুমাৰ অন্তৰ্গত ব্যসপাৰা গাৱঁত ১৯৭৪ চনত এটা

ৰহস্যজনক আত্মহত্যাৰ ঘটনা ঘটাৰ খবৰ চৰকাৰে জানানে ?

(খ) যদি জানে, সেই ঘটনাৰ অনুসন্ধান চলোৱা হৈছিল নে আৰু যদি হৈছিল কি অনুসন্ধান পোৱা হৈছে ?

(গ) এই ঘটনা কোন কোন পুলিচ বিষয়াই অনুসন্ধান কৰিছিল ?

(ঘ) এইটো এটা যে হত্যাকাণ্ড সেইটো সঁচানে ?

(ঙ) যদি সঁচা হয়, তেন্তে এই হত্যাকাণ্ডৰ অনুসন্ধান চলাওঁতে ইমান পলম হোৱাৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :—

২২৭। (ক)—হয়, জানে।

(খ)—যথোচিত অনুসন্ধান কৰিও উপযুক্ত তথ্য-পাতিৰ অভাৱত খাটাং সিদ্ধান্তত উপনীত হব পৰা নগল।

(গ)—ছিপাঝাৰ পুলিচ চকিৰ ভাৰপ্ৰাপ্ত বিষয়া চাব-ইন্সপেক্টৰ তিলক শইকীয়া, ইন্সপেক্টৰ দেবেন বৰা, সেই সময়ৰ মংগলদৈৰ চাৰ্কেল ইন্সপেক্টৰ চোৰাংচোৱা বিভাগৰ ইন্সপেক্টৰ প্ৰহলাদ শৰ্মা, চোৰাংচোৱা বিভাগৰ বিশেষ আৰক্ষী অধীক্ষক গৌতম বৰুৱা আৰু ডি, আই, জি, দেবেন সোনোৱালে স্বকীয়া ভাৱে অনুসন্ধান কৰিছিল।

(ঘ)—অনুসন্ধানত পোৱা তথ্য-পাতি মতে এনে এটা সন্দেহৰ অৱকাশ থাকে যদিও খাটাংকৈ কোৱা টান।

(ঙ)—প্ৰকৃততে পলম হোৱা নাই। যিদিনা ঘটনা হয় সেইদিনাই অৰ্থাৎ ২৪-৫-৭৪ তাৰিখেই পুলিচে খবৰ পোৱাৰ লগে লগেই তদন্তত চলায়।

## UNSTARRED

## Questions And Answers

---

### Date 4th March, 1976

বি ঃ মাটিঅধি গ্ৰহণ

শ্ৰীগোলাপ চন্দ্ৰ বৰুৱাই সুধিছে :

১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত চিলিং আইনৰ অধীনত অধিগ্ৰহণ কৰা মাটিৰ পৰিমাণ কিমান হৈছে?

(খ) উক্ত মাটি চাহাবগান আৰু মাটিৰ মালিকৰ কিমান অধিগ্ৰহণ হৈছে বেলেগ ভাবে জনাবনে?

(গ) এতিয়ালৈকে ক'ত ক'ত মাটিহীনক মাটি বিতৰণ কৰা হৈছে? (মহাকুমা হিচাবে জনাব)

(ঘ) যি সকলৰ মাটি এতিয়াও অধিগ্ৰহণ কৰা নাই সেই বিষয়ে চৰকাৰে খৰতকীয়া কি ব্যৱস্থা লৈছে?

ডা: ভূমিধৰ বৰ্ম্মণ (ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

১। (ক)—চিলিং আইনৰ জৰীয়তে ১৯৭৬ চনৰ ১৫ ফেব্ৰুৱাৰীলৈকে ৪,৯৪,৯২২ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে।

(খ)—চাহবাগানৰ পৰা ২,৮০,৮৮৫ বিঘা আৰু মাটিৰ মালিকৰ পৰা ২,১৪,০৩৭ বিঘা মাটি অধিগ্ৰহণ কৰা হৈছে।

(গ)—মাটি বিতৰণৰ দুখন মহকুমা ভিত্তিক বিৱৰনী সদনৰ মেজত ৰখা হ'ল।

(ঘ)—অতি সোনকালে এই মাটিবোৰ অধিগ্ৰহণ কৰাৰ বাবে বিহিত ব্যৱস্থা লোৱা হৈছে।

Mr. Deputy Speaker :— The question hour is over we come to item No. 2.

শ্ৰীমুকুল ইচলাম :— মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰথমে আজিৰ এই পবিত্ৰ সদনত এখন প্ৰগতিশীল আৰু সময়োপযোগী বাজেট প্লেচ কৰাৰ কাৰণে আমাৰ বিত্ত মন্ত্ৰী তথা মুখ্য মন্ত্ৰী মহোদয়ক অভিনন্দন জনাইছো।

উপাধ্যক্ষ মহোদয়, এই বাজেট খনত আমাৰ দেশৰ দৰিদ্ৰ, জৰ্জৰিত আৰু শোষিত জনসাধাৰণৰ আশা আকাংখ্যা ফলৱতী হোৱাৰ কিছু আশাৰ সঞ্চাৰ হৈছে। ইতিমধ্যে কৃষি দফীয়া আঁচনি লোৱা হৈছে আৰু ইয়াৰ আগতেও চৰকাৰে বিভিন্ন প্ৰগতিশীল আইন প্ৰণয়ণ কৰিছে আৰু তাক কাৰ্যাকৰী কৰাৰ কাৰণে যত্নপৰ হৈছে। কিন্তু বৰ্ত্তমান যি কৃষি দফীয়া আঁচনি তাক কাৰ্যকৰী কৰিবলৈ হলে তিনিটা প্ৰধান কেৰোণ দেখা পাইছো। এই আচঁনি কাৰ্যকৰী কৰিবলৈ হলে তিনিটা প্ৰধান কেৰোণ-আমাৰ প্ৰশাসন বিভাগ, বেংক আৰু আমাৰ সমবায় এই তিনিটাৰ মাজত যেনে তেনে সমন্বয় সাধন কৰিব লাগিব। মই ইয়াৰ আগতেই কৈছিলো যে আমাৰ যি সমবায় সমিতি আছে সেইবোৰৰ যি সকল সম্পাদক তেওঁলোকে সমবায়ৰ আইনকানুন সম্পৰ্কে বৰ বেছি সজাগ নহয়।

এই ক্ষেত্রত মই এটা পৰামৰ্শ দাঙি ধৰিব খুজিছো যে জিলা লেভেলত বেংকবিলাকৰ একোখনকৈ অফিছিয়েল কমিটি গঠণ কৰি দিব লাগে। সেই কমিটি বিলাকত জিলাৰ উপায়ুক্ত আৰু এচ ডি; অ' ৰেজিষ্টাৰ, ডেপুটি ৰেজিষ্টাৰ থাকিব। সেই বিলাকত একোজন অফিচাৰ থাকিব লাগে। মোৰ যি অভিজ্ঞতা তাৰ পৰা এটা কথা কব খুজিছো যে আমি যেতিয়া ৰাজধানীলৈ আহো আৰু ইয়াত যিবিলাক কথা আলোচনা কৰো, ফিল্ড'স গৈ সেই কথাবোৰ যেতিয়া কাৰ্য্যকৰী কৰিব খোজো তেতিয়া বেংকবিলাকে নানান বাধাঘাট সৃষ্টি কৰে। আজি যি কৃষি দফীয়া আচনি আমি গ্ৰহণ কৰিছো সেই আচঁনি কাৰ্য্যকৰী কৰিবলৈ হলে বেংকৰ সহায়েই আটাইতকৈ বেছি প্ৰযোজন হৈ পৰিছে। কিন্তু আজিলৈকে এই বেংকবোৰে প্ৰধান ভূমিকা লব পৰা নাই। কিন্তু একেবাৰে লোৱা নাই বা লব পৰা নাই বুলি কলেও ভুল হব, কৃষি শস্যৰ ক্ষেত্ৰত কোনো কোনো অঞ্চলত কিছু কিছু কাৰ্যকৰী কাম হাতত লৈছে কিন্তু কোনো কোনো অঞ্চলত লব পৰা নাই। উদাহৰণ স্বৰূপে মই কওঁ মোৰ সমষ্টি মান কাচাৰত যিজন বেংকৰ ব্ৰাঞ্চমেনেজাৰ আছে তেওঁ অকল চৰকাৰী কৰ্মচাৰীয়েই নহয় তেওঁ একজন ৰাজনীতি কৰা মানুহো। এই সম্পৰ্কে মই বহুবাৰ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো কিন্তু কোনো ফল ধৰা নাই। আজি মোৰ ধাৰণা হৈছে যে আমাৰ যিবোৰ উন্নয়ণ মূলক কাম আমি হাতত লৈছো সেই বোৰৰ মাজত স্থান বিশেষে আৰু শ্ৰেণী বিশেষে কিছুমান কেৰোণ সোমাই আছে যাতে সেই-বোৰ কাৰ্যাকৰী নহয়। গতিকে উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো যে যদি চৰকাৰে নিষ্ঠুৰভাবে এই কুবিদফীয়া আচঁনি কাৰ্য্যকৰী কৰিব নোৱাৰে তেন্তে ভবিষ্যতে এটা ডাঙৰ ভুল কৰা হব।

আমি যি কুৰিদফীয়া আচঁনি হাতত লৈছো সেই আচঁনি সম্পৰ্কে আমি অকল গান গালেই নহব, কাৰণ ইতিপূৰ্বেই এই সম্পৰ্কে আমি বহুত কথাই কৈ আহিছো। মই যিটো সমষ্টিৰ পৰা আহিছো তাত চাৰি লক্ষ্য মানুহৰ যি জমি আছে সেই জমি চাবা ভাৰতবৰ্ষতে থকা জমিৰ লগত তুলনা নহয়। কিন্তু এই জমি বছৰি বছৰি গঢ়াখহনীয়াই হেজাৰ হেজাৰ বাৰ নষ্ট কৰি গৈছে। বাৰে বাৰে বালি পৰি এই মাটিবোৰ নষ্ট কৰাৰ ফলত হাজাৰ হাজাৰ টা পৰিয়াল বছৰি গৃহহীন আৰু মাটি-হীন হৈ পৰে। কিন্তু আজিলৈকে বালি বান্ধৰ বাহিৰে চৰকাৰৰ তৰফৰ পৰা কোনো শক্তিশালী ব্যৱস্থা লোৱা নাই।

উপাধ্যক্ষ মহোদয়, স্বাধীনতাৰ এই ৩০ বছৰত আমি দেখিছো যে এই মানুহখিনিক সাধাৰণ ভাবে টেষ্ট ৰিলিফ দিয়াৰ বাহিৰে চৰকাৰে কোনো কাৰ্য্যকৰী আৰু স্থায়ী স্কীম লোৱা নাই। উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক এই অনুৰোধ জনাওঁ যে আমাৰ এই দক্ষিণ পাৰটো লোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰক দৃষ্টি আৰ্কষণ কৰিব লাগে। কাৰণ আমি জনামতে অসম চৰকাৰৰ সীমিত ধৰণেৰে এই কাম হাতত লোৱা সম্ভৱ নহব। ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ কেন্দ্ৰই এই কাম হাতত লব এই আশা লৈ আমি শান্তিৰে থাকিব নোৱাৰো। গোৱালপাৰাৰ পৰা বাংলা দেশৰ সীমালৈ বলদাৰ দি এই পাৰটো ৰক্ষা কৰিবৰ কাৰণে কোৱাত বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে কৈছিল যে ইয়াৰ বাবে যিমান টকাৰ প্ৰয়োজন হব সেই খিনি বহন কৰাটো অসম চৰকাৰৰ পক্ষে সম্ভৱ নহব।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ এই চাৰিলক্ষ্য মানুহৰ জীৱন আৰু সম্পত্তি জানো আশীকোটি টকাতকৈ বেছি নহয়? কাৰণ

তেখেতে এটা হিচাব দিছিল যে এই কাম কৰিবলৈ হলে আশী কোটি টকা লাগিব। উপাধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো যে মোৰ এই বিৰাট সমষ্টিটোৰ যি ৬ লক্ষ হেক্টৰ মাটি আছে যি মাটি সমগ্ৰ অসম কিয় ভাৰততে তুলনা নহয় এই মাটি খিনিৰ উতপাদন, মূল্য আৰু ইয়াৰ সমষ্ট মানুহ খিনিৰ সম্পতি ৰক্ষা কৰাটো জানো কৃষি দফীয়া আচঁনিৰ অন্তৰ্গত নপৰে? এই মানুহ খিনিৰ জীৱন আৰু সম্পতি ৰক্ষা কৰিব নোৱাৰিলে, এখন গঠণমূলক আচঁনি লৈ সেই আচঁনি কাৰ্য্যকৰী কৰিব নোৱাৰিলে আজি আমি যি কৃষি দফীয়া আচঁনি হাতত লৈছো সেই আচঁনি কাৰ্য্যকৰী কৰিম বুলি আমি যি আশা কৰিছো সেই আশা মিছা হব।

যদি আমি কৃষি দফীয়া আচঁনি কাৰ্য্যকৰী কৰিব খোজো তেতিয়াহলে অতিকৈ অনুন্নত, পিচপৰা অঞ্চলৰ মানুহ বিলাকক এই আচনিৰ সুফলতা লাভ কৰাত যতপৰোনাস্তি চেষ্টা কৰিব লাগিব। এই-বোৰ অঞ্চলৰ মানুহক আমাৰ গঠন মূলক আচনিৰ জৰিয়তে যদি তেওঁলোকক উন্নত সম্প্ৰদায়ৰ সমাশাৰীলৈ আনিব নোৱাৰো তেন্তিয়াহলে আমাৰ সকলো আচঁনিয়ে বৃথা হব।

উপাধ্যক্ষ মহোদয়, সেই কাৰণেই মই কওঁ যে আজি অকল কৃষি দফীয়া আচঁনিৰ কথা কলেই নহব। আমাৰ যিবিলাক অনুন্নত সম্প্ৰদায় আছে আৰু যি শ্ৰেণীৰ মানুহ আজিলৈকে পিচ পৰি আছে সেই সকলৰ মানদণ্ড যিমানেই উন্নত কৰাৰ চেষ্টা কৰা হৈছে সেই তুলনাত প্ৰকৃত পক্ষে কাম একেবাৰেই হোৱা নাই। আমাৰ প্ৰায় বিলাক আচঁনিয়েই ওপৰ মহলতেই সীমা বদ্ধ হৈ আছে, এই অনুন্নত অঞ্চল বিলাকত লোক সকলক আমাৰ আদৰ্শমূলক আচঁনিৰ কোনো আভাসেই আমি আজিলৈকে দিব পৰা নাই। মহোদয়, আজি এই গঠনমুলক যুগত

পৰিকল্পনা কাৰ্য্যকৰী কৰোতে যিখিনি বাতাবৰণৰ দৰকাৰ তেনে বাতাবৰণ এই অনুন্নত পিচপৰা অঞ্চলবিলাকৰ ভিতৰত আমি লেখ মাত্রও সৃষ্টি কৰিব পৰা নাই। মই উদাহৰণত দুটা এলেকাৰ কথাকেই কওঁ। যেনে গোৱালপাৰা জিলাৰ মানকাছাৰ আৰু লক্ষীপুৰ এলেকা এই দুটা এলেকাত প্রায় চাৰি লাখ মানুহেই বসতি কৰে। তাত যি দুই এখন স্কুল-কলেজ আছে তাত আজিলৈকে কতৃপক্ষই বিশেষ কোনো দৃষ্টিয়েই দিয়া নাই। ১৯৭১ চনৰ চেন্সাচ অনুসাৰে মানকাছাৰ, দক্ষিণ শালমাৰা, লক্ষীমপুৰ এই এলেকাটোত চাৰি লাখ মানুহৰ বসতি। সেই অঞ্চলৰ শিক্ষাৰ ক্ষেত্রত যি কেইখন স্কুল আৰু কলেজ আছে তাত চৰকাৰে আজিলৈকে বিশেষ দৃষ্টি দিয়া নাই আৰু আজিলৈকে শতকৰা ৭ ভাগ গ্রাণ্টও সেই শিক্ষানুষ্ঠান বিলাকলৈ চৰকাৰে আগবঢ়োৱা নাই। মই দুখেৰে সৈতে উল্লেখ কৰো যে এই চাৰি লাখ মানুহৰ মাজত মাত্র এখন ছোৱালী হাইস্কুল আছে। আইনৰ কিছুমান আসোৱাহ দেখুৱাই আজিলৈকে সেই একমাত্র ছোৱালী হাইস্কুল খনকো চৰকাৰে গ্রাণ্ট দিয়া নাই। মহোদয়, আইনৰ কাৰণেহে আমি জীয়াই থাকিম নে? আমাৰ কাৰণেহে আইনৰ প্রয়োজন। যদি আইনৰ কাৰণেহে আমি জীয়াই থাকিব লাগে তেতিয়া ই বৰ গুৰুত্বৰ কথা। এই কুৰিদফীয়া আচনি কাৰ্য্যকৰী কৰোতে মই এটা কথা কম। যে আমাৰ এই অসম ৰাজ্যখন এখন কৃষি প্রধান ৰাজ্য। এই মৰ্মে মাননীয় সদস্য সকলে বহুতো কথাই কৈ গৈছে। কৃষিৰ কাৰণেও বহুত কৰিছে বুলি কৈছে। কিন্তু মই এই উক্তিটোত একমত নহওঁ। মোৰ জ্ঞান মতে আমাৰ অসমৰ প্রায় খিনি মাটিয়েই উৰ্বৰা সকলো ৰকম শস্যৰ কাৰণে ধুনীয়া মাটি। এই মাটি বিলাকৰ সংৰক্ষণৰ বিশেষ ব্যৱস্থা নথকাত সময় মতে পানীৰ অভাৱ হয়। আমাৰ ৰাজ্যৰ বাহিৰৰ মানুহে এনেদৰে মত প্রকাশ কৰে যে আপোনালোকৰ অসমৰ মাটি ইমান উৰ্বৰা, নদ—নদী আদি ইমান বেছি, পানীৰ ইমান চোৰ্চ থকা স্বত্তেও আপোনালোকৰ ৰাজ্যত

খাবলৈ নেপাই মানুহ মৰে ই বৰ আচৰিত কথা। মহোদয় আমাৰ ৰাজ্যত ৩৩ চে: মি: ৰ পৰা ৪৩ চে: মি: লৈকে বৰষুণ হয়। আজিলৈকে বাৰিষাৰ এই পানী খিনি আমি আবদ্ধ কৰি তাক কামত খটাব পৰা নাই কিয়?

আমাৰ অসমত বাৰিষাৰ বানপানীৰ লক্ষণটো ভালকৈ পৰ্য্যবেক্ষন কৰিলে দেখা যায়ে যে গোৱালপাৰা জিলাৰ পৰা তিনচুকিয়ালৈ যি আমাৰ নেচনেল হাইওৱে আছে, উত্তৰ পাৰে উত্তৰ লক্ষীমপুৰলৈ যি নৰ্থ ট্ৰাংক ৰোড আছে, আৰু অন্যান্য যিবিলাক ট্ৰাংক ৰোড আছে তাৰ ওপৰত যিবিলাক দলং আছে সেই দলং বিলাকৰ বিজ্ঞান সন্মত ভাৱে পূনৰ নিৰ্মাণ কৰি ঠায়ে ঠায়ে যদি জলপ্ৰৱাহৰ সুবিধা কৰি দিয়া হয় তেতিয়াহলে আমাৰ জলসিঞ্চনৰ বহুতো কাম কম খৰচতে হৈ যাব। ইয়াকে কৰিবলৈ আমাৰ জনসিঞ্চন বিভাগ আৰু গড়কাপ্তানী বিভাগৰ এটা সমন্বয় ঘটাই এই তিনি বিভাগৰ আলাপ-আলোচনাৰ মাজেৰে কাম কৰিলে হয়তো আমাৰ দেশ বানপানী বা পানীৰ অভাৱৰ পৰা মুক্ত হব।

মহোদয় পানী যোগানৰ কাৰণে আমাৰ গ্ৰাম্য অঞ্চলত ৫ হেজাৰ চেলোটিউৱেওৱেল নিৰ্মাণ কৰাব কথা আছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰীক শোধাত তেখেতে দিয়া হব বুলিয়ে কৈছিল। এই টিউবওৱেল বিলাক টকাৰ অভাৱত এতিয়াও দিব পৰা নাই। এই টকা দিয়াৰ ভাৰটো বেংক বিলাকৰ ওপৰত ন্যস্ত কৰা হৈছে কিন্তু সাধাৰণ গাৱলীয়া ৰাইজে দৰখাস্ত কৰিও আজিলৈকে টকা—পইচা পোৱা নাই। গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰো যে এই দৰখাস্ত বিলাক যথাসময়ৰ ভিতৰতে ডিচপোচ আপ কৰাৰ কাৰণে নিৰ্দেশ দিব লাগে। আজি জৰুৰী কালিন অৱস্থাটো যদি এই কাম বিলাক ঠিকমতে কৰিব নোৱাৰে তেতিয়া কেতিয়া কৰিব পাৰিব।

উপাধ্যক্ষ মহোদয়, আজি দেশৰ জনসাধাৰণৰ মঙ্গলৰ কাৰণে যিবিলাক আচনি গ্ৰহণ কৰিছো সেইটো আমি যথাসময়ত কাৰ্য্যকৰী কৰিবই লাগিব। ইয়াত দিধা বোধৰ কোনো প্ৰশ্ন থাকিব নোৱাৰে। মই জনাত অন্যান্য ৰাজ্যত যিবিলাক জাতীয়নীতি তাক কাৰ্য্যকৰী কৰিবলৈ কর্তৃপক্ষই কোনো দিধাবোধ নকৰে। কিন্তু আমাৰ ইয়াত দিধাবোধ কৰাৰ কাৰণ কি? ইয়াৰ পৰিপ্ৰেক্ষিতত মই কব খোজো যে আজি বিশ্ব বেংকেও এনেধৰণৰ কামত আমাৰ সাহায্য দিবলৈ আগবাঢ়ি আহিছে। অথচ এই সাহার্য্য গ্ৰহণ কৰিবলৈ আমাৰ চৰকাৰে নানা কাৰণে দিধাবোধ কৰি আছে। গতিকেই এই মৰ্মে আমাৰ চৰকাৰে অতি সোনকালে বিশ্ববেংকৰ পৰা সহায় লৈ আমাৰ সকলো আচনি সুসম্পন্ন কৰিব বুলি মই অনুৰোধ কৰিলো। যিকোনো প্ৰকাৰে হলেও আমাৰ দেশৰ কৃষি আৰু উদ্যোগ এই দুটা কাৰ্য্যত ৰাজ্য উন্নত কৰি ৰাজ্যখনৰ উত্তৰ্কষ সাধন কৰিবই লাগিব।

মহোদয়, মই আমাৰ ৰাজ্যৰ প্ৰশাসনৰ বিষয়ে এটা কথা কম। আমি যিটো বুজিছো আমাৰ শাসন যন্ত্ৰটোৰে ভিতৰত নানা কাৰণত এটা সন্ত্ৰাসৰ সৃষ্টি হৈছে। এই মৰ্মে আমাৰ সৈন্যবাহিনীৰ কথাই কও এই সৈন্যবাহিনীকে লৈ আমি যুদ্ধ জয় কৰিবলৈ বিচাৰিছো। যদি এই সৈন্য বাহিনীয়ে সন্ত্ৰাস বাদী হৈ পৰে তেতিয়াহলে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আমি ব্যাহত হম। গতিকে যাতে এই সন্ত্ৰাসৰ ভাৱটো শাসন যন্ত্ৰৰ ভিতৰত নাথাকে তাৰ যতপৰোনাস্তি চেষ্টা কৰিব লাগে।

মহোদয়, আমাৰ ৰাজ্যত যিবিলাক এ, চ, এচ অফিচাৰ আছে, বহুক্ষেত্ৰত তেওঁলোকৰ কাৰ্য্যদক্ষতা বহু বেছি। কিন্তু তেওঁলোকৰ আই এ, এচ লৈ প্ৰমোচনৰৰ কোটা যিটো আছে তাত বৰ খেলি-মেলি হৈছে। এই অফিচাৰ সকলৰ দক্ষতা অনুসাৰে প্ৰমোচন দিয়াৰ কাৰণে

বৰ্ত্তমানে থকা কোটা টো কিছু বৃদ্ধি কৰা দৰকাৰ। আৰু কি ইউ, পি, এচ, চি, ও অনুভৱ কৰিছে যে এই কোটাটো শতকৰা ৪০ ভাগ হওক। আৰু এইটো সকলোৰে বোধগম্য যে আমাৰ এ, চি, এচ অফিচাৰ সকলৰ অবদান প্ৰশাসনৰ ক্ষেত্ৰত বহুতো বেছি গতিকে এই কোটাটো শতকৰা ৪০ ভাগলৈ বঢ়াই দিব লাগে। ঠিক তেনেকৈ আই এ এচ, আই, পি, এচ আদি পদ পূৰণ কৰাৰ কাৰণে যি পৰীক্ষা হয় সেই পৰীক্ষাটো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে আমাৰ ৰাজ্যৰ অনুন্নত অঞ্চল হিচাবে কোনো সুবিধা আজিলৈকে পোৱা নাই। আমাৰ ৰাজ্য যিহেতু সকালো ক্ষেত্ৰতে পিচপৰি আছে আৰু কেন্দ্ৰৰ বহুতো কথাই আমি ভূ নাপাও সেই কাৰণে আই এ এচ আৰু আই, পি, এচটো আমাৰ এটা নিৰ্দ্দিষ্ট কোটাৰ দৰকাৰ। এই কথাটো কেন্দ্ৰীয় চৰকাৰৰ লগত লগ লাগি এটা সিদ্ধান্তত উপনীত হবলৈ মই চৰকাৰক অনুৰোধ কৰো।

উপাধ্যক্ষ মহোদয়, আপুনি মোক অলপ বেছি সময় দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছো। আৰু আমাৰ বিত্ত মন্ত্ৰী তথা মুখ্য-মন্ত্ৰী ডাঙৰীয়াই ১৯৭৬—৭৭ চনৰ কাৰণে এখন সময়োপোযোগী বাজেট দাঙি ধৰাৰ কাৰণে মই তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

* শ্ৰীকৃষ্ণ কান্ত লহকৰ :— মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ে ১৯৭৬-৭৭ চনৰ কাৰণে সদনত যিখন বাজেট উত্থাপন কৰিছে সেইখন এখন সুন্দৰ বাজেট হৈছে। কিয়নো আমাৰ ৰাজ্যৰ নানা দুৰ্যোগ উদ্ভৱ হোৱা সত্বেও জনসাধাৰণৰ ওপৰত কোনো কৰ—ক টলক হেচা নিদি এখন কল্যানমুলক বাজেট প্ৰস্তুত কৰিছে। তাৰ বাবে তেখেত মোৰ ধন্যবাদৰ পাত্ৰ।

মহোদয়, যোৱা কালি মাননীয় বৰা ডাঙৰীয়াই কৈ গৈছে যে মহাত্মা গান্ধীক হত্যা কৰাৰ সময়তো জৰুৰী কালিন অৱস্থাৰ ঘোষাণা কৰা নহ'ল, অথচ এতিয়া তেনে কোনো দুৰ্ঘটনা নঘটা সত্তেও কিয় জৰুৰী কালিন ঘোষণা কৰিব লগীয়া হৈছে। এই মৰ্মে মই কওঁ যে জৰুৰী কালিন অৱস্থা ঘোষণা কৰা হয় তিনিটা কাৰণত। (১) বাহিৰা শত্ৰুৰ দ্বাৰা যেতিয়া দেশ আক্ৰমণ হয়, তেতিয়া জৰুৰী কালিন অৱস্থা ঘোষণা কৰা হয়। গতিকে ১৯৬২ চনত যেতিয়া চীনাসকলে ভাৰত আক্ৰমণ কৰিছিল তেতিয়া জৰুৰী কালিন অৱস্থা ঘোষণা কৰিব লগীয়া হৈছিল। (২) দেশত যেতিয়া নানা ৰকমৰ আভ্যন্তৰীণ গন্দগোলৰ সৃষ্টি হয় আৰু উন্নয়ন মুলক কাম কৰাত যেতিয়া বাধা'ৰ সৃষ্টি হয়, তেতিয়াও জৰুৰী কালিন অৱস্থা ঘোষণা কৰি সেই কাম বিলাক সুচাৰুৰূপে পৰিচালনা কৰা হয়। ১৯৭৪—৭৫ চনৰ জুন মাহত ভাৰতৰ অৱস্থা এনেকুৱা হৈছিল যে মেল—মিটিং আদি কৰিবলৈ পুলিচ মিলিট্টাৰীক ৰাখিবলগীয়া হৈছিল। তেনে এটা অৱস্থাতহে জৰুৰী কালিন অৱস্থা ঘোষণা কৰা হৈছিল। (৩) যেতিয়া এটা জাতীয় ক্ৰ'ইচিচ আহি পৰে লগতে ফাইনেনচিয়েল ক্ৰাইচিচৰ উদ্ভৱ হয় তেতিয়াও জৰুৰী কালিন অৱস্থা ঘোষণা কৰা হয়। এইবাৰ যি হৈছিল সেইটো হ'ল অভ্যন্তৰীণ গন্দগোল আৰু ফাইনেনচিয়েল ক্ৰাইচিচৰ কাৰণে এই জৰুৰী কালিন ঘোষাণা কৰিবলগীয়া হৈছিল।

গতিকে এই কুৰিদফীয়া আচনিৰ জৰিয়তে দেশ খনক কেনেকৈ আগবঢ়াই লৈ যাব পাৰি তাৰ কাৰণে ব্যৱস্থা কৰিব লাগিব। লগতে চৰকাৰে এইটো কথাও চাব লাগিব যে এই কুৰিদফীয়া আচনি বিলাক কত কৰিছে। আজি গাৱেঁ ভুয়ে সকলো ফালেই আচনি লোৱা হৈছে।

আৰু বাইজক কোৱা হৈছে যে এই আচনি বিলাক কতকাৰ্য কৰৰ কাৰণে সহযোগ কৰক। আমি যদি কুৰিদফীয়া আচনি বিলাক কাৰ্যাকৰী কৰিব পাৰো তেতিয়াহলে অসম খনক আগবঢ়াই লৈ যাব পাৰিম। যদি কোনো বা এটা পইণ্টতো কৃতকাৰ্য্য নহও তেতিয়াহলে ৰাইজে আমাক দোষাৰূপ কৰিব। গতিকে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে আমি কুৰিদফীয়া আচনিৰ ২০ টাই কাৰ্য্যকৰি কৰিব নোৱাৰিলেই বিশেষ বিশেষ ৪।৫ টা মান যাতে আমি ভাল ভাবেই কাৰ্য্যকৰী কৰিব পাৰো তাৰ কাৰণে চেষ্টা কৰিব লাগিব।

কুৰিদফীয়া আচনিত মাটি বিতৰণৰ কথাটো আছে। যাৰ ঘৰবাৰী নাই তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰাৰ হৈছে। আৰু তাৰ কাৰণে জৰিপ কৰা হৈছে। চৰকাৰে খেতিয়কক মাটি দিম বুলি কৈছে। অৱশ্যে চিলিং এক্টত যি খিনি মাটি আছে তাৰ বাহিৰে আৰু বেচি মাটি আছে বুলি আমি নাভাবো। ফৰেষ্টৰ মাটিও দিব নোৱাৰে। কাৰণ ফৰেষ্টৰ মাটি ৩০ ভাগ লাগে। কিন্তু তাৰ ঠাইত এতিয়া ২০ ভাগহে আছে। গতিকে গোটেই বিলাক মাটিহীন খেতিয়ককেই যে মাটি দিব পাৰিম সেইটো নহয়। কিন্তু যি বিলাকৰ ভেটি মাটি নাই সেই সকলক ভেটিৰ মাটি দিব পাৰিম সেই কথা ঠিক। আমি যি সকলক মাটি দিব পাৰিম সেই সকলক দিম কিন্তু যি সকলক মাটি দিব নোৱাৰিম সেই সকলক কি দিম। সেই সকলক সৰু সৰু উদ্যোগ কৰাৰ কাৰণে, টকা দিব লাগিব। ঘৰে ঘৰে কুটিৰ শিল্প কৰাৰ কাৰণে টকা দিব লাগিব কিন্তু আমি দেখিবলৈ পাইছো যে কুৰিদফীয়া আচনিত কুটিৰ শিল্পৰ কাৰণে মন দিয়া নাই। সেই কাৰণে মুখ্য মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে অকল আমি মাটি দিয়েই সমস্যা সমাধান কৰিব নোৱাৰিম। আমাৰ বছৰি বছৰি ডেৰ লাখ কৈ লৰা-ছোৱালী মেট্ৰিক পাচ কৰি বা মেট্ৰিক

পাচকনকৰি ওলাইছ আহিছে লাগিছে। চৰকাৰে তেখেত সকলক জীয়াই থাকিবৰ কাৰণে কাম দিয়া দৰকাৰ। সেই কাৰণেই প্ৰত্যেক চুবুৰিতে সৰু সৰু শিল্প গঢ়ি তুলিব লাগিব। তাৰ কাৰণে নজৰ দিব লাগিব।

মই এতিয়া সমবায়ৰ কথা কেইটামান উনুকিয়াব খুজিছো। অৰ্থ-নৈতিক অৱস্থা উন্নত কৰিবৰ কাৰণেই সমবায় বিলাক তৈয়াৰ কৰা হৈছে। অসমত ৬৬৩ খন সমবায় সমিতি গঢ়ি উঠিছে। এই সমবায় বিলাক ভালকৈ গঢ়ি তুলিব পাৰিলে অৰ্থনৈতিক অৱস্থা ভাল হব। গাওঁ পঞ্চায়তৰ সমবায় বিলাকক কি খিনি উন্নতি কৰিব লগীয়া আছে সেই খিনি বস্তু উন্নত কৰিব লাগিব। আৰু খেতিয়ক সকলে যাতে তাৰ ভাগ পায় তাৰ ব্যৱস্থা কৰিব লগিব সমবায় বিলাকত চেনি, আটা, ময়দা দিলেই নহব। সকলো বিলাক লাগতীয়াল বস্তুকেই সমবায় বিলাকে যোগান ধৰিব পাৰিব লাগিব। এই সমবায় বিলাকৰ জৰিয়তে যদি খেতিয়ক সকলক টকা ধাৰ দিব পাৰে তাৰ যদি ব্যৱস্থা কৰিব পাৰে তেনেহলে খেতিয়কৰ নিশ্চয় সহায় হব। মই খেতিয়ক সকলৰ সমবায়ৰ জৰিয়তে যাতে সকলো বিলাক বস্তুৰ লগতে ধন ঋণ দিব পাৰে তাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো।

শিক্ষাৰ ক্ষেত্ৰত মই কেইটামান কথা কব বিচাৰিছো। মই বৰ ডাঙৰ কথা কবলৈ বিচৰা নাই। মই সৰু কথা কব বিচাৰিছো। শিক্ষাৰ বিষয়ত আমাৰ প্ৰাথমিক স্কুল বিলাক যোৱা চেপ্তেম্বৰ মাহতেই চৰকাৰী কৰণ কৰা হল। কিন্তু স্কুলৰ ঘৰ বিলাকৰ অৱস্থা দেখিলে দুখ লাগে। হিন্দুৰ এখন গাৱত সোমালে এটা কথা দেখা যায় যে যিটো ঘৰেই গাৱঁৰ খনৰ ভিতৰত আটাইতকৈ বেয়া যিটোৰ বেৰ চাল নাই সেইটোৱেই হৈছে হয়া নাম ঘৰ নহয় এল পি স্কুল ঘৰ। অৱশ্যে মুচলমান গাৱত মচজিদ-টোৰ অৱস্থা কিছু ভাল। স্কুলৰ বিল্ডিং চৰকাৰে লোৱা নাই, যদিও

এই বিলাক মেৰামতি কৰি লৰা-ছোৱালী বিলাকক বৰষুণত নিতিতাকৈ ৰাখিব পাৰে। ইয়াৰ কাৰণে ভাৰপ্ৰাপ্ত মন্ত্ৰীমুখ্য মন্ত্ৰীক অনুৰোধ কৰিছো। আৰু এটা কৰা হৈছে যে হাইস্কুল বিলাকে গ্ৰাণ্টইন এইদ জিলা সদৰৰ পৰা ড্ৰ কৰিব লাগে। এদিন জিলা সদৰলৈ গৈ বিল দি আহিব লাগিব আৰু এদিন জিলা সদৰলৈ গৈ বিলখন লৈ আহিব লাগিব। এই দৰে দুবাৰ জিলা সদৰলৈ অহা যোৱা কৰোতেই ১০০ মানকৈ টকা টি এত যায়। গতিকে এনেকুৱা কৰিব পাৰিবনেকি যে মাহৰ প্ৰথম সপ্তাহতে এজনকৈ এচিচটেণ্ট ইন্সপেক্টৰ গৈ বিল বিলাক পাচ কৰিব পাৰিবনেকি সেই কথা চাব লাগে। মই এটা প্ৰমাণ পাইছো যে এজন এচিচটাণ্ট ইন্সপেক্টৰ বৰপেটালৈ গৈ তাত বিল বিলাক পাচ কৰি দিয়াৰ কাৰণে স্কুল বিলাকৰ বহুত টকা ৰাহি হৈছিল। গতিকে গোটেই অসমতে এনেকুৱা কৰিব পাৰিলে ভাল হবনকি ?

উদ্যোগৰ কথা মই আগতেই কৈছোয়েই। আজি ভাৰত বৰ্ষৰ যি বিলাক প্ৰদেশ আগবাঢ়ি গৈছে সেই বিলাক কৃষি আৰু উদ্যোগত উন্নতি কৰিয়েই গৈছে।

মিঃ ডেঃ স্পীকাৰ :— আপোনাৰ ১০ মিনিট হৈ গল।

ডাঃ কৃষ্ণকান্ত লহকৰ ঃ— মোক দুই মিনিট মান দিয়ক।

১৯৭২ চনৰ লগে লগে বৰপেটা মহকুমাত কেন্দ্ৰীয় চৰকাৰে ১ হাজাৰখন পাৱৰলোম দিছিল। আৰু তাৰ প্ৰত্যেক খনৰ কাৰণে ১০০ টকাকৈ জমা দিছিল। কিন্তু আজি দুই বছৰ হৈ গল এই বিলাক ত্ৰাৰুশাল নাপালে। ইয়াৰ কাৰণ কেনেভাবি ? এনটাবিং, আৰু চাইডিং মেচিন ইয়াত বহুৱাব নোৱাৰে কাৰণ বৰপেটাৰ মাটি নতুন। সেই

কাৰণে বৰপেটাৰ ওচৰৰ হাউলিত মেচিন কেইটা বহুৱাৰ কথা আছিল। এই মেচিন কেইটা বহুৱালে প্ৰায় ৫০০ মান লৰাক কৰ্ম সংস্থান দিব পৰা হলহেতেন। কিন্তু আজি দুই বছৰ হৈ গল টকাও জমা দিলে কিন্তু কাম নহল। এই বিষয়ত গুৰুত্ব দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

উপাধ্যক্ষ মহোদয়, ৰাস্তাঘাটৰ কথা কবলৈ হলে এইটো কথা মই পৰামৰ্শ হিচাবে আগবঢ়াব খুজিছো যে নতুনকৈ ৰাস্তা লোৱাৰ আগতে পুৰণা ৰাস্তা যি বিলাক বেয়া হৈ পৰি আছে সেইবিলাক যদি মেৰামতি কৰা হয় তেনেহলে ভাল হয় অন্ততঃ গাড়ী যাব পৰাকৈ হলেও হয় আৰু দলং বিলাক কিছু মেৰামতি কৰিব লাগে যাতে ৰাস্তা বিলাক বন্ধ হৈ পৰি নাথাকে। মেডিকেলৰ বিষয়ে এটা কথা কব খুজিছো যে যি কেইখন ডাক্তৰখানা আছে বেয়া অৱস্থাত সেই কেইখন ডাক্তৰখানাৰ পৰো পৰো অৱস্থাৰ পৰা কিছু মেৰামতি কৰি যাতে ভাঙি নপৰে তাৰ কাৰণে ব্যৱস্থা লব লাগে।

উপাধ্যক্ষ মহোদয়, আন এটা কথা হল যে মোৰ সমষ্টিৰ দুখীয়া তিৰোতা আৰু বিধৱা সকলে কাপোৰ বুই দিয়াৰ ব্যৱস্থাৰ কথা ভাবিছে। মই হয়তো বেংকৰ পৰা ধাৰ আদি লৈ তাত আৰু সুতাৰ ব্যৱস্থা কৰিব পাৰিলে চৰকাৰৰ ফালৰ পৰা সেই কাপোৰ বোৰ কিনাৰ ব্যৱস্থা কৰিব লাগে। পাৰিলে চৰকাৰৰ ফালৰ পৰা সেই দুখীয়া তিৰোটা খিনিক শাল দিয়াৰ ব্যৱস্থা কৰিব লাগে তেতিয়াহলে তেওঁলোকে কাপোৰ তৈয়াৰ কৰি দিব পাৰিব। তাৰ উপৰিও উপাধ্যক্ষ মহোদয়, আমাৰ সেই অঞ্চলৰ তিৰোতা সকলে এটা কথা আলোচনা কৰিছে যে চৰকাৰে যিহেতু সমবায়ৰ জৰিয়তে ধান চাউল কিনি লয় সেই ক্ষেত্ৰত মোৰ সমষ্টিৰ দুখীয়া তিৰোতা সকলে সেই চাউল কিনি তাৰ পৰা চাউল কৰি দিব পাৰে আৰু

যদি চৰকাৰে সেই চাউল সমবায়ৰ জৰিয়তে কিনাৰ ব্যৱস্থা কৰে তেতিয়া-হলে তেওঁলোকৰ জীৱিকা নিৰ্ব্বাহ কৰাত কিছু সুবিধা হব। তেওঁলোকে সহায়ৰ কাৰণে কোনো টকা পইচা খোজা নাই কিন্তু এই দৰে তৈয়াৰ কৰি দিয়া চাউল খিনি চৰকাৰক সমবায়ৰ জৰিয়তে কিনাৰ কাৰণে মোৰ জৰিয়তে জনাইছে সেয়েহে মই বিধান সভাত সেই কথাটো উত্থাপন কৰিলো যাতে চৰকাৰী মূল্য মতে সেই চাউল কিনাৰ ব্যৱস্থা কৰে। এই বিষয় কেইটা মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতা সামৰিলো।

শ্ৰীপিটসিং কোৱৰ :— মাননীয় উপাধ্যক্ষ মহোদয়,

উপাধ্যক্ষ :— আপুনি বৰ ধুমুনিয়াহ কাঢ়ি কৈছে দেখোন।

* শ্ৰীপিটসিং কোৱাৰ :— আমাৰ বিত্তমন্ত্ৰী মহোদয় তেখেতৰ বাজেট উত্থাপনৰ সংক্ৰান্তত যিখন বক্তৃতাৰ পুস্তিকা আকাৰে দাঙি ধৰিছে সেইখন মই পঢ়ি চালো। বৰ সুন্দৰ হৈছে। ভেৰি বিউটিফুল। সৰ্ব্বাঙ্গীন সুন্দৰ। কিন্তু ভিতৰৰ ফালে পঢ়ি চালো কথাবোৰ খাপ খোৱা নাই। লিখা মানুহজন নিশ্চয় মুখ্যমন্ত্ৰী মহোদয় নহয় কোনোবা আই—এ—এচ অফিচাৰ হব লাগে। যিজন গাওঁৰ ভিতৰলৈ সোমোৱা নাই। ভাল ভাল ৰাস্তাৰে গাড়ীৰে আহিছে সেই কাৰণেই সেই বোৰ কথা ধৰিব পৰা নাই। এতিয়া কুৰিদফীয়া অৰ্থনৈতিক আঁচনিৰ যিটো কৈছে to root out poverty দৰিদ্ৰতাৰ একেবাৰে দূৰীকৰণ কৰাৰ কথা কৈছে কিন্তু এই দৰিদ্ৰতাৰ দূৰীকৰণ কৰিব পাৰিছে নে এইটো চাবৰ দৰকাৰ হৈছে। আমাৰ গাওঁৰ মানুহ দিনক দিনে দুখীয়া হৈ গৈছে। গৰু কিনিবলৈ হাহাকাৰ অৱস্থা। মুখ্যমন্ত্ৰী মহোদয়ে কৈ গল যে গ্ৰাম্য ঋণগ্ৰস্ততা দূৰীকৰণ কৰাৰ ব্যৱস্থা কৰা হব কিন্তু তাৰ ফলত মহাজন বিলাকে ধাৰ নিদিয়া হল। পাচ

Speech not corrected

বছৰৰ পিচত মাটি মালিকৰ হৈ যাব বুলি শুনি মহাজন বিলাকেও হাত ভৰি কোচাই কাচৰ নিচিনা বহি পাৰিল। কিন্তু তাৰ এটা বিকল্প ব্যৱস্থা কৰিছে নে নাই এইটো চাব লাগিব নহলে গাওঁৰ মানুহ বিলাক কলৈ যাব? কাচৰ নিচিনা হাত ভৰি কোচাই বহি থাকিবলগীয়া অৱস্থা হব। কৃষি, ইণ্ডষ্ট্ৰী কোনো বিষয়তে একো নহব। স্টেগনেচিন অৱস্থা হব সেই কাৰণে এই বিষয়টো গভীৰভাৱে চিন্তা কৰি চাব লাগে। আদালতত কেচ কৰিব নোৱাৰে আইনমতে কিন্তু ভিতৰি ভিতৰি চলি আছে। গাওঁত এতিয়াও ধাৰ দিয়াৰ ব্যৱস্থা চলি আছে এই অৱস্থাত কেনেকৈ গ্ৰাম্য ঋণগ্ৰস্তা দুৰীকৰণ কৰা যাব। উদাহৰণ স্বৰূপে এটা কথা কব খুজিছো যে এই পুস্তিকা খনত ডাঙৰ ডাঙৰ কথা কৈছে আৰু তেখেতে আনন্দ পাইছে। এইটো ঠিক যে উইকাৰ চেকচন, এচ—চি, এচ—টিৰ নামত আশ্ৰয় লৈ এইখিনি কলেই শান্তি নহব। আমি দেখিছো আজি ভূৰাগাওঁ সমষ্টিৰ গাওঁ এখন নাম বৰবৰী এজন লোকে কিনি পেলাইছে গোটে গাওঁখন। আঘোণ পুহ মাহত এতিয়া আমি দেখিছিলো যে ধান কাতি নি গাড়ীয়ে গাড়ীয়ে তেওঁৰ ঘৰত জমা দিছেগৈ। মানুহৰ নামত মাটি আছে যদিও আচলতে গোটেই বিলাক মাটি তেওঁৰ নামত আছে তেৰেই চলাই আছে। ধাৰ দি গৰীৱ খেতিয়কক সকলক কিনি থৈছে। এই গৰীৱ মানুহ বিলাকৰ ঋণগ্ৰস্ততা দুৰীকৰণ হব নোৱাৰে। আইনত নাযায় বা কেচ কৰি ধন লবলৈও নাযায়। মানুহজনৰ নামৰ মেঘৰাজ। ভূৰাগাওঁৰ মানুহ। কোনোবা ইলেকচনৰ কাৰণে বিচাৰিলে টকা পইচা দি পাৰ্টিক সহায় কৰি দিয়া মানুহ। বৰবৰী গাওঁৰ আটাইবিলাক মানুহেই ডাঙৰ মানুহ। এই কথাটো তদন্ত চলাই চালে ভাল হয়। ডাকবঙলাৰ পৰা অলপ আহিলেই পায়।

উপাধ্যক্ষ মহোদয়, ইস্নাত ডেভেলাপমেণ্টৰ কথা কৈছে। কিছুমান অঞ্চল পিছপৰি আছে আৰু কিছুমান অঞ্চল আগবাঢ়ি আছে এইটো

কথাটো চাই, বেকলগ হৈছে আৰু সেইটো ডেভেলপ কৰি পুৰাবলৈ নোৱাৰা কথাটো উল্লেখ কৰিছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। বহুত ঠাই যে পিচপৰা হৈ বেকলগ হৈ পৰি আছে সেইটো উদাহৰণ স্বৰূপে কব খুজিছো যে নতুনকৈ যিবিলাক মহকুমা খোলা হল যেনে তিনিচুকীয়া, ধেমাজী, মৰিগাওঁ আদি ঠাইত নতুনকৈ মহকুমা খোলা হৈছে যদিও সেই বিলাকত নতুনকৈ টাউন নাম দিয়া হৈছে যদিও আচলতে টাউন হোৱা নাই। চিভিল হস্পিটাল নাই, ট্ৰেজাৰি নাই একো নাই কেৱল গাওঁতে টাউনৰ চাব মাৰি টাউন বুলি কোৱা হৈছে। এই ক্ষেত্ৰত ডেভোলপমেণ্ট অৰ বেকলগ এইটো হোৱা নাই। এইটোলৈ চাব লাগে। অন্তত: যিকেইটা কাম নহলে চলিব নোৱাৰি সেই কেইটা কথালৈ ভাল ভাৱে চাব লাগে।

উপাধ্যক্ষ মহোদয়, ইয়াৰ পিচত ঘৰৰ ভেটি দিয়াৰ কথা অলপমান কব খুজিছো। এচ—চি, এচ টিৰ ঘৰৰ ভেটি নাহোৱা মানুহ এই-বিলাক ক'ব পৰা আছিল আমি নাজানো। আমি আচৰিত হওঁ এতিয়াও ঘৰৰ ভেটি নোহোৱা মানুহ আছে নেকি? নিশ্চয় দুই ভাই ককাই থাকিলেও বেলেগ হৈ থাকিবলৈ লগেও পিতৃ সম্পত্তিৰ ভাগত নিশ্চয় এটা ঘৰৰ ভেটিৰ কাৰণে দৰকাৰ হোৱা মাটিকণ পায় তেনে ক্ষেত্ৰত ঘৰৰ ভেটি নোহোৱা ইমান মানুহ কৰ পৰা আহিছে বুজিব পৰা নাই আমাৰ ৰাজহমন্ত্ৰীৰ ওচৰলৈ সিদিনা দেৰশ মান মহিলা আহিছিল গাড়ী ভাড়া কৰি তেতিয়া ৰাজহমন্ত্ৰীৰ ওচৰত মাননীয় সদস্য পণ্ডিত ডাঙৰীয়া আছিল আৰু মইও আছিলো। মহিলা সকলে আশীৰ্বাদ দি গল মন্ত্ৰী মহোদয়ক আৰু এটা কথা কলে যে মানুহক ভেটি মাটি দিয়াৰ ফলত বহুতৰ ৰাস্তা বন্ধ হৈ গৈছে। নিজৰ মাটিলৈ যাবলৈ ৰাস্তা নোহোৱা হৈছে। বাটত জেং দি থৈছে আন মানুহ যাব নোৱাৰে।

গতিকে এইটো কথা ৰাজহমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰোযেন কাৰো- বাৰ মাটি দিওঁতে অন্য কাৰোবাৰ যাতে অসুবিধা নহয় সেইটো কথালৈ যাতে লক্ষ্য ৰাখে তাৰ কাৰণে অনুৰোধ জনালোঁ আৰু লগতে এই কথাটোৰ এটা ব্যৱস্থা হাতত লব বুলিও আশা কৰিলো। আমাৰ কতৃপক্ষৰ যিবিলাক প্ৰশাসনীয় বিভাগ আছে সেই সকলৰ ওচৰত খবৰ কৰাত কলে যে ওপৰৰ পৰা হুকুম আহিছে কাৰণেই তেওঁলোকে দিছে আৰু এতিয়া জৰুৰীকালীন অৱস্থাত ওপৰৰ পৰা দিয়া হুকুম অমান্য কৰিলে চাকৰি যোৱাৰ ভয় আছে বুলি কলে আৰু কিবা ভুল থাকিলে দিশপুৰত আহি সংশোধন কৰিব লাগিব বুলি কোৱা কাৰণেই ৰাচ ভাড়া কৰি ইয়ালৈ আহিছিল।

উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয়ে শিক্ষাৰ ক্ষেত্ৰত এটা কথা চিন্তা কৰিছে যে ছাত্ৰ সকলক এক্সাৰচাইজ বুক, কিতাপ আদি দিয়াৰ ব্যৱস্থা কৰিব খুজিছে। এইটো বৰ ভাল কথা হৈছে। আৰো স্কুল বিলাকত গঠন কৰা সমবায়ৰ বিষয়ে লৰা ছোৱালী বিলাকক পৰীক্ষাত প্ৰশ্ন সোধাৰ ব্যৱস্থা কৰিছে। সমবায় কাক কয়, উদ্যোগ কাক কয় এই বিলাক কথা লৰা ছোৱালীয়ে বুজি নাপায়। অৱশ্যে শিক্ষা দিয়াৰ ব্যৱস্থা কৰা কাৰণে ভাল হৈছে আৰু তেহে লৰা ছোৱালীয়ে এতিয়াৰ পৰা শিকাৰ সুবিধা পাব। কিন্তু ইয়াৰ লগতে সোনকালে দিব খোজা ব্যৱস্থা অনুসৰি কিতাপ কাগজ, এক্সাৰচাইজ বুক আদি দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয় আৰু এই কথালৈ মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। লৰা ছোৱালীয়ে এনেদৰে যোগান ধৰা কিতাপ আদি সস্তা দামত পালেই উপকাৰত আহিব বুলি আমি ভাবো।

তাৰপিচত এনলাৰজমেণ্ট অৱ এমপ্লয়মেণ্ট অকৰচুনিটিজ আচনিৰ কথা কৈছে। দি, চি, এচ, ডি, অ অফিচৰ দুই চাৰিটা এপ্ৰেনটিচ

কেৰাণি আদি চাকৰি দিছে। আচনতে এনলাৰজমেণ্ট হোৱা নাই। মন্ত্ৰৰ গতিত চলিছে। ইয়াৰ দ্বাৰা যে নিবনুৱা ডেকাক কিবা সংস্থান দিব পৰা হব আশা কৰিব নোৱাৰো। মন্ত্ৰী মহোদয় এনলাৰজমেণ্ট শব্দটো ওলিয়াইছে কিন্তু প্ৰচাৰ হোৱা নাই। ৩০—৪০ জনৰ প্ৰশিক্ষণ দি সোমাৱাই দিলে ভাল হয়।

কৃষিৰ কথাটো হৈছে ডাঙৰ কথা। কাৰণ কৃষিৰ ওপৰত আমি সকলো জীয়াই আছো। এইটো আমি কি ধৰণে কৰিব পাৰো চাব লগীয়া হৈছে। আমাৰ ডাঙৰ কথা হৈছে কিছুমানৰ মাটি আছে, হালৰ গৰু নাই কিহেৰে খেতি কৰিব? পাৱাৰ টিলাৰ ব্যৱহাৰ কৰিব নোৱাৰে, ট্ৰেক্টৰ লব নোৱাৰে, পানী ব্যৱহাৰ কৰিব নোৱাৰে। এই বিলাক নহলে কেনেকৈ কৃষি আচনি কাৰ্য্যকৰী হব? সেই ব্যৱস্থা সোনকালে কৰিব লাগে তাৰ পানী যোগানৰ ব্যৱস্থা কৰিব লাগে। এইবাৰ ইৰিগেচৰ স্কিমত বহু টকা ধৰা দেখিবলৈ পাইছো। মাইনৰ আৰু মেজৰ ইৰিগেচৰ কথা কৈছে। চাপা নলাৰ নিচিনা হব যেন পাইছো। টকা দিছে হয় কিন্তু পানী নহলে মাইনৰ মেজৰ একো ইৰিগেচন হব নোৱাৰে। আমচৈত এটা জলসিঞ্চন আচনি বহু বছৰ আগত লৈছিল। তাত পুখুৰী এটা আছে, তাৰ পৰা জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰেনে? টকা কিছুমান অপব্যৱহাৰ কৰা হৈছে। গতিকে এই বিলাক কৰিবলৈ যাওতে ভাল ভাবে চিন্তা কৰি হব পাৰেনে নোৱাৰে, চৰ্চ কত আছে, এই বিলাক চাইচিতি কৰিলে ভাল হব।

আমাৰ গাৱৰ মহিলা সম্পৰ্কে এনেই ঘৰত বহুৱাই ৰখা হৈছে। মহিলা বৰ্ষত বক্তৃতা দিছো। চেৰিকালচাৰ, ৱেইভিং আদিত লন দিলে তেওঁলোকক কামত লগাব পৰা হব। মিটিংত কৈছো চৰকাৰে আচনি লৈছে ঘৰত বহি থাকিব নালাগে, লন দিয়াৰ ব্যৱস্থা কৰিছে। আমাৰ

ট্ৰাইবেল মহিলা বিলাকৰ বদনাম হৈছে, বটল বনাই থাকে। মই কৈছো বটল বনোৱা সম্পূৰ্ণ ত্যাগ কৰি বোৱাকটা আৰম্ভ কৰক। চৰকাৰে টকা দিব খুজিছে, সংগঠন কৰক। মন্ত্ৰীৰ ওচৰত দৰ্খাস্ত দিছো। ভয় লাগিছে নহলে গালি পাৰিব। বহু ক্ষেত্ৰত ঠগ খাইছো। আমাৰ কৰপৰেচন খুলিছে, দেভেলপমেণ্ট কৰপৰেচন খুলিছে, চাব-প্লেন হৈছে আদি শুনি আছো। মুখস্থ কৰিছো। কৰপৰেচন কৰিছে টকা পইচা নাই। এই বিলাক বেংকৰ জৰিয়তে কৰিব লাগে। চৰকাৰে কৰ পৰা ইমান লন দিব? আমি চৰকাৰৰ কথা মতে কলো দৰ্খাস্ত কৰা-গৰু কিনিবৰ কাৰণে, ট্ৰাক কিনিবৰ কাৰণে, বাচ কিনিবৰ কাৰণে। ৰাইজে সেইমতে দৰ্খাস্ত কৰিছে। কোকৰাঝাৰৰ পৰা এমোন ওজনৰ দৰ্খাস্ত আহিছে, নগাৱৰ পৰা ১০ কেজি, কামৰূপৰ পৰা ৪০ কে, জি, ধেমাজিৰ পৰা ১৫ কে, জি, দৰ্খাস্ত আহিছে। সকলো বিলাক লগ লাগি মুঠতে ১০কুইণ্টল মান দৰ্খাস্ত হব। ইয়াৰ এখনো কাৰ্য্যকৰী নহলে আমি গাৱত ওলাব নোৱাৰিম। তাৰ পিচত কনজাম্পচন লন এহেজাৰ টকাকৈ দিয়া হৈছে। এইটো বৰ বেয়া শব্দ ব্যৱহাৰ কৰা হৈছে-ইয়াৰ অৰ্থ হৈছে খাই পেলোৱা। শতকৰা চাৰি টকা সুত যেতিয়া মাৰি থাকা। গতিকে এই কথা বিলাক চাব লাগে। চাব প্লেনৰ কোনো কাম যদি নহয় ই বৰ দুখৰ কথা হব। নিজে নিজৰ কথা বিলাক ৰাখিব নোৱাৰিলে বৰ দুখৰ কথা হৈছে।

শিক্ষা বিভাগটো মুখ্যমন্ত্ৰী মহোদয়ে লোৱাত বৰ ভাল পাইছো। ইয়াৰ আগতে প্ৰি-প্ৰাইমাৰীত কিছুমান ছোৱালী, বোৱাৰী সকলৰ কৰা হল। তেওলোকে দৰমহাৰ মুখ দেখা নাই। তেও লাকে কয়, চাৰ, দৰমহাৰ পইচা কেতিয়া পাম? মই সান্তনা দিছো পাবা, চৰকাৰৰ পইচা যধে মধে নাহে, লাহে লাহে আহিব। তেওলোকক যেনে তেনে দৰমহাটো দি দিয়ক। পৃথিবীত জীয়াই থাকিবৰ কাৰণে সুবিধা দিব লাগে। মহিলা সকলক

অপদস্থ কৰিব নাপায়। কথাৰে মুখেৰে সন্মান কৰিব লাগে। তেওঁলোক আমাৰ ওপৰত। আমাৰ প্ৰধান মন্ত্ৰী নিজে মহিলা। তেখেতৰ অপমান কৰিব জানো? তেখেতক সন্মান দেখুৱাবৰ কাৰণে আমাৰ ইয়াতে মহিলা-সকলক সন্মান দেখুওৱা উচিত।

আমাৰ গাও বিলাকত বিদ্যুত শক্তিৰ কি ধৰণে যোগান ধৰিব বিচাৰিছে কব নোৱাৰো। আমাৰ পথাৰ বিলাকত বিদ্যুত শক্তি লাগে। গাৱে গাৱে দিলে কি হব? মানুহে পইচা দিব নোৱাৰে-মাহিলি বেণ্ট দিব নোৱাৰে। চেল ফিল্টাৰ পইন্টৰ বাবে বিদ্যুত শক্তিৰ যোগান ধৰিলে ভাল হব। তেতিয়াহে কাম কৰিব পৰা হব। আমাৰ গাও বিলাকত তিনি চাৰি বছৰ আগতে কিছুমান খুটা পুতি আহিছিল। কতো টাৰ গোঠা নাই। একো কাম কৰা নাই। পয়োভৰাত, মৰিগাও আৰু চবাইবাহীত বিদ্যুত শক্তিৰ দ্বাৰা পানী দিয়াৰ কথা লিখি থাকে। তিনি মাহৰ মূৰে মূৰে পাহৰাই লিখি থাকে। তাত আৰু অন্য প্ৰবন্ধ পাতি দিবলৈ নাথাকে যেন পাইছো। আমাৰ উপমন্ত্ৰী শ্ৰীলীলাকান্ত দাসে মায়াঙৰ কথা কৈ থাকে। তেওঁৰ দিনত কৰা নাই। আগৰ মন্ত্ৰীয়ে কৰি গৈছে। তেখেত তালৈ ঘনাই যায়। মই কৈছো জাগী-ৰোডৰ এম, এল, এ হবৰ কাৰণে ঘুৰি ফুৰিছেনেকি? মই কৈছো নাওবৈচাৰ পৰা আহি ইয়াত এম, এল, এ উঠিব। ৰাইজে কৈছে হয়নেকি? আজি পানীৰ অভাৱত খেতি বেয়া হৈছে। সিদিনা বৰষুণ জাক দিওতে যেছু খেতি বৰ ভাল হৈছে। শুকাই খিনাই যাবলৈ ধৰা যেছু খিনি ভাল হৈছে। এতিয়া কিতাপত লিখিবৰ হল। গতিকে পাৱাৰ পাম্পৰ জৰিয়তে পানী দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আজি আমাৰ চিকিৎসালয় বিলাকত ডাক্তৰ নাই। মন্ত্ৰী মহাশয়ে

যি ধৰণে উত্তৰ বিধান সভাৰ মজিয়াত দিয়া হৈছে ঘৰুৱা বেপাৰ হৈছে যেন পাইছো। কৰিম বুলিও কয় নকৰিম বুলিও কয়। এই ধৰণৰ কথা বিলাক গুৰুত্ব সহকাৰে লব লাগিব। গাৱত শুনিছো মন্ত্ৰীয়ে ৰজাৰ পোচাক পিন্ধে। ফুল থকা কাপোৰ পিন্ধে। এতিয়া খদ্দৰ পিন্ধে-ৰাইজে মন্ত্ৰী বুলি নভবা হৈছে।

গতিকে পোচাকপাতি ভাল হোৱা দৰ্কাৰ আৰু সেইটোৱে প্ৰমাণ হব মন্ত্ৰী বুলি। অন্ততঃ মন্ত্ৰী সকলৰ পোচাকপাতি আমাতকৈ অলপ বেলেগ হলে বা এম ল এতকৈ আতৰি থাকিলে ভাল হয়। নহলে মন্ত্ৰী বুলি আমাকে কেতিয়াবা ফুলৰ মালা পিন্ধাই। অৱশ্যে মন্ত্ৰী সকল গাৱে ভূৱে যোৱাটো ভাল পাইছো আৰু গাওঁতগৈ বিচনা পাৰি শোৱাটো ভাল পাইছো। কিন্তু মন্ত্ৰী সকলৰ ওচৰ কিমানে চাপিব পাৰিছে? আমাৰ যিবিলাক কৃষি বন্নুৱা দিন দৰিদ্ৰ ফালটু মাৰ্কা দিন হাজিৰা কৰা মানুহ তেওঁলোক ওচৰত যাব নোৱাৰে। তেওঁলোকৰ ওচৰলৈ যাব গাওঁ পঞ্চায়তৰ সভাপতি যুৱক কংগ্ৰেছ বুঢ়া কংগ্ৰেছ ইত্যাদি। কিন্তু ফালটু মাৰ্কা দিন হাজিৰা কৰা লোকৰ উপায় নাই। তেওঁলোকে ৰাতিপুৱাই ওলাই আহি তলৌ তলৌকৈ ঘুৰিফুৰে কিন্তু তেওঁলোকে কাম বিছাৰি নাপায়। জাগীৰোডত দেখিব চাহ খাই উঠি কব এ বাবু পইচা দি যাবি। সিদিনা আমাৰ মাননীয় শ্ৰীদেবকান্ত বৰুৱা জাগীৰোডত নামোতে মই বহুতো ডেকা লৰাক কলো যে আজি ডাঙৰ মানুহ আহিছে ১০০ টকাকৈ দিয়াৰ কথা আছে যা তালৈ পইচা লৈ আহিবি। তেওঁলোকে হেনো গৈছিল পিচদিনা সুধোতে কলে গৈছিলো পইচা নিদিলে। আমাৰ মুখ্যমন্ত্ৰীয়ে এঠাইত উশাহ টানিছে Menace to prosperity of the State এই ধৰণৰ কিছুমান মানুহে আমাৰ দেশৰ অগ্ৰগতি বাধা দিবৰ কাৰণে উঠিপৰি লাগিছে। কিন্তু এই মানুহবিলাক কাৰ আশ্ৰমত ওলমিছে।

তেওঁলোকৰ নামো দিছে —

1. Snugglers, black—marketeers and hoarders : 2. tax evedor ; 3, defaulting tex payers : 4. dafaultihg Iosnees, 5. defoultors in resp not of other dues including dues of co-operative scoienies and rinancial institutions . and 6. deroulting ontrepreneurs. এই মানুহবিলাকে চৰকাৰকে পইচা দিয়া নাই। এইবিলাকৰ কাৰণে বাকীবিলাকে দুৰৱস্থা ভোগ কৰিবলগীয়া হৈছে। কিন্তু মোৰ বিশ্বাস তেওঁলোকক কোনোবাই আশ্ৰয় দিছে। মুখ্যমন্ত্ৰী মহোদয়ে জানে যে আজি আমাৰ বহুতে খাজানাৰ পইচা ৰায়তৰ পৰা তুলি আনি নিজে পকেটত ৰাখি খাই থৈ দিছে। বহুতে এতিয়াও বহুত বহুত টকা দিবলৈ বাকী আছে। কোনোবা এজনে হেনো ৭৭০০০ টকা দিবলৈ আছে পাচত ইয়াৰ পৰা টেলিগ্ৰাম গ'ল যে তেখেতৰ টকা আদায়ে নকৰিব তেখেত আমাৰ শহুৰ হয়। এই ধৰণে আজি চলি আছে। তাৰ পিচত আমাৰ ইয়াৰ পৰা নগাওঁৰ ৰৰচাহাবলৈ এখন চাকুলাৰ গ'ল যে ইটাৰ দাম হাজাৰত ১৫৩ টকা কৰিব লাগে। ৰৰচাহাবে সকলোকে মাতি আনি কলে কিন্তু তেওঁলোকে কলে যে আমি ১৫৩ টকাত ইটা দিব নোৱাৰো গতিকে চাকুলাৰ ফাইলৰ ভিতৰতে সোমাই থাকিল আৰু ইটাও হাজাৰ ২০৩ টকা পৰ্য্যন্ত হ'ল। গতিকে আমাৰ কামকাজবিলাক এনেকুৱাই।

মাননীয় চেয়াৰমেন :—আপুনি আৰু কিমান সময় লব।

শ্ৰীপিটসিং কোঁৱৰ :— বেছি নকও। আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে চেষ্টা কৰিছে কিন্তু কাৰ্য্যকৰী কৰিব পৰা নাই। কাৰণ বাকী সকলেও

সমানে যোগদান কৰিব লাগিব। তেখেতে যিখিনি কৰিছে তাৰ কাৰণে আমি সুখ পাইছো। কিন্তু এটা কথা তেখেতে বাহিৰৰ মানুহক বিশ্বাস নকৰে নেকি? আমিও যে কেতিয়াবা ভাল কথা কব পাৰো তেখেতে নাভাবে নেকি? মোৰ তাতেই কাৰোবাক স্কুলৰ সভাপতি, কাৰোবাক কলেজৰ চেয়াৰমেন, কাৰবোবাক নিগমৰ সভাপতি কৰিছে মোৰ আপত্তি নাই। কিন্তু তাত কিছুমান মাটি থকা মানুহক মাটি দিছে আৰু মাটি নোহোৱাই মাটি পোৱা নাই তেওঁলোকে অন্তৰত দুখ পাই। আৰু যিখিনি মাটি দিছে সেইখিনি লো লা ং তাত মাত্র এটা খেতিহে হয় টকাখিনি এনেয়ে অপব্যয় হব। আমাৰ কথাবোৰ এনেই দলিয়াই দিব নালাগে। আমাৰ কথা শুনিলেও আমি তেখেতক বেয়া ভবা নাই মই সিদিনাও কৈছো যে এই কামখিনি কৰিবৰ কাৰণে তেখেতক সময় দিব লাগিব, কুৰীদফীয়া আচনিত আৰু কুৰী বছৰ সময় দিব লাগে। কাৰণ বেলেগ এজন মন্ত্রী আছি আৰু এই পাত লুটিয়াওতে সময় লাগিব সেই ফালৰ কোনো বাধা নাই আৰু কংগ্রেছী সকলে ভাঙিব খুজিছে আমি তাক বাধা দিবলৈয়ে যত্ন কৰিম। কমিউনিষ্ট বন্ধু সকলে ভাল পায়নে নেপায় নেজানো কিন্তু চোচেলিষ্ট বন্ধু সকলে ভাল পায়। গতিকে মই বেছি নকও যিবিলাক টকা পইচা বাজেটত ধৰা হৈছে সেইবিলাক যাতে ঠিক মতে খৰচ হয় কাৰণ আমি দেখিছো ৩১ মার্চ আহিলে বিষয়া সকলে কিছু কাম কৰি তাৰ পিচত টকা ঘূৰাই দিয়ে। গোটেই বছৰটো হাহুমুনিয়াহ কাঢ়ি শুই থাকে কিন্তু মার্চৰ মাহত দিনে ৰাতিয়ে লাইট জ্বলাই কাম কৰে বিশেষকৈ গড়কাপ্তনি বিভাগে এইদৰে টকা পইচাৰ অপব্যয় কৰে।

এইখিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্রীগিয়াচুদ্দিন আহমদ :—মই মাত্রতে এটা কথা কব বিচাৰিছো আমাৰ বিৰোধী পক্ষৰ কাৰণে যিমান সময় ৰাখি দিয়া হৈছে সেই সময়

প্রিনিৰ বোধকৰো কিছু সময় থাকি যাব গতিকে আমাৰ ফালৰ পৰা অলপ বেছিকৈ কব দিব লাগে।

* শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত ঃ—মাননীয় চেয়াৰমেন ডাঙৰীয়া, বিত্ত বিভাগৰ ভাৰপ্ৰাপ্ত মুখ্যমন্ত্ৰী মহোদয়ে যি বিত্তীয় বিবৃতি আৰু প্ৰাককলন দাঙি ধৰিছে সেই অৰ্থনীতিৰ তাত্ত্বিক দিশটো আলোচনা কৰিবলৈ ইচ্ছা থাকিলেও সময় ভাকৰ হোৱা কাৰণে বিশেষ আলোচনা কৰিব নোৱাৰিলেও মোটামুতিভাৱে কেইটামান কথা কব বিচাৰিছো। এই বাজেটত বিভিন্ন দিশত ভবিষ্যতৰ উজ্বল কামনাৰে পৰিসংখ্যা সহ লিপিবদ্ধ কৰা আছে গতিকে বাজেটখন যথেষ্ঠ আশাবাদী আৰু ৰাজ্যৰ সামগ্ৰীক উন্নয়নত সাহায্য কৰিব বুলি আশা কৰা যায়। মুখ্যমন্ত্ৰী মহোদয়ক প্ৰথমে তাৰ বাবে ধন্যবাদ জনাইছো। এই বাজেট আলোচনাৰ লগতে এটা কথা মই কব বিচাৰিছো যে বৰ্ত্তমান বিভিন্ন পত্ৰিকা বা প্ৰচাৰৰ মাধ্যমেৰে দেশত যি এটা শ্ৰেণী বৈষম্য উল্লেখ কৰা হৈছে সেই বৈষম্য অৰ্থনৈতিক পুনৰগঠণৰ যোগেদি কুৰিদফীয়া আঁচনি কিমান ক্ষীপ্ৰ গতিত বা কিমান দিনৰ মূৰত সমাধা হব। এই কথা বিশেষ বিচাৰ্য্যৰ বিষয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৭৫ চনত অসম চৰকাৰৰ সচিবালয়ৰ পৰা ওলোৱা গ্ৰাম্য বিকাশৰ এক নম্বৰ পুস্তিকাখনত গ্ৰাম্য বৈষম্য মূলক অৱস্থাটো যি ধৰণেৰে মুক্ত কণ্ঠে স্বীকাৰ কৰিছে সেইদৰে সেই ধৰণৰ ভ‌াষাত প্ৰকাশ কৰা আমি ক'তো দেখা পোৱা নাই। এই কথাখিনি মই পঢ়ি দিব খুজিছোঁ।

"দাৰিদ্ৰৰ স্বৰূপ"

* Speech not Corracted

"যোৱা দুটা দশকত হাতত লোৱা উন্নয়নমূলক কাৰ্য্যসূচীৰ সুফল ইতিমধ্যে পৰিলক্ষিত হৈছে। গড় হিচাবত জনমূৰি উপাৰ্জ্জনৰ পৰিমাণ যথেষ্ট বৃদ্ধি পোৱাই এই উন্নয়নৰ পোনপটীয়া প্ৰমাণ। তথাপিও এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে অনেক দিশত দেশে অগ্ৰগতি সাধিলেও যাইকৈ গাওঁ অঞ্চলত বসবাস কৰা আমাৰ এক বৃহৎ সংখ্যক লোক এতিয়াও দৰিদ্ৰতাৰ কবলত পৰি আছে। এই কথাও সত্য যে গাওঁ অঞ্চলত দৰিদ্ৰতা দিনে দিনে বাঢ়িহে গৈছে। গাওঁ অঞ্চলত দৰিদ্ৰতা বিৰাজ কৰাৰ যাই কাৰণ দুটা—সেয়া হল গাওঁ অঞ্চল বিলাকৰ অনগ্ৰসৰতা আৰু সমতা হীনতা। সম্পদ আৰু ক্ষমতা একশ্ৰেণী লোকৰ হাতত একত্ৰিত হৈ পৰাৰ ফলত দুৰ্ব্বল শ্ৰেণীৰ লোকসকল শোকাবহ ভাৱে ক্ষতিগ্ৰস্ত হৈছে আৰু দিনে দিনে দৰিদ্ৰতাই গাওঁবাসী সকলক গ্ৰাস কৰি পেলাইছে।"

এই পৰিপ্ৰেক্ষিতত অসমৰ দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা বিশেষকৈ গাওঁ অঞ্চলত ৭৭'৩৮ জন। ১৯৬০-৬১, ১৯৭০-৭১ চনৰ জন-মূৰি উপাৰ্জন সমীক্ষাৰ ফলস্বৰূপে পোৱা যায় যে, গ্ৰাম্য উপাৰ্জনৰ জনমূৰি প্ৰবছৰ টকাৰ হিচাব ৩০'৫ কোটি টকা আৰু নগৰাঞ্চলৰ ১৫৮.২ কোটি টকা। তাৰ পিছত গ্ৰাম্য অঞ্চলৰ বনুৱাৰ জনমূৰি উপাৰ্জন ০'০ টকা আৰু নগৰাঞ্চলৰ ২৪'৮ কোটি টকা। প্ৰথম পৰিকল্পনাৰ পৰা চতুৰ্থ পৰি-কল্পনাৰ শেষলৈকে হোৱা ব্যয় ( কোটি টকাৰ হিচাবত ) গ্ৰাম্য অঞ্চলত ১৯৯ ৪১ টকা আৰু নগৰ অঞ্চলত ১৬০'৫২ টকা। হিচাবত আমি দেখিছো যে, গাওঁ অঞ্চলত ৯১ জন মানুহে বাস কৰে আৰু নগৰাঞ্চলত ৯ জনে। এই বৈষম্য যদি আমি স্বীকাৰ কৰি চাওঁ তেতিয়াহলে, সেইটো দূৰীকৰণ কৰিবৰ কাৰণে সময় সাপেক্ষে আচনি লৈ যুদ্ধকালীন তৎপৰতা আৰু ক্ষীপ্ৰ-তাৰে এই বৈষম্য দূৰ কৰিবৰ কাৰণে কেনেধৰণৰ অৰ্থনৈতিক পুনৰ গঠণৰ আঁচনি লৈ কাম কৰিব লাগিব সেইটো ভাবি চাবৰ সময় হৈছে। বিভিন্ন

বিভাগৰ উন্নয়ন ধাৰাৰ যোগেদি এই বৈষম্য বিলাক আতৰাবলৈ চেষ্টা কৰিছিল যদিও আজিকোপতি সেইবিলাক ৰৈ গৈছে। আমাৰ দেশৰ মানুহৰ খৰচ কৰিব পৰা অৱস্থা সকলোৰে যে একে নহয়েই বৰং স্বৰ্গ মৰ্ত্ত পাৰ্থক্যহে দেখা যায়। গতিকে এনেকুৱা এটা অৱস্থাত এই বৈষম্য দূৰীকৰণ কৰিব পাৰিনে নোৱাৰি সেইটো ভাবি চাবলগীয়া কথা হৈছে। প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা ২০ দফীয়া অৰ্থনৈতিক আঁচনিৰ যোগেদিও এইটো কৰিব পাৰিবনে নোৱাৰে সেইটোও ভাবি চাবলগীয়া। মহাৰাষ্ট্ৰ চৰকাৰে ভি, পি, নায়ক মূখ্যমন্ত্ৰী থকাৰ দিনৰে পৰা 'ৰোৰেল এমপ্লয়মেণ্ট গাৰাণ্টেড স্কীম' আঁচনি খনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যুজি যুজি শেহত গৈ গ্ৰাণ্ট কৰিবলৈ গৈ। ইয়াৰ দ্বাৰা উৎপাদন বৃদ্ধিৰ লগে লগে গ্ৰাম্য নিৱনুৱা নিয়োগৰ ব্যৱস্থা নিশ্চিতকৰণ কৰাৰ ব্যৱস্থা কৰিলে। সেই একে অনুকৰণতে আমাৰ চৰকাৰেও এই পুস্তিকা খনৰ জৰিয়তে গাৱৰ মানুহখিনিৰ বাস্তৱ ছবিটো আৰু পৰিস্থিতো সাধভাৱে আৰু অকপট ভাৱে স্বীকাৰ কৰাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মই বহুতো পুস্তিকা পঢ়িছো কিন্তু ভাৰতবৰ্ষৰ অন্যান্য কোনো ৰাজ্যতেই গাৱলীয়া মানুখিনিৰ আচল পৰিস্থিটো ইমান মুক্ত কণ্ঠে অসম চৰকাৰৰ নিছিনাকৈ প্ৰকাশ কৰিব পাৰিছে। যুদ্ধ-গাৱলীয়া অৰ্থনীতিৰ এই পৰিস্থিতিবোৰ নিৰাকৰণ কৰিবৰ কাৰণে তৎপৰতাৰে অসমৰ গাওঁসমূহ পুনৰ গঠন কৰিব লাগে। মই বেছি ঠাই ফুৰা নাই যদিও ভাৰতবৰ্ষৰ যিখিনি ঠাই ফুৰাৰ সুবিধা পাইছো সেইখিনিৰ অভিজ্ঞতাৰে কওঁ যে, অসমৰ নিছিনা সুন্দৰ গাওঁ মই কতো দেখা নাই। ভাৰতবৰ্ষৰ কথা বাদেই পৃথিৱীৰ ভিতৰতে এনেকুৱা সুন্দৰ ভাৱে গঢ়ি উঠা গাওঁ নাই কিজানি। এই সুন্দৰ ভাৱে থকা গাওঁ সমূহ কুটিৰ শিল্প বা তেনেকুৱা ৰোৰেল ইণ্ডাষ্ট্ৰিয়েল ইবিটৰ যোগেদি অৰ্থনৈতিক ভাৱে 'ভাইয়াবল ভিলেজ' কৰি তুলিব পাৰি। মিজো পাহাৰত যেনেকৈ বিগ্ৰ পিওৰ যোগেদি গাওঁ বিলাক সজাই পেলোৱা হ'ল সেইদৰে অসমতো কিছুম

অঞ্চলত য'ত মানুহ অলপ সিচৰিত হৈ আছে সেইবিলাকো ৰিগ্ৰোপিং কৰি তুলিব লাগে। লগে লগে অৰ্থনৈতিক দিশত আগুৱাই নিয়াৰ কাৰণেও সুবিধা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। আজি বাজেট বক্তৃতাত বিভিন্ন বিভাগৰ উজ্জলতা দেখা গৈছে, বিভিন্ন ক্ষেত্ৰত সামাজিক, চৰকাৰী প্ৰচেষ্টা হৈছে। কিন্তু চৰকাৰে সাহাৰ্য্য দি থাকোতে যদি সামাজিক, অৰ্থনৈতিক বৈষম্যও বাঢ়ি গৈ থাকে তেনেহলে, আমাৰ গাৱঁত বাস কৰা ৯১ জন লোকৰ জীৱন লৈ খেলা কৰাৰ অধিকাৰ চৰকাৰৰ নাই।

মিঃ ডেপুটি স্পীকাৰ:—আপুনি ১০ মিনিট কলেই।

* শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত:—উপাধ্যক্ষ্য মহোদয়, মই ২ মিনিটমান কৈয়েই শেষ কৰিম, আজি বহুদিন ধৰি এই নতুন অসমীয়া বাতৰি কাকত প্ৰতিষ্ঠানটো বন্ধ হৈ থকাৰ কাৰণে তাত থকা এই যথেষ্ট সংখ্যক কৰ্মচাৰীৰ চাকৰিৰ পৰা বিতাৰিত হ'ল, অইন কথা বাদ দি হলেও এই কৰ্মচাৰিখিনিৰ চাকৰিত সংস্থাপন কৰাৰ কাৰণে চিন্তা কৰিব লাগিছিল কিয়নো আজি এই লোকসকলৰ পৰিয়ালবৰ্গই আজি হেন দিনত চাকৰিৰ পৰা যাব লগীয়া হোৱাই বহুদিন কোৰ্নোবাই উপবাসত থাকিব লগীয়া হৈছে, আজিলৈকে এই মানুহখিনিৰ চাকৰিত সংস্থাপনৰ কোনো ব্যৱস্থা কৰা নহল গতিকে এই যি খিনি মানুহ অন্তত এই প্ৰতিষ্ঠানটোত নিয়োগ হৈ আছিল সেই কেইজনক কিবা এটা সুবিধা দিবৰ কাৰণে কিবা এটা বন্দোবস্তী কৰিব বুলি আশা কৰিলো। সদৌ শেষত মই আৰু এটা দৰকাৰী কথালৈ দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো, যোৱা ২৯ নভেম্বৰৰ দিনা মই কেবাজনো সাংবাদিকৰ জগত নৰ্থ কাছাৰ হিলচলৈ গৈছিলো। তাত যোগাযোগৰ যিটো অৱস্থা দেখিলো সেইটো প্ৰকৃতপক্ষে দুখলগা অৱস্থা।

Present Condition of roads Conneeting the North

Cachar Hills district with the rest of Assam was deplorable. He said that the district has only kacha roads and most of it remained dislocated during the monsoon months.

আজি এই জিলাৰ পৰা নগাওঁলৈ আহিবলৈ হ'লে দিফুৰ পৰা লামডিং হৈ আহিলে বেচি সুবিধা হয় কিন্তু বৰ্ত্তমান যিটো ৰাস্তা তাত আছে, তাৰ অৱস্থা অতিকৈ শোচনীয়, এই পাহাৰ অঞ্চল ভৈয়ামৰ লগত যোগাযোগ কৰিবৰ কাৰণে মাত্ৰ এটা পথ আৰু এই পথটোৰ উন্নয়নৰ কাৰণে ৩ কোটি টকা দিয়া হৈছিল কিন্তু সেই টকাৰে কোনো 'ডেভেলপমেণ্টৰ' কাম হোৱা নাই, গতিকে এই ক্ষেত্ৰত আইন শিথিল কৰি হলেও আমাৰ এই পাহাৰ অঞ্চলৰ যোগাযোগ ইত্যাদি কথাবিলাক অলপ ভালকৈ চাব লাগে। যদিহে আমি এই যোগাযোগ আৰু ৰাস্তা-ঘাটৰ অৱস্থা উন্নতি কৰিব পাৰো তেতিয়াহলে আমি এই অঞ্চলত থকা লোকসকলৰ আৰ্থিক আৰু সমাজিক আৰু সকলো দিশতে তেওঁলোকক আগুৱাই নিবৰ কাৰণে সুবিধা পাম। 'হস্তশিল্পৰ ক্ষেত্ৰত' ভাৰতবৰ্ষৰ কিছুমান ৰাজ্য বিশেষকৈ দাক্ষিণাত্যৰ ৰাজ্যবিলাকে হস্তশিল্পৰ নিগম কৰি দিছে যিবিলাক নিগমে এক ইঞ্চি কাঠো পেলাই নিদি তাৰে কিছুমান ক্ষুদ্ৰ শিল্পজাত বস্তু উৎপাদন কৰি বিদেশলৈ ৰপ্তানী কৰাৰ জৰিয়তে বৈদেশীক মুদ্ৰা অৰ্জ্জন কৰিছে। অসমৰ হাতীদাঁতৰ শিল্পীজনৰ সিদিনা মৃত্যু হোৱাত এই হাতীদাঁতৰ শিল্পটো মৃতপ্ৰায় অৱস্থাত পৰিছেগৈ। অসমত আৰু এনেকুৱা গ্ৰাম্য আৰু কুটিৰ শিল্প আছে যিগিলাকক উৎসাহ উদ্দীপনা দি বিদেশলৈ যাতে এই বস্তুবিলাক ৰপ্তানী কৰিব পাৰি তাৰ কাৰণে আমাৰ কলিকতাত থকা ট্ৰেড এডভাইজাৰক পৰামৰ্শ দিব লাগে আৰু এই শিল্প বিলাকৰ কিছুমান সন্থা খুলি উন্নয়নৰ দিহা কৰিব লাগে। বাহিৰত থকা চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ বাঁহ-বেতৰ শিল্প বিলাক পুনাৰুদ্ধাৰ কৰিবৰ কাৰণে এটা বৃহৎ বেম্বো ট্ৰিট-

মেণ্ট স্কীম, হাতত লব লাগে। অৱশ্যে এটা টিস্থাৰ ট্ৰিটমেণ্ট আমাৰ ইয়াত আছে। এইদৰে আমাৰ যিবিলাক গ্ৰাচ ৰুত সমস্যা আছে যি বিলাকত সৰু সৰু মানুহৰ কৰ্মসংস্থাপিত হব পাৰে তেনে ধৰণৰ শিল্প গঢ়ি তোলাৰ কাৰণে চেণ্টা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ :—আপুনি শেষ কৰক।

* শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত :—আমাৰ গাওঁ অঞ্চলত বিদ্যুৎ শক্তিৰ বাবত যি খৰচ কৰা হৈছে সি তেনেই নগন্য, বিদ্যুৎ শক্তিৰ মুঠ ব্যৱহাৰৰ ভিতৰত শতকৰা ০.১ ভাগহে কৃষি আৰু জলসিঞ্চনৰ কামত ব্যৱহাৰ কৰা হৈছে আৰু ইফালে উদ্যোগত সেই অনুপাতে অলপ বেচি কৰিছে। গতিকে দেখা যায় কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত বিজুলী সৰবৰাহ কৰাত বৈষম্য দেখা গৈছে, সেইকাৰণে এই সমতা ৰক্ষা কৰি পাওৰাৰ সমান্তৰাল ভাবে ব্যৱহাৰ কৰিব লাগে। কমিউনিজিমৰ সাফল্য ক'ত বুলি সোধা প্ৰশ্নোত্তৰত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী, আই, এন, টি, ইউ, চিৰ সভাপতিয়ে কৈছিল যে সংগঠনৰ প্ৰতীক হ'ল চোভিয়েত আৰু তত্ত্বাদৰ প্ৰতীক হ'ল ইলেকট্ৰিচিটি। আধুনিক সমাজখনৰ উন্নয়নৰ প্ৰতীক হ'ল আজি বিজুলী শক্তি। গতিকে গ্ৰাম্য জীৱনৰ উন্নয়নৰ প্ৰতীক বিজুলী শক্তি হোৱা উচিত। আমাৰ এ, পি, চি, চিৰে এটা প্ৰস্তাৱত কোৱা হৈছিল যে অহা ৫ বছৰৰ ভিতৰতে অসমৰ সকলো বিলাকতে বিজুলী শক্তি সৰবৰাহ কৰা হ'ব। গতিকে এই বিজুলী শক্তিয়ে গ্ৰাম্য জীৱনৰ উন্নয়নৰ পথত কিমান প্ৰভাৱ বিস্তাৰ কৰিছে সেইটো মন কৰিব লগীয়া। এই সকলো দিশৰ প্ৰতি লক্ষ্য ৰখা এই বাজেটখনক এখন ভৱিষ্যত উজ্জলতাৰ সম্ভাব্যপূৰ্ণ বাজেট বুলি মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনালো। মুঠতে এই বাজেটখন এখন বৈজ্ঞানিক সুচিন্তিত আৰু সংসদত যেনে ধৰণৰ এখন বাজেট উত্থাপন কৰিব লাগে তেনে বাজেটেই হৈছে।

* Speech not corrected

* শ্ৰীআবুল হুছেইন মীৰ :—মাননীয় উপাধ্যক্ষ মহোদয়, মই কেতিয়াও বাজেট বক্তৃতা দিয়া নাই, সেই কাৰণে আজি মোক সময় বঢ়াই লাগিব। আমাৰ মুখ্যমন্ত্ৰী তথা বিত্তমন্ত্ৰী ডাঙৰীয়াই বাজেট বক্তৃতাত যি কুৰিদফীয়া অৰ্থ নতিক আচনিৰ কথা আৰু তাক কাৰ্য্যকৰীকৰণৰ কথা স্পষ্টকৈ ঘোষণা কৰিছে তাৰ বাবে মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছো। তেখেতে সমাজীকৰণৰ ক্ষেত্ৰত যিখিনি কাম হাতত লৈছে এইটো পূৰ্ব ভাৰতৰ ভিতৰতে এটা ঘনিষ্ঠ ভাতৃত্বৰ কাম হৈছে। কিন্তু আমাৰ এটা কথা হৈছে Humanity should not be just on paper. অকল কাগজত লিখা থাকিলেই নহয়। আমাৰ চৰকাৰে কিছুমান ক্ষেত্ৰত কিছুমান আইন কৰিছে, কুৰিদফীয়া আঁচনিৰ কথা ঘোষণা কৰিছে, ভূমিৰ সৰ্বোচ্চ মান নিৰ্ণয় কৰিছে, ৰায়তি স্বত্বৰ অভিলেখ ৰচনা কৰিছে—এই সকলো বিলাক কৰিছে একমাত্ৰ সমাজৰ দৰিদ্ৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখিয়েই কিন্তু এই আইন কাৰ্য্যকৰী কৰোতে যি কেইটা অঞ্চলত বাধাৰ সৃষ্টি হৈছে সেই কেইটা অঞ্চলৰ প্ৰতি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। মই জনামতে এজেন খেতিয়কে দুখন গাওঁত ৰায়তিস্বত্বৰ নাম লিখাইছে এইবিলাক মাটিৰ মালিকৰ দ্বাৰাই হৈছে। কাৰণ মালিকে খেতিয়কক কয় যদি তেনে নকৰ তেন্তে মাটিও খাবলৈ নাপাবা অৰ্থাৎ খেতিও নাপাবা। ইয়াৰ বেনিফিট মাটিৰ মালিকে পাইছে। গতিকে প্ৰশাসন যন্ত্ৰটোৰ সমভাবে ব্যৱহাৰ হ'ব লাগে। উপাধ্যক্ষ মহোদয়, চৰকাৰৰ যি আইন কৰিছে তাৰ সুযোগ দুখীয়া কৃষকেহে পাব লাগে, কিন্তু ইয়াৰ সুযোগ মাটিৰ মালিকেহে পাইছে। গতিকে ইয়াৰ সুবিধা যাতে দুখীয়া মানুহে লব পাৰে তাৰ বাবে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মই এটা চাৰ্কেলত বক্তৃতা দিওতে তাৰ বিষয়া সকলে মোক কৈছে যে এইবিলাক কি আইন, আৰু চৰকাৰে কেতিয়া কৰিছে? কুৰি দফীয়া আঁচনিৰ কি কথা চৰকাৰে প্ৰচাৰ কৰিছে। সেই বিলাক ভাল হোৱা নাই অৰ্থাৎ ভাল ভাবে গাওঁ অঞ্চলত প্ৰচাৰ কৰা

* Speech not corrected

হোৱা নাই। এইবিলাক চাৰ্কোস ওৱাইজ ভাল ধৰণেৰে প্ৰচাৰ কৰিব লাগে। বিত্তীয় বিভাগৰ সমালোচনা কৰি তেখেতে দাবি ধৰিছে যে ১৯৫১ চনত ২ কোটি ধাৰ, পঞ্চম বাৰ্ষিক পৰিকল্পনাত ১৯ কোটি টকা ধাৰ, দ্বিতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাত ৫৩ কোটি টকা ধাৰ, তৃতীয় পৰিকল্পনাত ২৮ কোটিৰ বেছি আৰু চতুৰ্থ পৰিকল্পনাত ৪ শ কোটিৰ অলপ ওপৰ। পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ৫শ ২৮ কোটি টকা হব বুলি তেখেতে অনুমান কৰিছে। দেখা গ'ল চতুৰ্থ আৰু পঞ্চম পৰিকল্পনাৰ ধাৰৰ সংখ্যা অলপ কমি আহিছে আৰু ৬০ কোটী টকা মান হব। কিন্তু দ্বিতীয় আৰু চতুৰ্থ পৰিকল্পনাৰ ব্যৱধান বেছি। আজি আমাৰ অসমৰ অৰ্থনৈতিক অৱস্থা এনে হৈছে যে আকালো নাই ভৰালো নাই, কৰ কাটিল লগোৱাৰ স্থলো নাই। আন ওচৰ চুবুৰীয়া ৰাজ্যবোৰত দেখা যায় যে এফালে শিল্পৰ ওপৰত যিমান গুৰুত্ব দিছে অন্যফালে কৃষিৰ ওপৰতো সিমানেই গুৰুত্ব দিছে। যি দহটা উদ্যোগৰ বাবে লাইচেন্স পাইছে সেই কেইটাত কেইবা লক্ষ লৰা নিয়োগ কৰিব পাৰিলেহেতেন। এই দহটাৰ ভিতৰত এগ্ৰ' বেচ ইণ্ডাষ্ট্ৰীয়েই বেছি। শিল্পৰ কাৰণে যদি দুশ কোটি টকা অতিৰিক্ত ধৰিলেহেতেন তেনেহলে একো দোষণীয় নহ'লহেতেন। সেই কাৰণে মই কওঁ আমাৰ শিল্প উদ্যোগ বিভাগটো পৰিবৰ্ত্তন কৰিব লাগে, যদি ভালে ভালে কাম কৰিবলৈ আমাৰ মানুহ নাই তেন্তে ট্ৰেনিং দিওৱাৰ ব্যৱস্থা কৰিব লাগে।

এইবাৰ আমৰ খেতি ভাল হৈছে। কিহৰ কাৰণে হৈছে এইবাৰ বতৰ ভাল আৰু আমাৰ মানুহেও পৰিশ্ৰম বেছি কৰিবলৈ শিকিছে। আমাৰ দেশৰ খেতি বতৰৰ ওপৰত নিৰ্ভৰ কৰি হয়। অহা বছৰো যে খেতি ভাল হব সেই কথা কোৱা টান। গতিকে কৃষিতকৈ শিল্প উদ্যোগত বেছি গুৰুত্ব দিব লাগে। কাৰণ আমাৰ ইয়াত শিল্প উদ্যোগৰ বাবে ৰ' মেটেৰিয়েল আছে, আমাৰ ফৰেষ্ট আছে, হাৰ্ড বৰ্ড পজেক্ট আছে তাত ৯'২ মিলিয়ন টন উৎপাদন হয়। কলিকতা, বিহাৰ আদি কেইখন মান

ঠাইত হে মৰাপাট বেছিকৈ উৎপাদন হয় আৰু সেই কাৰণে টেক্সও বেছি পাই। গতিকে আমাৰ চৰকাৰে এইটো চাব লাগে যাতে যি উদ্যোগৰ পৰা টেক্স বেছি পোৱা যায় সেই উদ্যোগেই স্থাপন কৰিব লাগে। খেতি হৈছে লো' গ্ৰয়িং, সেই কাৰণে উদ্যোগৰ ক্ষেত্ৰত চোকা নজৰ দিব লাগে।

মিঃ ডেপুটি স্পীকাৰ :— আপুনি চমু কৰক।

শ্ৰীআব্দুল হোছেন মীৰ :— কৃষি মন্ত্ৰী ইয়াত নাই। গতিকে মই এই সম্বন্ধে আৰু বেছি নকওঁ। মুখ্য মন্ত্ৰী আছে। তেখেতৰ বিমান পপুলাৰিটি আছে সেই খিনিকে প্ৰয়োগ কৰি ৰাজ্যখনৰ দৰিদ্ৰ লোকক কি প্ৰকাৰে ঋণ মুক্ত কৰিব পাৰে যত্ন কৰিবৰ কাৰণে মই অনুৰোধ জনাইছো আৰু আঞ্চলিক বৈষম্যতা যাতে দূৰ কৰাৰ ব্যৱস্থা কৰে আৰু ইয়াৰ বাবে যেন তেখেতৰ মন্ত্ৰী সভাৰ সতীৰ্থ সকলক চোকা নজৰ দিবলৈ উপদেশ দিয়ে এই খিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Deputy Speerkes :— The House Stands adjourned till 2.30. P, M.

AFIER LUNCH

( The House re-assembled with hon'ble Deputy Speaker in the Chair )

Shri Sarat Chandra Sinha :— As usual I should have spoken last. But there is an important meeting of Chief Ministers tomorrow at New Delhi and I am to attend that meeting. Therefore I shall have

to leave the House earlier.

I am thankful to you for allowing me to intervene in the debate and I shall try to cover the points raised by the hon. members. The other points that may be raised later will be replied to by my esteemed colleague, Shri C. S. Teron, Minister for Industries.

I am very much grateful to the hon. members for their participation in the general discussion on the Budget. I should like to take a cue from the observations made by the hon. member. Shri Gaurisankar Bhattacharjee. He has noted that there is healthy feature in the Budget. The health of the Budget much depends on the cooperation of the people. Health should be steady. A heal thyman may also at any time fall sick and consequently he may not be useful for work. Similarly the Budget which we have presented in this august House seems to be healthy at this moment. But if it is not worked out properly then it might not be so useful as we find today. To keep the health of the Budget steady I fully agree with the hon. member Shri Dulal Chandra Khound, who has observed that the 20-point economic programe is not a new feature. We had announced such programmes earlier

also but we could not arouse much enthuasism as we have been able to do it now. Why it is so? Is there anything new? The 20-point economic programme as we all know is not a new feature. But yet there is something new: what is that? This 20-point programme as we have observed has been taken up in the context of a grim situation, in the context of a challenge, in the context of a struggle against the reactionary forces, vested interest, feudalism and monopoly capital. So, Sir, in these contexts this 20-point economic programme has been able to awaken the people and we must have got the enthuasism that has been created for that purpose. I fully agree with hon. member that there should be cooperation of the non official organisations. As a matter of fact, there should be close understanding between the Government and the non-Govt. organisations. The hon. member has also suggested that the administrative machinery should be strengtnened, its efficiency should be increasod so as to create initiative, effort and drive to fulfil the task that has been set before us by this 20-point economic programme. Similar measures have also been prescribed by hon. member, Shri Gauri Shankar Bhattacharjee. He has observed that this 20-point programme is a

battle of the people, a battle for the people and a battle by the people against poverty. I fully agree with him that this is really a battle and the battle will have to be fought out by the people. The hon. member has also suggested that there should be peasant involvement at every stage in this programme. Mr. Deputy Speaker, Sir, we have already implemented all these suggestions. We have already consituted a new set up where the people have been completely or fully involved right from the policy making decision at the top down to the real implementation level at the bottom. At the policy making decision level at the top, a State Implementation Committee has been set up with non-official members as well as members of political parties There we decide all matters relating to policy. There, in the Committee, non official members, representatives of the public and the representatives of various organisations and political parties have also been included as Members. I now appeal to all that we must try our best to see that this organisation which has been set up at various levels works smoothly and efficiently to meet the situation. Sir, I also fully agree with the hon. member Shri Khound that this 20 point economic programme is a movement, it is in fact a movement for economic regeneration. Now, if we are to succeed in

this movement, it is the people who will have to be involved in all the stages, and that is why all these measures have been taken. I also fully agree with the hon. member that at all leavls we must develop our capacity of implementing the developmental measures, and this capacity can be increased only by strong determination and hard work. If we are.. .... all determind to work hard the capability will in crease, and once the capability is increased, it will not be difficult for us to impliment the programme. I also agree with the Hon. Member when he says that there are a number of hindrances and that hindrances have been created by the monopoly capital and feudualism. Sir, we all know how findrences have been put up feudualism in the rural areas against the radical measures that we have taken to amelioate the suffenings to the poor people. Sir, the 20-points programme high lights the most important aspects of the various ameliorative measures that we have so far taken. This 20-points programme includes for instance the distribution of land to landless. While we find that considered mathematically, enough land exists for distribution amongst the landless and it is also easy to distribute lands to them we in reality find, as I have already stated, this is not

only an administrative problem, but a social problem, to. The administrative machinery has to work ageinst the back-ground of certain social conditions. Unless the social conditions are changed, the aministrative machinery alone will not be successful, however strong it may be, to effectively tackle the problem. There-fore it should be our endeavour to see that a proper social climate is created in the State so that the mea-sures taken under the 20-point programme can be imp-lemented I would lay particular emphasis on the imp-lementation of the programme relating to distribution of land. Land distribution problem. on the face of it, seems to be an easy one. But when we analsye it, we find that in every stage we are faced with obstruc-tions, and obstructions from such quarters that render it very difficult both for the social workers as well as the Government officers to proceed on with the task of implementing the measures. We must realise the situation with which we confront. Therefore before blam-ing these social worker and the Government officers, we must try tounderstand and appreciate their difficulties and then try to create a favourable condition, a favou-rable climate that makes implementa tion of the prog-ramme possible. As the climate now in our society is very

much adverce, there has been too much difficulty before us in fulfilling the task. I would also appeal to the people to realise that if we cannot implement this programme, we will not be able to usher in a socialist economy that we have been striving to achieve In order to successfuly implement this programme, Sir, we have taken certain measures. One of them is the Action Calender which sets a time-bound programme and a date for every action taken in the context of the programme. That is what we call the Action Calender. If we can create a proper climate, it will be possible for us to keen to the timings of the Action Calendero then else it will not be possible to work according to the calendar that we have form ulalated to guide our activities. we have still another aspect to consider; hard work. Either in respect of land distribuition or in the matter of giving relief of the rural poor, words alone will not help. All of us will have to go to the field, to the people and we ourselves also have to work whole-heartedly. If we depend instead on the administrative machinery alone, I do not think this 20 point programme would be implemententеd fully.

Another important aspect of the programme is the question of bank finance. We have decided to

involve the banks actively in the matter of implementation of the programme. As a matter of fact, it was only with this object in view that the banks were nationallised. prior to nationalisation, the money in the banks was utilise by the capatilists. Now that the banks have been nationalised, it is for us to utilise that money for the the benifit of the poor. Merely because of the fact that the banks have been nationalised, the money will not be available to the poor. There are certain complicated procedures which have to be followed before money can be made available to the poor illiterate people of the village. So we have to work among the people, make them familiar with bank rules and procedure and teach them how to complete the different forms and applications so that money be available to them. Some Hon. Members have made certain serious complaints against the banks. I quite appreciate their points. but at the same time I would also like them to consider the views of the banks. The money that is in the banks does not belong to the bank; it belongs to the people. Therefore it is incumbent on us to see that the money is properly utilised. It is also true that we have natioaalised the money in the banks, but we have not been a le to nationalise the mind of the people working in the bank

counters. I quite agree that the procedural formalities for obtaining bank finances are quite comlicated. Therefore efforts have been made to make them easy. In course of my discussions with the bank officials I have found that they are very much sympathetic to the aims and objectives of the programme and are also equally anxious to see that the programme is implemented and money is made available to the poor. But they are ........... the custodian of the money and natually they are very careful about it. Therfore, whenever any rigid attitude is found of the bank officers, I would appeal the Hon'ble members not to be disheartened and to see to the procedure they follow and try to understand their points. The procedure should be made easier so that the money can be easily available to the poorer section of the people. Series of discussions with the Bank Officials, I hope, will be helpful to us in making Lakhs of money that is lying in the Banks available to the poorer section of the people.

Sir, one member has observed that the Budget is good because there is no tax. I donot agree with the Hon'ble member. Having considered all aspects of the matter no tax has been imposed. But then, to say that the Budget is good simply because we have not

imposed tax that is not the correct propostion. We must be able to pay tax. In the words of Rabindra Nath Tagore :.:,:::

"—— বিপদে মোরে রক্ষা করো;
এ নহে মোর প্রার্থনা,
বিপদে যেন
করিতে পারি জয়।"

:,:::... It is not my prayer that you should protect me from the danger but that you must give substantial strength so that we can face the danger. So, here also, I do not like to say that you should not levy any tax. Rather I like to say, levy tax and make me capable of paying it. That Budget will be a good one which can make the people pay more and more taxes and makes more money available but then the people must be equally capable to pay the taxes. If they are capable to pay taxes, levy it. Therefore, the Budget is good, though on the other hand I should say means to cnhonce capability to pay more taxes must be there More taxes means more developmental works and more benifit to the people. We want to increase the ability of the people. That is what should be the purpose of the Budget.

Sir, another member has observed that whenever you go to a village and find a dilapidated house it is either school or a Nam Ghar. But what does it not indicate ? Does it not indicate some Sort of callousness on the port of the sockty ? We will have to rebuild that dilapidated School or Nam Ghar instea1 of hab-ituallg complaining to the Government. but it is for the people and they are to constvect it instead of waiting for the gut alone. If we cannot build up ovey the sch-ool building or the Nam Ghar, what we are in the village for ? Therefore, that is lack of initiatine and it must be developed, and we must have that dilapidated bui-lding vepairod. Therefore, all point to one thing that we must increase our won abillity. Unless we have the ability we cannot have a good financial condition either.

Sir, another member has suggested that all our efforts should be to increase the welfare activities for the people, because it is a State, which is functionig for the welfare of the people. That is true. But then if we devote all our resources only to the welfare activities wherefrom will all these resources come ? We must strike a balance, bilisation of resources on one hand and utilisation of resources for the weltare of the people on the other, As a matter of fact, what for

we are here ? We are only to mobilise our resources to be spent for the welfare of the people. We are to look into the condition of the State. Because we have not able to mobilise our resources, we have not been able to spend for the welfare of the people. As I have already said, there is difference between a surplus State and a deficit State. In the surplus State resources are available because there is no more developmental works. But in a deficit State, there is no resources, not even to meet the establishment cost. How can we have developmental activities in such a deficit State like ours ? So, there is always a difference between mobilisation of resources and utilisation of available resource for the welfare of the people. I fully appreciate the Hon' ble member' s anxiety that more and more resourcese should be applied for the welfare of the people. But for that purpose we have been trying our best to mobilise our resources whereve we can.

Sir, one member referred to the World Benk project. There is lot of suspicion. I appeal to the Member to see that no string is unduly attached to that project so that designing elements may not creep in to creat troubles in the State. Sir, I can assure the Hon 'ble Member

that enough precauion will be taken so that no such things can happen.

I fully appreciate the Hon'ble Member's reference to the Mahkuma Parishad plans that we had prepared earlier. Differences are there, but they can be nsed for implementation of the 20 point programme and then we have other welfare works also.

Another Hon'ble Member has suggested that there has been some laxity in attitued with the passage of time I can assure the Hon'ble Member that we would see to it and take certan steps. He has suggeted that method of seret chaking shuuld be draftde for maintaining discipline. We should see that discipline that has been imposed upon is maintained in every sphere, whether in the factory or in the office. Everywhere discipline should be maintained. Unless discipline is maintained we will not be in at position to develop and it will not be possible for us to implement the 20 Point Programme. The implementation of 20 Point Programme requires a proper climate which can be created only through self-imposed discipline and we are maintaining that diseipeine at all levels

Sir, there are other points also which I would

have liked to cover. however as time in-hand is very limited and it will not be possible to reply to all other points as their the limited livre at my disposal. Some of the points will be replied to by my esteemedx colleague, Shri Chatra Singh Teron. He will also reply if any other point is raised subsequently. Thank you, Sir.

*শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :- মাননীয় উপাধ্যক্ষ মহোদয়, এটা অধ্যায় শেষ হল। বিয়া ঘৰত দৰা যে ৱাৰ পিচত অতিথি অহাৰ নিচিনাকৈ বৰ লগা হৈছে। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ উত্তৰৰ পৰাই আৰম্ভ কৰিছো। এটা কথা কৈছে যে আমাৰ বাজেটত কোনো নতুন কৰ লগোৱা নাই আৰু সেই কাৰণে সদস্য সকলে ভাল পাইছে। এখন দেশৰ আৰ্থিক অৱস্থা, ইয়াৰ উন্নয়ন বাজেটত নতুন কৰ বহুৱাইছে নে নাই সেইটো কথা বৰ মুখ্য কথা নহয়। এটা কথা হল যে আমাৰ দেশৰ জনসাধাৰণৰ ওপৰত কৰ বহুৱাব পৰা ক্ষমতা বা কৰ দিব পৰা ক্ষমতা আছে নে নাই ? এই কথাটোলৈ আমি লক্ষ্য কৰিব লাগিব। সেই ফালৰ পৰা আমাৰ দেশ খনৰ যিটো অৱস্থা হৈছে তাত কৰ বহুৱালৈ নতুন স্থল নাই। জনসাধাৰণৰ নতুন কৰ দিয়াৰ যোগ্যতা বা তেওঁলোকৰ সামৰ্থ্য নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে নতুন কোনো কিন্তু সংগ্ৰহৰ স্থল নাই সেই কাৰণে নতুন উন্নয়ণ মূলক আচনি লব পৰা হোৱা নাই। কিন্তু সেই কথাটো সত্য নহয়। কাৰণ আমাৰ ৰাজ্য খনৰ জনসাধাৰণৰ ওপৰত নতুন কৰ নবহোৱাকৈ ইয়াৰ সম্পদ উদ্ঘাটন কৰিব পাৰে আৰু সম্পদ-সংগ্ৰহ কৰাৰ স্থল আছে। বাজেট বক্তৃতাত মুখ্যমন্ত্ৰী মহোদয়ে তেনেকুৱা বয়েলটিৰ কথা উল্লেখ কৰা

* Speech not Corrected

নাই। আগৰ মতে আমাৰ তেলৰ ৰয়েলটি প্ৰতি টনত ১৫ টকা পোৱা হৈছিল। সেইটো বৃদ্ধি কৰিব লাগে বুলি চৰকাৰৰ ভৱফৰ পৰা দাবী উত্থাপন কৰিছিল। আমাৰ দাবী আছিল যে প্ৰতি টন খাৰুৱা তেলৰ ৰয়েলটি ৭৫ টকা হব লাগে। কিন্তু সেইটো হোৱা নাই। কিছু বাঢ়িছে। এই কথাটো অকণো উল্লেখ কৰা নাই। চৰকাৰৰ দাবী সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰে যিটো নিৰ্দ্ধাৰণ কৰিছে তাত সন্তুষ্ট আছে নে নাই বাজেট বক্তৃতাত উল্লেখ কৰা নাই। ইয়াৰ পৰা যি খিনি নতুন নিবীথ বন্ধা হৈছে তাৰ কিমান খিনি ৰাজহ হবগৈ এই কথাৰ কোনো উল্লেখ নাই। কিছুমান কৈছে যে এই আশাবাদী বাজেট। এই বাজেট খনৰ উল্লেখ কৰা মতে যদি বিত্তীয় অবস্থা ভালকৈ বিশ্লেষণ কৰি চাও তেতিয়াহলে দেখা যাই যে ধাৰৰ বোজা বেচি হৈছে। এই বছৰৰ শেষত ধাৰৰ বোজা হবগৈ ৪২৮'০৪ কোটি টকা। এই ধাৰৰ অকল সুদৰ বাবদ দিব লাগিব ২৫'৩০ কোটি টকা। এই দৰে হলে আমাৰ দেশৰ আৰ্থিক অবস্থা কি হবগৈ পাৰে, ? ইয়াৰ ফলত আমাৰ দেশত অবস্থা শোচনীয় হৈছে। এই বিলাক লক্ষ্য কৰিব লগীয়া কথা। অৱশ্যে দোষাৰোপ কৰা হৈছে যে আগৰ ধাৰ বিলাক জমা হৈ এই অবস্থা হৈছে। তাৰ কাৰণে আগৰ শাসক সকলক দোষাৰোপ কৰিছে। কিন্তু আমি এইটো কথা মনত ৰাখিব লাগিব যে স্বাধীনতাৰ পিচৰ পৰা একে দলে একেৰাহে এই চৰকাৰৰ শাসনত অধিষ্ঠিত হৈ আছে। তেওঁলোক বই ইয়াত কি কাৰ্য্য কৰিছে, কু কাৰ্য্য কৰিছে সকলো আছে। এই যে ইমান ধাৰৰ বোজা হল ধাৰ বিলাক কলৈ গল ? জনসাধাৰণলৈ যোৱা ধাৰ নহয়। চৰকাৰে কিছুমান অনুষ্ঠানক কোটি কোটি টকা ধাৰ দিছে। যেনে ইলেক্ট্ৰিচিটি বোৰ্ডক ধাৰ দিছে বিভিন্ন চৰকাৰী নিগমক ধাৰে দিছে। এই বিলাক লাখ লাখ কোটি কোটি টকা লোকচান ভৰি আছে। সিদিনা প্ৰশ্নোত্তৰ কালত উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে কৈয়ে অকল গুৱাহাটী উদ্যোগ পামত লাখ

লাখ টকা ঘৰ ভাড়া আদিত বাকী আছে। এখন উদ্যোগ প্ৰতিষ্ঠানে ২০-৩০ লাখ টকা দিবলৈ বাকী আছে। তেওঁলোকক ৰেহাই দিছে, কিয় ৰেহাই দিব লগা হৈছে? সাধাৰণৰ কৃষক বা সৰু শিল্পী সকলৰ পৰা ঋণ আদায়ৰ ক্ষেত্ৰত কুৰুক আদি কৰি ধন আদায় কৰা হৈছে। জনসাধৰেণে ঋণ পৰিশোধ কৰিব নালাগে বুলি কোৱা নাই। ঋণ পৰিশোধ কৰিব লাগে। আৰু আদায় কৰিব লাগে। কিন্তু এই ক্ষেত্ৰত বৈষম্য-মূলক ব্যৱস্থা চৰকাৰৰ ফালৰ পৰা আছে। নিম্নস্তৰৰ ৰাইজক সাহায্য কৰাৰ কথা মুখত কয় কাৰ্য্য ক্ষেত্ৰত হোৱা নাই। তাৰ ওলোটা হৈ আছে। ক্ষুদ্ৰ খেতিয়ক সকলক বা ক্ষুদ্ৰ বেপাৰী সকলক ঋণ আদায়ৰ ক্ষেত্ৰত জোৰ-জুলুম কৰা হৈছে। কিন্তু বৃহৎ শিল্প বা বৃহৎ ব্যৱসায়ী সকলৰ তাত হাত দিব পৰা নাই। খজনা আদায়ৰ ক্ষেত্ৰত জনসাধাৰণক জুলুম কৰা হয়। তেওঁলোকৰ মাটি খাজনা আদায় কৰাৰ কাৰণে যিসকলক নিয়োগ কৰা হৈছে তেওঁলোকে ৰাইজৰ পৰা খাজনা আদায় কৰি টকা আত্মসাৎ কৰি বহি আছে। তেওলোকক ইন্সটলমেন্ট আদি দি আদায় দিবলৈ কোৱা হৈছে। কিন্তু আদায় দিয়া নাই। তেওলোকৰ ওপৰত কোনো ব্যৱস্থা লোৱা নাই। আজি এই ধৰণে আমাৰ বিত্তীয় অৱস্থা শোচনীয় হৈ পৰিছে। ১৯৪৮ চনৰ পৰা লাখ লাখ টকা শিল্প ঋণ আদি দিয়া হৈছে কিন্তু আদায়ৰ কাৰণে কোনো ব্যৱস্থা হোৱা নাই। এই বিলাক কাৰণত আমাৰ অৰ্থনৈতিক অৱস্থা চৰম দুৰ্যোগৰ সন্মুখীন হৈছে। কুৰি দফীয়া আচনিত ভুমি বিতৰণৰ কথা কোৱা হৈছে। কি ধৰণে ভুমি বিতৰণ কৰিছে? একোটা পৰিয়ালৰ ভাগত তিনি বিঘাকৈ মাটি পৰিছে।

এই তিনি বিঘা মাটিত একোটা পৰিয়ালে যে কেনেকৈ খেতি কৰিব আমি ভাবি নাপাওঁ। এই তিনি বিঘা মাটিত খেতি কৰি একোটা পৰিয়ালৰ আৰ্থিক উন্নতি কেনেকৈ উন্নতি কৰিব বুজি পোৱা নাই।

একোটা পৰিয়ালক তেওঁলোকৰ ইকনমিক হোল্ডিং হিচাবে পৰিয়ালটোই যাতে উৎপাদন বৃদ্ধি কৰি মানুহ হিচাবে জীয়াই থাকিব পাৰে সেই হিচাবে মাটি দিয়াৰ ব্যৱস্থা কৰিব লাগে। কিন্তু তাকে নকৰি কৃষিদক্ষিয়া আচনিৰ কাৰ্যকৰী কৰাৰ নামত দুই এবিঘা মাটি দিলে ভূমিহীনৰ বা কৃষকৰ সমস্যাৰ কেতিয়াও সমাধান নহয়। মাটিৰ লগতে আমি উন্নত ধৰণৰ সা-সজুলি কিবা দিছোনে দিয়া নাই।

উপাধ্যক্ষ মহোদয়, বিধান সভাত গ্ৰাম্য ঋণগ্ৰস্থ বিল পাচ কৰা হ'ল কাৰ্য্যকৰী আৱশ্যে হোৱা নাই। এই ক্ষেত্ৰত এই সকল লোকে ধনী মহাজনৰ পৰা ঋণ নাপায় তাত আপত্তি কৰিবলগীয়া একো নাই কিন্তু তাৰ এটা অলটাৰনেট ব্যৱস্থা আজিলৈ হৈ উঠা নাই। এইবিলাক ব্যৱস্থাই সৰ্ব্বসাধাৰণ ৰাইজৰ বিশেষ উপকাৰ আনিব পৰা নাই বৰং বেছি আহুকালহে সৃষ্টি কৰিছে। সেই কালৰ পৰা অৱস্থাৰ উন্নতি হোৱা নাই।

উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা কথা উল্লেখ কৰিব বিছাৰিছো— জৰুৰী অৱস্থাত বিভেদকামী শক্তি সমূহে গা দাঙি উঠিব নোৱাৰে বুলি কৈছে। সিদিনা শিল্প মন্ত্ৰী মহোদয়ে জৰুৰী অৱস্থাৰ ভিতৰত কিমান ইণ্ডাষ্ট্ৰীয়েল ইউনিট বন্ধ হৈছে কব নোৱাৰো বুলি কৈছে তেখেতে যিখন কাগজ সদনৰ মজিয়াত ৰাখিছিল তাতে এই কথাটোৰ উল্লেখ আছে গুৱাহাটী উদ্যোগপামৰ ৪ টা ইউনিত যোৱা নবেম্বৰ মাহতে বন্ধ হৈছে। জৰুৰী অৱস্থাৰ সময়ত হৰতাল ষ্ট্ৰাইক বন্ধ কৰা হ'ল কিন্তু মালিকৰ লকআউট বন্ধ কৰা দেখা নাই। ইয়াৰ ফলত উৎপাদন বন্ধ হৈছে আৰু হাজাৰ হাজাৰ বনুৱা কৰ্মচ্যুত হৈছে তালৈ কোনেও লক্ষ্য কৰা নাই। এই খিনিতে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীআব্দুল হান্নান চৌধুৰী :— উপাধ্যক্ষ মহোদয় ১৯৭৬-৭৭ চনৰ

বাবে বিত্তমন্ত্ৰী তথা মুখ্যমন্ত্ৰী মহোদয়ে আয়ব্যয়ৰ যি হিচাব সদনত দাঙি ধৰিছে তাৰ প্ৰতি মই ওলগ জনাইছো। আৰু এই সংক্ৰান্তত দুষাৰমান কথা কবলৈ ইচ্ছা কৰিছো।

উপাধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত শতকৰা ৯০ ভাগ মানুহে গাওঁত বাস কৰা মানুহ আৰু বেছিভাগেই গৰীব মানুহ এই মানুহবিলাকৰ উন্নতি সাধন কৰিবলৈ হলে আমি প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা কুবিদফীয়া আচনি ফলৱতী কৰিব লাগিব। কুৰীদফীয়া আচনিলৈ আমাৰ বহুতো বিৰোধী সদস্যই নানা মতামত প্ৰকাশ কৰিছে। আমাৰ বিৰোধী সদস্য কিছুমানে কৈছে এইটো কলা নে বগা, বজাৰত কিনিবলৈ পায় নে নেপায় কৈছে। কিন্তু কুৰীদফীয়া আচনি বগাও নহয় কলাও নহয় আৰু তাক বজাৰত কিনিবও নোৱাৰি। যেনেকৈ গাখীৰ ফটাই চানা কৰি সেই চনাৰ পৰা ৰসগোল্লা তৈয়াৰ কৰে তেনেকৈ কুবিদফীয়া আচনি অন্য তেনেকুৱা পৰীক্ষা কৰি পূৰ্ণপৰ্য্যায়ত ৰূপ দিবলাগিব। বিৰোধী সদস্য সকলোবোৰ আমাৰ নিচিনা একে ইচ্ছা আছে, গৰীব জনসাধাৰণক খাবলৈ পিন্ধাবলৈ বা উন্নতিসাধন কৰিবলৈ, কিন্তু অৱস্থাত পৰিছে এনে মতামত পোষণ কৰিছে। মই তেখেত সকলক অনুৰোধ কৰিছো তেখেত সকলে এই মনোভাব পৰিহাৰ কৰি উমৈহতীয়া ভাবে দুখীয়া জনসাধাৰণৰ উন্নতিসাধন কৰিবলৈ আগবাঢ়ি আহক।

উপাধ্যক্ষ মহোদয়, আমি গাওঁৰ দুখীয়া জনসাধাৰণৰ উন্নতি সাধন কৰিবলৈ কেইটামান কথা চাব লাগিব সেই কেইটা হ'ল কৃষি, পশুপালন, মীন পালন, ৰেশম আৰু বয়ন ইত্যাদি। কৃষিৰ উন্নতি কৰিবলৈ হলে আমি বৈজ্ঞানিক পদ্ধতিৰে সাৰৰ লগতে আমাৰ আগৰ গোবৰ বা ইত্যাদি জাতীয় সাৰৰ ওপৰত মনোযোগ দিব লাগিব। তাৰ কাৰণে কৃষি বিভাগে আমাৰ জনসাধাৰণক উত্সাহিত কৰিবলাগিব। এইবাৰ কৃষি ভাল হোৱা কাৰণে কৃষি মন্ত্ৰীয়ে হয়তো গৌৰব কৰিছে কিন্তু মোৰ বিশ্বাসেৰে তাৰ

কাৰণে তেখেত গৌৰব পাত্র নহয়। ভগবানৰ ইচ্ছাত যোৱা বছৰ আমাৰ বতৰ ভাল হোৱা বাবে খেতি ভাল হৈছে। গতিকে অহা বছৰো যে হব তাত বিশ্বাস নাই আমি সেইকাৰণে আগৰে পৰা কৃষিৰ উন্নতিৰ ফলৱতী ব্যৱস্থা বিলাক সাজু ৰাখিব লাগিব। সেইকাৰণে আমাৰ যিবিলাক আগতীয়া ব্যৱস্থা জলসিঞ্চন বা নলী নাদ বহুৱাও সেইবিলাক আগতীয়াকৈ কৰি ৰাখিব লাগে। খেতিৰ উন্নতি কৰিবলৈ হলে যিবিলাক ভাল মাটি বা পানী জমা হৈ নাথাকে, অৰ্থাত যিবিলাক অনুসূচীত জাতিৰ মানুহক বিলৰ কাৰণে ৰাখি আছে সেইবিলাক খেতিৰ কাৰণে বিতৰণ কৰি দিব লাগে। এই কথাটো মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচাৰ কৰিলো।

উপাধ্যক্ষ মহোদয়, কৃষিৰ পাচতে আমি আজি সমাজত চিন্তা কৰিবলগিয়া বিষয়টো হৈছে আমাৰ সমাজত নিবনুৱা যুৱক যুৱতীৰ সংখ্যা বাঢ়ি গৈছে। বিশেষকৈ মহিলা সংখ্যা বাঢ়ি হৈছে। গতিকে এই মহিলা সকলৰ কাৰণে যদি আমি কাপোৰ আদি ঘৰতে বব পৰা কৰি দিও ভাল হয়। আজি আমাৰ দেশত মণিপুৰী ফেণ্ডলুমৰ কাপোৰ কিনিবলগীয়া হৈছে, তাৰ সলনি আমাৰ মহিলা সকলক যদি এই সুবিধা দিও নিশ্চয় তেওঁলোকে বহুত উন্নতি কৰিব। আজি যদি আমাৰ বেচম আৰু বয়ন এই দুটা বিভাগ উন্নত কৰিব পৰা হব তেতিয়াহলে দুখীয়া মাহলা সকলৰ কাৰণে জীৱিকাৰ বাট উলিয়াই দিব পাৰিম। সেই কাৰণেই মই মন্ত্রী মহোদয়ক অনুৰোধ কৰো অন্য বিভাগৰ দৰে এই বিভাগটো এলাপেচা ভাবে নাৰাখি উন্নত কৰিবলৈ চেষ্টা কৰে।

মাটি বিতৰণৰ ক্ষেত্রত মই কেইটামান কথা কব বিচাৰিছো। মোৰ সমষ্টিত মাটিৰ কিছুমান খেলিমেলিৰ ১৯৫৭ চনৰ পৰাই আছিল এই বিলাক নিস্পত্তি কৰিবলৈ মন্ত্রী ডাঙৰীয়া সমৰ্থবান হোৱাৰ কাৰণে মই তেখেতক ধন্যবাদ জনাইছো। মই তেখেতক অনুৰোধ কৰিছো যাতে

তেখেত অফিচাৰ সকলৰ মেৰপাকত নপৰে । মই এটা উদাহৰণ দিও । এদিন তেখেতে এটা হুকুম দিছিল যে চৰ অঞ্চলত ১ বিঘাকৈ মাটি দিব লাগে। এই হুকুমটোৰ কথা মহকুমাধিপতিক কোৱাত তেখেতে কলে যে আমি মন্ত্ৰীৰ হুকুম শুনিবলৈ ইয়াত বহি থকা নাই । ওপৰৰ হুকুম আহিব লাগিব। আমাৰ পঞ্চায়তত সমপৰ্য্যায়ত যি মাটি বিতৰণ কৰাৰ কাৰণে কমিটি কৰি দিছে । তাৰ কাৰণে কোনো ভাট্টা দিয়া নাই ভাট্টা নোপোৱাৰ কাৰণেই কাম নকৰাকৈ চৰকাৰৰ দায়িত্ব লৈ বহি থাকিলে আমাৰ সমাজৰ কোনো উন্নতি হব নে নহব কব নোৱাৰে । চৰকাৰে যদি সকলো বিলাককে যাতায়ত ভাৰে দিবলগীয়া হয় আৰু নিদিলে যদি কাম নকৰে তেন্তে আমাৰ কৃষিদক্ষীয়া আচনি কেতিয়াও কৃতকাৰ্য্য নহব ।

মিঃ ডেপুটি স্পীকাৰ :— আপোনাৰ সময় শেষ হল ।

শ্ৰীআব্দুল হান্নান চোধুৰী :— শিক্ষাৰ সম্পৰ্কত সকলোৱেই কৈছে । মই মাদ্ৰাচা আৰু স্কুল বিলাকৰ সম্পৰ্কত কব বিচাৰিছো স্কুল বিলাকে সংস্কৃত শিক্ষাৰ কাৰণে গ্ৰাণ্ট পাইছে কিন্তু মাদ্ৰাচা শিক্ষাৰ কাৰণে গ্ৰাণ্ট দিয়া হোৱা নাই । এই কথালৈ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

গড়কাপ্তানী বিভাগে যিবিলাক কাম কৰিছে সেই বিলাক ভালেই কৰিছে । আমাৰ যাতে মিনিমাম নিদ প্ৰগ্ৰেমৰ টকা বিলাক ঘূৰাই দিবলগীয়া নহয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে ।

মিঃ ডেপুটি স্পীকাৰ :— আৰু কব নোৱাৰে ।

শ্ৰীআব্দুল হান্নান চোধুৰী :— Excise বিভাগৰ সম্পৰ্কত কও যে মদ নিবাৰণীৰ কাৰণে যদিও অভিযান চলাইছে, এইটো নিবাৰণ কৰিব পৰাতো সম্ভৱ নহব । কাৰণ পুৰুষানুক্ৰমে মদৰ প্ৰচলন হৈ আহিছে

আনকি মহাদেৱেও মদ ভাং খাইছিল। তথাপিও চৰকাৰে মদনিবাৰণ কৰিবই লাগিব। আৰু আজি সমাজৰ উন্নতিৰ কাৰণে এটা অভিজ্ঞাত সহায় কৰিব লাগিব।

*শ্ৰী কন্দৰ্প কুমাৰ দাস :— মাননীয় বিত্তমন্ত্ৰী তথা মুখ্য মন্ত্ৰী ডাঙৰীয়াই আয় ব্যয়ৰ যিটো হিচাব ডাঙি ধৰিলে এইটোৰ সমৰ্থন জনাই মই কেইটামান কথা কব বিচাৰিছো। আমাৰ দেশ স্বাধীন হোৱাৰ ২৯ বছৰ হল। ভাৰত বৰ্ষৰ স্বাধীনতাৰ আন্দোলনৰ সময়ত জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল যে ৰাজনৈতিক স্বাধীনতাৰ লগে লগে আমি অৰ্থনৈতিক স্বাধীনতাও লাভ কৰিব লাগিব। তেখেতৰ ৰাজনৈতিক স্বাধীনতাৰ সপোন বাস্তবত ৰূপায়িত হল কিন্তু অৰ্থনৈতিক স্বাধীনতাৰ সপোন বাস্তবত ৰূপায়িত নহল। স্বাধীনতাৰ ২৯ বছৰৰ পিচতো আমাৰ দুখীয়া মানুহ বিলাকৰ অৰ্থনৈতিক অৱস্থা টনকীয়াল নহল। আমাৰ চৰকাৰে খেতিয়ক সকলৰ উন্নয়নৰ কাৰণে কিছুমান আচনি হাতত লৈছে। এই আচনি বিলাক বাস্তবত ৰূপায়িত কৰিবৰ কাৰণে যেতিয়াই চৰকাৰে চেষ্টা কৰে তেতিয়াই পুঁজিপতি সকলে, প্ৰতিক্ৰীয়াশীল শক্তি বিলাকে চৰকাৰৰ আচনি বিলাক কৃতকাৰ্য্য হোৱাত বাধা জন্মাবৰ কাৰণে আন্দোলন গঢ়ি তোলে। জৰুৰী অৱস্থা ঘোষণা কৰাৰ আগতে এটাৰ পিচত এটাকৈ আন্দোলন হৈয়ে আছিল। চৰকাৰেই যেতিয়াই উন্নয়ন মূলক আচনৰ ব্যৱস্থা কৰে তেতিয়াই ইয়াত বাধা দিবৰ কাৰণে প্ৰতিক্ৰিয়াশীল শক্তি বিলাকে আন্দোলন গঢ়ি তোলে। সেই কাৰণেই প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে জৰুৰী অৱস্থা ঘোষণা কৰাৰ পিচতেই কুৰিদফীয়া আচনি ঘোষণা কৰিলে। এই জৰুৰী অৱস্থাৰ জৰিয়তে যাতে দেশত কোনো আন্দোলন কৰিব নোৱাৰে চৰকাৰে লোৱা আচনি বিলাক যাতে

* Speech not Corrected

শান্তিপূর্ণ ভাবে বাস্তবত ৰূপায়িত কৰিব পাৰে তাৰ কাৰণেই এই জৰুৰী অৱস্থা ।

উপাধ্যক্ষ মহোদয়, অমাৰ শতকৰা ৮০ ভাগ মানুহ গাৱত বাস কৰে । এই গাৱত বাস কৰা লোক সকলে খেতি কৰে । তেওঁলোকৰ জীৱিকাৰ অৱলম্বন হৈছে খেতি । কিন্তু এই খেতিয়ক সকলৰ অৱস্থা দেখিলে দুখ লগা । স্বাধীনতাৰ ইমান বছৰৰ পিচতো এই লোক সকলৰ অৱস্থাৰ উন্নতি নহল । আজি যদি পাঞ্জাব বা হাৰিয়ানালৈ যায় তাত দেখিব যে ১ ইঞ্চি মাটিও বিনা জলসিঞ্চনে পৰি থকা নাই । তেওঁলোকে কোটি কোটি টকা খৰচ কৰি জলসিঞ্চনৰ ব্যৱস্থা কৰিছে । উপাধ্যক্ষ মহোদয়, অসম নদ নদীৰে পৰিপূৰ্ণ । অসমত ডাঙৰ নদীৰ ওপৰিও কিছুমান সৰু সৰু জান জুৰি আছে । মই কৃষি মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো মই বিধান সভালৈ সদস্য হৈ অহাৰ পৰাই এটা পৰামৰ্শ আগবঢ়াই আহিছো কিন্তু মোৰ এই পৰামৰ্শলৈ দৃষ্টিপাত কৰা নাই । অসমত যি বিলাক সৰু সৰু জান জুৰি আছে সেই বিলাক ৰাইজৰ লগত পৰামৰ্শ কৰি যদি জলসিঞ্চনৰ ব্যৱস্থা কৰা যায় কোটি কোটি টকা খৰচ কৰি চৰকাৰে যি জলসিঞ্চনৰ ব্যৱস্থা কৰিছে আৰু ইতিমধ্যে হৈয়ে আছে যৰ পৰা খেতিয়কে এটুপা পানীও পোৱা নাই সেই বিলাকৰ পৰা ৰাইজৰ একো উপকাৰ নহব । মই জলসিঞ্চন মন্ত্ৰীক পৰামৰ্শ আগবঢ়াইছো তেখেতে দিশপুৰত বিষয়া সকলৰ লগত আলোচনা নকৰি পথাৰলৈ গৈ খেতিয়ক সকলৰ লগত আলোচনা কৰি যদি জলসিঞ্চনৰ ব্যৱস্থা কৰে তেনেহলে দুই বছৰৰ ভিতৰতে অসম শস্যৰে নদন বদন হৈ পৰিব । মই উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে পৰামৰ্শ আগবঢ়াইছো আশা কৰিছো যদি এনে ধৰণৰ ব্যৱস্থা কৰে তেন্তে ৰাইজৰ অৱস্থা নিশ্চয় উন্নত হব ।

উপাধ্যক্ষ মহোদয়, চৰকাৰে ঘোষণা কৰা ২০ দফীয়া আৰ্থনিৰ

দ্বাৰা ভূমিসংস্কাৰৰ কাৰণে কিছুমান ব্যৱস্থা কৰিবলৈ বিচাৰিছে । কিন্তু আজি যিবিলাক কমিটি গাওঁ পঞ্চায়ত ভিত্তিত গঠন কৰা হৈছে সেই কমিটি বিলাকে মাটি বিতৰণ কৰাৰ ক্ষেত্ৰত যিমান খিনি আগ্ৰহান্বিত হব লাগিছিল সিমান খিনি হোৱা নাই তাৰ ফলত ভূমি সংস্কাৰৰ ক্ষেত্ৰত যিমান দূৰ আগবাঢ়িব লাগিছিল সিমান দূৰ আগবাঢ়িব পৰা নাই । মই সেই কাৰণে মাননীয় ৰাজ্যিক ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰীয়তে এটা পৰামৰ্শ আগবঢ়াব বিচাৰো যে — তেখেতে যাতে দিশপুৰৰ ৰাজধানীতে বহি ৰাজহ বিভাগৰ বিষয়া সকলৰ লগত বহি আলোচনা নকৰি মহকুমা পৰ্য্যয়ত এই যিবিলাক ভূমি সংস্কাৰ কমিটি আছে সেই বিলাকৰ লগত আলোচনা কৰি ৰাজহুৱা মিটিং পাতি যদি তাত এই ভূমি সংস্কাৰৰ কথা বিলাক আলোচনা কৰে তেতিয়াহলে এই ভূমি সংস্কাৰৰ নীতি বিলাক বাস্তৱত ৰূপায়িত কৰিব পাৰিব । যোৱা ২ মাহ মান আগতে আমাৰ সমষ্টিতে এখন এই ধৰণৰ ৰাজহুৱা মিটিং পাতি তাত যিবিলাক গাওঁ পঞ্চায়তৰ কমটি আছিল সেই — সকলোকে লৈ আলোচনা কৰি মাটি বিতৰণ কৰা হৈছিল তাত আমাৰ স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল আৰু আমাৰ ৰাজহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিল, ইয়াৰ দ্বাৰা ৰাইজে যথেষ্ট সন্তুষ্ট হৈছিল গতিকে এই ব্যৱস্থা যদি অকল ইয়াতে নকৰি আন আন ঠাইতো কৰে তেতিয়াহলে অচিৰে আমাৰ ভূমি সংস্কাৰৰ সমস্যা সমূহ দূৰ হব । তাৰ পিচত আমাৰ এই ৰাজহ বিভাগৰ দ্বাৰা আমাৰ দুখীয়া মানুহ বিলাকৰ ঘৰত যদি জুই লাগে তেতিয়াহলে ৰিলিফৰ নামত ২৫ টকাকৈ সাহাৰ্য দিয়ে, কিন্তু এটা কথা আমাৰ বেছি ভাগ দুখীয়া মানুহৰ অসাৱধানতাৰ কাৰণে জুই লাগে এই লোক সকলৰ নামত ২৫ টকাকৈ সাহাৰ্য্য দিয়াৰ নামত ডাঙৰকৈ আখৰেৰে লিখি একো লাভ নাই গতিকে মই কব বিচাৰিছোঁ যাতে এই সহাৰ্য্য

অতি কম হলে ৫০০ টকা দিব লাগে। উপাধ্যক্ষ মহোদয়, মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত আমাৰ বহুতো আলোচনা হৈ গৈছে, অথচ সোনাপুৰত থকা এখন চাহ বাগিছাৰ আঢ়ৈ লাখ টকাৰ ঠাইত ৫০ লাখ দিবলগীয়া হল। এইবিলাকৰ ক্ষতিপূৰণ দিবলগীয়া নহলহেতেন যদি চৰকাৰে এপিল কৰিলেহেতেন। সেইকাৰণে আপোনাৰ জৰীয়তে মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যাতে তাত এপিলৰ ব্যৱস্থা ৰাখে।

উপাধ্যক্ষ মহোদয়, আমাৰ যি সকল দুখীয়া জনসাধাৰণ আছে তেওঁলোকৰ অৰ্থনৈতিক বুনিয়াদ গঠন কৰাৰ অৰ্থে চৰকাৰে গোটেই অসমতে ৬৬৩ খন সমবায় সমিতি গঠন কৰিছে আৰু ইয়াৰ দ্বাৰা আমাৰ যি সকল একেবাৰে তলত থকা লোক আছে তেওঁলোকৰ দৈনন্দীন জীৱন যিবিলাক বস্তুৰ প্ৰয়োজন সেইবিলাক সুবিধা আগবঢ়োৱাৰ কাৰণে এই সমবায় গঠন হৈছিল। কিন্তু বৰ দুখৰ বিষয় যে এই বিষয়ে মই ৰাজ্যপালৰ ভাষনতো উত্থাপন কৰিছিলো আৰু কেইদিনমান পাচতে বৰপেটালৈ গৈছিলো তাত গৈ দেখা এখন সববায় সমিতিৰ সভাপতিয়ে ৪। ৫ হাজাৰ টকা খাই বহি আছে, আনকি নটিচ দিয়াৰ পিচতো সেই টকা আদায় কৰা নহল তালৈ টেলিগ্ৰামো গৈছিল, তৰোপৰি তাত এটা গ'দাউন নিৰ্ম্মান কৰা হৈছে ৩২ হাজাৰ টকা খৰচ কৰি কিন্তু সেই গোদাউনটো হাতেৰে লাৰিলে ঘৰৰ বেৰাৰ পৰ্যন্ত এৰি যোৱাৰ অৱস্থা হৈ আছে অথচ তাত ইমান টকা খৰচ হৈ আছে, গতিকে এই ধৰণে যদি সমবায় সমিতি কৰি টকা-পইচা অপব্যয় কৰে তেন্তিয়াহলে কেনেকৈ সমবায় আগবাঢ়িব। এনেবিলাক মানুহৰ ওপৰত শাস্তি বিধান নকৰাৰ কাৰণে তেওঁলোকে ৰাইজৰ ধন ভোগ কৰি আছে আৰু সেইকাৰণে এই সমবায়ৰ প্ৰতি ৰাইজৰ আগ্ৰহ নোহোৱা হৈছে আৰু আস্থা একেবাৰে নাইকীয়া হৈ গৈছে। ঠিক সেইদৰে মোৰ সমষ্টিৰে পূব বেতবাৰী সমবায় সমিতিত

এবাতিৰ ভিতৰতে হিচাব কৰি প্ৰায় ৩ হাজাৰ মান টকাৰ গণ্ডগোল দেখিলো, অৱশ্যে তাৰে প্ৰায় ডেৰ হাজাৰ মান টকা পোৱা গৈছে কিন্তু বাকী খিনি আৰু পোৱা নগল। ঠিক সেইদৰে আৰু এঠাইত মোৰ সমষ্টিতে এজনে বহু টকাৰ অপচয় কৰি সেই সমবায় সমিতিৰ পৰা ৰেজিষ্ট্ৰেশ্যন নিদিয়াকৈ বেপাৰে চাৰ্ভিচত সোমাইছে অথচ তেওঁ বহু টকা দিবলৈকে থাকিল, এনেবিলাক ঘটনা এই সমবায় সমিতি বিলাকত চলি আছে। গতিকে উপাধ্যক্ষ মহোদয় যি পবিত্ৰ উদ্দেশ্য লৈ এই সমবায় সমিতি বোৰ গঠন কৰা হৈছিল আৰু যি সমবায়ে আমাৰ দুখীয়া গাঁৱৰ জনসাধাৰণৰ অৰ্থনৈতিক বুনিয়াদ তৈয়াৰ কৰা কথা আছিল সেই বিলাক এনেবিলাক প্ৰবৃত্তিয়ে মুষিমুৰ কৰিব, সেইকাৰণেই এই গোটেই সমস্যাটো ভালধৰণে অনুধাবন কৰি তাক সোনকালে তদন্ত কৰি এটা বিহিত ব্যৱস্থা লবলৈ মই আপোনাৰ জৰীয়তে দৃষ্টি নিক্ষেপ কৰিলো উপাধ্যক্ষ মহোদয়, আৰু বেচি নকও শিক্ষাৰ সংক্ৰান্তত মই এটা পৰামৰ্শ আগবঢ়াব বিচাৰিছোঁ যে আৰু যদি আমি এই প্ৰাক্ প্ৰাইমাৰী শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব নিদিও তেতিয়াহলে আমি শিক্ষাৰ ক্ষেত্ৰত যিমান দূৰ আগ-বাঢ়িব লাগে সিমান দূৰ আগবাঢ়িব নোৱাৰিম। আমাৰ ৬৬৩ খন মহিলা আবাসৰ কাৰণে ঘৰ বান্ধিবলৈ টকা দিয়া হৈছিল কিন্তু সেইটো হৈ উঠা নাই। গতিকে এই মহিলা আবাসৰ কাৰণে অতি সোনকালে প্ৰাইমাৰী আবাস গঠন কৰিব লাগে। উপাধ্যক্ষ মহোদয়, মই এটা কথাৰ প্ৰতি আপোনাৰ দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছোঁ যে আমাৰ ইয়াৰ পৰা ৬৩ মাইল দূৰত চন্দ্ৰপুৰত তৃতীয় শ্ৰেণী আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়ালৰ কাৰণে কোনো ঘৰ এতিয়ালৈ নিৰ্ম্মাণ হোৱা নাই অথচ সেই ঘৰ নিৰ্ম্মাণ হোৱা বুলি তাৰ বাবত বিলৰ টকা পেয়মেণ্ট হৈ গৈছে। হাজাৰ হাজাৰ টকা এই ধৰণে অন্যায় ভাবে ব্যৱহাৰ হৈ আছে কিন্তু চাকৰিয়াল সকলৰ কাৰণে কোনো ব্যৱস্থা নহল, তেওঁলোকে বহু সময়ত মজিয়াত পৰি দিন

কটাবলগীয়া হৈছে কিন্তু আৰ, চি, চি, বিল্ডিং হে থকাবুলি টকা পেয়মেণ্ট হৈ গৈছে। গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰীয়তে মই দৃষ্টি নিক্ষেপ কৰিব বিচাৰিছোঁ। যাতে গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অনতিপলমে এই তৃতীয় আৰু ৪ৰ্থ শ্ৰেণীৰ চাকৰিয়াল সকলৰ ওপৰত হোৱা এনেবিলাক দুৰ্নীতি অনতিপলমে দূৰ কৰে আৰু এই নিম্নবেতনভোগী চাকৰীয়াল সকলৰ কাৰণে থকা ঘৰ নিৰ্ম্মান কৰে। এইখিনিকে দৃষ্টি আকৰ্ষণ কৰি মই সামৰণি মাৰিলো।

Mr. Daputy. Speaker :— Now Mr. Kouli:

Shri Giasuddin Ahmed :— Sir. I also send my name in the list, as I came to understand some time is given:

Mr. Deputy Speakar :— No, the name was gived earler.

Shri Giausuddin Ahmed :— I have got some time from this side as I think there some surplus time given from the oppesition group.

Mr. Deputes Speaker :— No, this time is given for Cangress.

Shri Manabendra Sarma :— from my side, I have also get something to speak:

Mr. Deputy Speaker :— Now Mr. Kouli

*শ্ৰীৰমেশ মোহন কোলি :— উপাধ্যক্ষ মহোদয়, মই চুটিকৈ বাজেটৰ ওপৰত দুআষাৰ কবলৈ ওলাইছো। এই বাজেটখন দৰিদ্ৰ জনতাৰ দুখ দূৰীকৰণ কৰাৰ অৰ্থে তৈয়াৰ কৰাৰ পৰিবৰ্ত্তে এই খনে দৰিদ্ৰৰ সংখ্যা বৃদ্ধি কৰাহে সম্ভাবনা বেছি। ইয়াৰ কাৰণ কেইবাটাও। এই কাৰণবিলাক দেখ দেখকৈয়ে ওলাই পৰে যে আমাৰ চৰকাৰে যিবিলাক আচঁনি গ্ৰহণ কৰে সেইবিলাক বাস্তৱত পৰিণত কৰিব পৰা নহয়। অলপ আগতে মুখ্য মন্ত্ৰী মহোদয়ে কৈ গৈছে যে চৰকাৰে গ্ৰহণ কৰা আচঁনিবিলাক বাস্তৱত ৰূপায়িত কৰিবলৈ যাওঁতে আমাৰ যিটো সামাজিক দিশ সেইটোৰে একেবাৰে অৱহেলা কৰে। অকল চৰকাৰৰ শাসন যন্ত্ৰটোৱেই সমাজ এখনৰ পৰিবৰ্ত্তন আনিব নোৱাৰে। কিছুমান বেচৰকাৰী অনুষ্ঠান থাকে। এই অনুষ্ঠান বোৰে গৰীব জনসাধাৰণৰ উন্নতিৰ কাৰণে চৰকাৰে কিবা আচঁনি হাতত ললেই হস্তক্ষেপ কৰে। এই অনুষ্ঠান বিলাক শতকৰা ১০ ভাগ মানুহৰ হাতত ন্যস্ত থাকে, বাকী শতকৰা ৯০ ভাগ মানুহ এনে অনুষ্ঠান বিলাকৰ দ্বাৰা পৰিচালিত হয়, চৰকাৰৰ আচঁনিবিলাক কাৰ্য্যকৰী কৰণত এইবিলাকৰ কোনো অবদান নাই বা সাহসো নাই। গতিকে এই বাজেটখনত আঞ্চলিক বৈষম্যৰ লগতে আন কিছুমান বৈষম্য দেখা যায়। আমাৰ উত্তৰ লক্ষীমপুৰ জিলাখন অতি পিচপৰা এখন জিলা। তাত মহকুমা পতা হল, জিলা পতা হল কিন্তু যি ধৰণেৰে আচঁনি হাতত লোৱা হল সেই ধৰণেৰে তাত কাম কৰা হোৱা নাই। চাৰি ভাগৰ এভাগ হে মাথোন আচঁনি মতে কাম হৈছে বুলিব পাৰি। এই অঞ্চলটোৰ যাতায়াতৰ ব্যৱস্থা পিচপৰা। লক্ষীম পুৰৰ পৰা সোনাৰী ঘাটলৈ যিটো ৰাস্তা আছে তাত কোনো যান বাহনৰ সুবিধা নাই। উত্তৰ পাৰৰ লগত দক্ষিণ পাৰৰ কোনো সম্বন্ধ নাই। সেই অঞ্চলৰ প্ৰায় ১০ মাইল ৰাস্তা বছৰৰ ছমাহ কাল বৰষুণৰ লগে লগে

* Speech not Corracted

বন্ধ হৈ থাকে। উত্তৰ পাৰৰ লগত দক্ষিণপাৰৰ সম্বন্ধ স্থাপন কৰিবলৈ এই সমস্ত ৰাস্তাখিনি চৰকাৰীকৰণ কৰিব লাগে, আৰু চৰকাৰী বাচৰ ব্যৱস্থা কৰিব লাগে। জোনাইলৈ যিটো ৰাস্তা গৈছে সেই ৰাস্তাৰ ওপৰত কোনো দলঙৰ ব্যৱস্থা নাই, একমাত্র ৰেল পথৰ বাহিৰে তাত কোনো যাতায়াতৰ সুবিধা নাই। ধেমাজীত মহকুমা পতা হল। তাৰ যিটো টাওন এৰিয়া তাত যি বিদ্যুতৰ মেচিন দিয়া হল সেই মেচিন ৰাতি ৭ টাতে বন্ধ হয়। এইটো অসুবিধাৰ কথা যদি চৰকাৰে চিন্তা নকৰে তেন্তে তাৰ ৰাইজ এক বিপর্য্যৰ সন্মুখীন হব লগা হৈছে। উত্তৰ লক্ষী -মপুৰ আৰু ধেমাজী অঞ্চলত হস্পিতালৰ কোনো ব্যৱস্থা নাই। মানুহৰ বেমাৰ আজাৰ হলে তেজপুৰলৈ আহিব লাগে। এই দুৰাবস্থাবোৰ দূৰ নকৰিলে চৰকাৰে যিবিলাক আচঁনি তৈয়াৰ কৰিছে সেইবোৰ কাৰ্য্যকৰী হোৱা বুলি আমি ভাবিব নোৱাৰো।

জনজাতীয় লোকৰ কাৰণে যিবিলাক আচঁনি কৰিছে সেইবিলাক এই লোক সকলৰ কিবা কামত আহিছে বুলি কব নোৱাৰি। এই আচঁনিবিলাক প্ৰায় ৪০ কোটি টকাৰ আচঁনি আছিল আৰু এই টকা পঞ্চম পঞ্চ বাৰ্ষিক পৰিকল্পনাত ধাৰ্য্য কৰা হৈছিল। কিন্তু এই লোক সকলৰ সামাজিক দূৰীকৰণৰ কোনো ব্যৱস্থা নহল। ধেমাজী অঞ্চলত কানিৰ প্ৰচলন ইমান বেছি হৈছে যে কুৰি পশিচ বছৰীয়া ল'ৰাৰ পৰা আৰম্ভ কৰি তাত কানিৰ আদ্দা বহে। চাব প্লেনত ইয়াৰ টৰাদিকেচনৰ ব্যৱস্থা লব লাগিছিল। সামাজিক অৱস্থাৰ লগত সম্বন্ধ ৰাখি ব্যৱস্থা নকৰিলে এই টকাবিলাকৰ অপব্যৱহাৰ হব। আজি জনজাতীয় লোকৰ মাটি সমস্যাটোৱে উৎকট অৱস্থা ধাৰণ কৰিছে। নিজৰ মাটি নথকাৰ কাৰণে তেওঁলোক বনাঞ্চললৈ গৈ বসবাস কৰিব লগা হৈছে। ফলত তেওঁলোকক উচ্ছেদ কৰা হৈছে গড়পুৰ অঞ্চলৰ প্ৰায় ২০ হেজাৰ মানুহক

বনাঞ্চলৰ পৰা উচ্ছেদ কৰিলে, তেওঁলোকৰ থাকিবলৈ ঘৰ নাই, নদীৰ কিনাৰত গৰু-ছাগলীৰ দৰে বসবাস কৰিব লগা হৈছে।

উপাধ্যক্ষ মহোদয়, কিন্তু আজি ছমাহ পাৰ হৈ গল কিন্তু এতিয়াও সেই মানুহখিনিয়ে বহিবলৈ ক'ত ঠাই নাপাই শেষত যেনিৱা নদীৰ পাৰত গৈ আশ্ৰয় লৈছে গৈ। এইটো এটা দুখৰ কথা হৈছে, যদি এই মানুহ খিনিৰ কাৰণে এই চৰকাৰে একো কৰিব নোৱাৰে তেনেহলে কেন্দ্ৰীয় চৰকাৰৰ ওচৰলৈ যাব লাগিব আৰু যদি কেন্দ্ৰীয় চৰকাৰও একো কৰিব নোৱাৰে তেতিয়াহলে দেশত কি জুই নজ্বলাকৈ থাকিব? সেই মানুহ-খিনিৰ কিবা এটা ব্যৱস্থা অতি সোনকালে কৰি দিব লাগে।

উপাধ্যক্ষ :— শেষ কৰক।

*শ্ৰীৰমেশ মোহন কুলি :— তাৰ পিচত মই আৰু এটা কথা কব খুজিছো যে আমাৰ অঞ্চলত যি ধৰণৰ ঘটনা বিলাক সঘনাই সংঘটিত হব ধৰিছে সেই ফালৰ পৰা কোনো নিৰাপত্তাৰ ব্যৱস্থা লোৱা উচিত হব। এটাৰ পিচত এটাকৈ এই ঘটনা বিলাক এনে ভাবে সংঘটিত হব ধৰিছে যে মাডাৰ কেচ পৰ্য্যন্ত হৈছে আৰু ইয়েই কমিউনেল অৱস্থাৰ সৃষ্টি কৰিছো আমাৰ গৃহমন্ত্ৰী ডাঃ বৰুৱা এতিয়া সদনত নাই কিন্তু এইটো কথা ঠিক যে তাত থকা পুলিচ বিভাগ যেন নিস্ক্ৰীয় হৈ পৰিছে কিয়নো এই মাঘ মাহৰ ভিতৰতে প্ৰায় দহটা মাডাৰ কেচ সংঘটিত হৈছে। কিছুমান সম্প্ৰদায়ৰ লোকে কিছুমান সম্প্ৰদায়ৰ লোকক আক্ৰমণ কৰিছে আৰু শেষ কৰিছে। এখন গাওঁৰ লালুং মানুহখিনিয়ে ধেমাজিত বসবাস কৰিছিল আজি পছিশ বছৰ ধৰি তাতে আছে। কিন্তু আজি

* Speech not Corrected

কেইদিনমান হল তাতো কল্ড ব্লাডেড মাডাৰ হৈছে। ডিব্ৰুগড়ত মই নিজে এবেই কৰাই দিছো। যেমাজিৰ পুলিচে ধৰিব পৰা নাই।

উপাধ্যক্ষ :— চমু কৰক।

*শ্ৰীৰমেশ মোহন কুলী :— এই যিবিলাক কল্ড ব্লাডেড মাডাৰ সংঘটিত হৈ আছে তাৰ উপৰিও অলপতে সিদিনা মাত্ৰ হাট বজাৰৰ পৰা আহি থকা মানুহক আক্ৰমণ কৰি অত্যাচাৰ কৰিছে। আনকি হাটৰ পৰা অহা মহিলা লোককো অত্যাচাৰ কৰিছে দিন দুপৰতে। এনেকুৱা এটা অৱস্থা কিয় হৈছে তাৰ কাৰণে সোনকালে ব্যৱস্থা লৈ শান্তিৰ ব্যৱস্থা কৰিবলৈ কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলোঁ।

Mr. Deputy. Speaker :— Shri Bazlul Basit

Shri Bazlul Basit :— Mr. Deputy Speaker sir, First of all, I must thank to the Finance minister who has placed the Budget to the House were there is no provision of tax. Automatically, the people of the State will be happy for this. Sir, some of the Members have expressed the displeasure for the declaration of national Emergency. Sri, I cannot understand the causes of the displeasure as because the people whom they represent, I believe, almost all of them have appreciated it. Sir, in the meantime after the declaration of Emergency good results have been found throughout the whole country. The price declied, the

* Speech not Correceted

food production increased and the distribution system in the rural and backward areas have sufficiently been improved. So Sir, we all should appreciate it.

Sri, the Prime Minister started the 20-Point Programme throughout the whole country, the salient features of which is to give home to the homeless and to give land to landless people. In the meantime Sir, sufficient land has been given to the landless for cultivation and home Land to the homeless. A great success has been achieved within one year, unlike the previous years, This is a great Success Sir So Sir, I cordially thank the Government for this benevolent work.

In my Constituency thous and of people became homeless and landless due to Brahmaputra erosion and also due to the breaeh of the embankments in this outh banks. Sir, in my place there was a good market at Fakirganj where About 2000 families lived in a compact area, In 1974 the whole market area has been eroded by the Brahmaputra. To establish the whole market in a safer place. govt had to purehased I give my thanks to the Chief Minister who took personal interest in it. There was some nearly 100 scheduled

